
# স্মৃতিগ্ৰন্থ




ৰাজ্যিক ভিত্তিত কোচ-ৰাজবংশী জাতীয় মহাসভা আৰু চিক্‌নাঝাৰ দিৱস উদ্‌যাপন

স্থান :- চৰাইখোলা (কোকৰাঝাৰ)

তাং :- ২৩ আৰু ২৪ ফেব্ৰুৱাৰী, ২০০৩

OKDISCD

# সূচীপত্ৰ


- সম্পাদকীয় ঃ
- ৰাজবংশী জাতিসত্ত্বাৰ সংকট ঃ পশ্চিমবঙ্গ আৰো অসম — দীপক কুমাৰ ৰায় — ০১
- কোচ-ৰাজবংশী গুলানেৰ ভাষা — ড. দ্বিজেন্দ্ৰ নাৰায়ন ভকত — ০৮
- কোচ-ৰাজবংশী জনজাতিৰ ক্ৰমবিবৰ্ত্তন — অনিল কুমাৰ বৰ্মণ — ১৩
- কোচ - ৰাজবংশী জীৱন ধাৰাৰ পৰিবৰ্ত্তন — নিৰদেন্দু ৰায় — ১৯
- কোচ-ৰাজবংশী ভাষা আৰো লোক সাহিত্যৰ প্ৰতিচ্ছবি — ৰঘুনাথ চৌধুৰী — ২৩
- ৰাজবংশী সমাজেৰ লোকবিশ্বাস — লাবন্য ভকত — ৩১
- এই হিনমন্যতাৰ শেষ কুটাই — ভাগিৰথী ৰায় — ৩৬
- কোচ-ৰাজবংশী ভাষা-সংস্কৃতিয়ে কোচ-ৰাজবংশী জনগোষ্ঠিৰ প্ৰাচীন কালৰ ইতিহাস জীয়াই ৰাখিছে — বিপিন বৰ্মণ — ৪০
- জনজাতিৰ তালিকাভুক্তিৰ পম খেদি — ড. দুৰ্লভ চমুৱা — ৪৬






OKDISCD

## স্মৃতি গ্ৰন্থ সম্পাদনা সমিতি ঃ

সম্পাদক ঃ তপন কুমাৰ ৰায়।

সদস্য/সদস্যা সকল ঃ
১। শ্ৰীঘনশ্যাম ৰায়।
২। শ্ৰী নগেন ৰায়।
৩। শ্ৰী সম্বাৰু ৰায়।
৪। শ্ৰী পুলেন ৰায়।
৫। শ্ৰীমতী জয়মতী বৰ্ম্মন।

বেটুপাত ঃ তপন ৰায়।

বৰঙণি ঃ পঞ্চাশ টকা (৫০.০০)

প্ৰকাশক ঃ অভ্যৰ্থনা সমিতি

ডি.টি.পি ঃ চম্পক দাস

## "সম্পাদকেৰ কলম"

"কোচ - ৰাজবংশী" আৰ "চিকনাঝাৰ" এই নাম দুইটা পৰস্পৰ পৰস্পৰেৰ লগত বিশেষ ভাবে জড়িত। ইতিহাসে কয় যে ১৪০০ শতিকাত হাৰিয়া নামেৰ শক্তিশালী মানুষটায় ১২ গাওয়েৰ মানুষক ডাকেয়া একখান ক্ষুদ্ৰ স্বাধীন ৰাজ্য স্থাপন কৰে। ৰাজবংশী সমাজত ১২ খান গাওৱেৰ মাথা(মুখিয়াল) জনক মণ্ডল আখ্যা দেওয়াৰ নিয়ম আছিল। সেই দিনেৰ পাৰা হাৰিয়া মণ্ডল হিসাবে জানাজাত হয়। পৰবৰ্ত্তি কালত হাৰদাস মণ্ডল হিসাৱেও বুৰঞ্জীত পাওৱা যায়।

ৰাজা হয়ায় হাৰিয়া মণ্ডলে চিকনাঝাৰত ৰাজধানী স্থাপন কৰে। কথিত আছে যে ৰাজধানী বানেবাৰ জন্যে জখন সৰলভাঙা নদীৰ পাৰত মাটিখান দখল দেয় তখন হাৰিয়া মণ্ডলে চিকনাবাশেৰ একটা ঝাণ্ডি গাড়িয়া দেয়। (সেই বাশেৰ পাৰা লাঠি বানোৱা হয়, আগেৰ দিনত লাঠিয়ো আছিল যুদ্ধৰ প্ৰধান হাথিয়াৰ।) আৰ তাৰ পাৰায় নাম হয় চিকনা নগৰ। কিন্তু পৰবৰ্ত্তী কালত ঝাণ্ডি গাড়ি দেওয়া বাশেৰ পৰা অজশ্ৰ চিকনা বাশ আৰ ঝাড়েৰ সৃষ্টি হয় জন্যে চিকনাঝাৰ হিসাবে নাম পায়।

এই সম্বন্ধে খৰ্গ নাৰায়নেৰ বংশাবলী, গন্ধৰ্বনাৰায়নেৰ বংশাবলী আৰ হৰকান্ত বৰুৱা ৰচিত আসাম বুৰঞ্জীতো এই সম্বন্ধে উল্লেখ পাওৱা যায়। এই ৰাজ্যেৰ চাৰিসীমা সম্বন্ধে এইধৰনে উল্লেখ পাওৱা যায় —

" পূৱত মানাস সনকোষ পশ্চিমত,
উত্তৰে ধবলগিৰি দক্ষিনে লোহিত।
সবে আসি হাৰিয়াক মণ্ডল পাতিলা,
ভোজভাত খায়া সৱে আনন্দে চলিলা।
সেই ধৰি বাৰ গ্ৰামে ভৈলা অধিকাৰী,
কাহাকো না দেয় কৰ এই সীমা ধৰি।

এই কথাৰ পাৰায় বুজা যায় যে এই অঞ্চলত কোচ ৰাজবংশী জনগোষ্ঠীৰ বাদে অন্য কুনো জনগোষ্ঠীৰ মানুষ নাছিল।

অনুমানিক ১৫০৫ খৃষ্টাব্দত পাঠান প্ৰতিংনিধি তুৰুকা কটোৱালক যুদ্ধত হাৰেয়া বিশ্বসিংহয় চিকনাঝৰ হাতে ১৮ মাইল উত্তৰে একটা কিল্লা বানায়। বৰ্ত্তমান এই কিল্লাটা ভূটানেৰ অধিনত আৰ এই কিল্লাটাক বিযেন সিং কিল্লা নামে জানা যায়। পৰবৰ্ত্তী কালত বিশ্বসিংহ যেলা মাতৃ হীৰাদেৱীৰ আদেশমতো ৰাজধানী চিকনাঝাৰ থাকি কোচবিহাৰেৰ ফালে নিয়া যায় তখন চিকনাঝাৰেৰ আশে পাশে থাকা সমস্ত কোচ-ৰাজবংশী মানুযো কোচ বিহাৰেৰ ফালে উঠিয়া যায় আৰো চিকনাঝাৰ নগৰ কালক্ৰমে ঝাড়-জঙ্গল দিয়া আবৃত হয়া চিকনাঝাৰত পৰিনত হয় বুলিয়া কোচ ৰাজবংশী সমাজত প্ৰবাদ আছে।



OKDISCL

নৰনাৰায়ন চিলাৰায়েৰ ৰাজত্ব কালেৰ পাছতে এই জাতি আৰ ৰাজবংশ ধ্বংশ কৰাৰ জন্যে অনেক ষড়যন্ত্র চলে। এই ষড়জন্ত্র হিচাবে ভাই-ভাইৰ মাজত যুদ্ধ লাগেয়া দেওয়া, ৰাজ অধিকাৰীক কায়দা কৰিয়া ইছলাম ধৰ্ম গ্রহণ কৰিবাৰ বাধ্য কৰেয়া ৰাজবংশৰ থাকি বিতাৰন কৰা বামুনেৰ দ্বাৰা কিশোৰ ৰাজাক হত্যা কৰা ইত্যাদি।

ইংৰাজ শাসন কালত এই জনগোষ্ঠীৰ মানুষেক একেবাৰে হেয় দৃষ্টি দিয়া দেখা হৈছিল। যাৰ ফলত ঠাকুৰ পঞ্চানন দেৱে গোটায় জাতিটাকে ক্ষত্রিয় কৰন কৰাৰ চেষ্টা কৰে। এই চেষ্টাও মাত্র অবিভক্ত গোৱালপাৰা জিলাৰ অৰ্ধেক অংশ শেনে ক্ষত্রিয় কৰন হয়। কিন্তু গোটায় আসামেৰ কোচ-ৰাজবংশী গুলান এই আওতাৰ বাহিৰতে থাকি যায়।

বৃটিছ সৰকাৰে যখন বিভাজন আৰ শাসন (Divide and rule) নীতিৰ অধিনত ভাৰতত অনুসূচীকৰণ আৰাম্ভ কৰে, তখন অন্যান্য জনগোষ্ঠীৰ লগতে কোচ-ৰাজবংশীকো অনুসূচীত জনজাতীৰ মৰ্য্যাদা দেওবাৰ জন্য ভাৰতেৰ বৃটিছ সৰকাৰে অনুমোদন জানেয়া লণ্ডনত পাঠায় বৃটিছ পৰ্লিয়ামেণ্টত পাছ কৰাৰ জন্য। কিন্তু ওই সময় প্রায় এক ডজন উচ্চ বৰ্ণেৰ মানুষ লণ্ডনত যায়া এই জনগোষ্ঠীক জনজাতীৰ মৰ্য্যাদা নাদেওৱাৰ জন্যে বৃটিছ সৰকাৰক লাগিয়া ধৰে। য়াৰ জন্যে সাৰা ভাৰতবৰ্ষত যখন অনুসূচী কৰণ হয়া যায় তাৰ দুই বছৰ পাছতসেনে ৰাজবংশীগুলানক বাবা চাহেব ড: আম্বেদকাৰেৰ হস্তক্ষেপত অনুসূচীত জাতি হিসাবেশে স্বীকৃতি দেয়। কিন্তু এই জনগোষ্ঠীৰ মানুষ এই কাৰ্য্যক স্বীকৃতি দেয় নাই। যাৰ ফলত বৰ্ত্তমান অসমেৰ কুনো মানুষে অনুসূচীত জাতিৰ প্রমান পত্র নেওৱাৰ নজীৰ নাই। স্বাধীন ভাৰততো যেই অঞ্চল বেঙ্গলত পৰে ওই অঞ্চলেৰ মানুষগুলাৰ পুনৰায় অনুসূচীত জাতি ৰূপে স্বীকৃতি দেয়। কিন্তু অসমেৰ গুলান বাদ পৰি যায়।

১৯৯৬ চনেৰ জানুৱাৰী মাসত অনেক চেষ্টাৰ ফলত ভাৰত সৰকাৰে এক অধ্যাদেশ যোগে অসমেৰ কোচ-ৰাজবংশী জনগোষ্ঠীক অনুসূচীত জনজাতি ৰূপে স্বীকৃতি প্রদান কৰে। কিন্তু চাৰিবাৰ কৰি অধ্যাদেশ হোৱাৰ পাছতো ৰাজনৈতিক ষড়যন্ত্রত জনজাতিকৰণ প্রক্রিয়া শেষ হয় নাই।

আগন্তুক চিকনাঝাৰ দিবস উদ্‌যাপন আৰ কোচ-ৰাজবংশী জাতীয় মহাসভাত এই জনগোষ্ঠীৰ ভবিষ্যত কাৰ্য্যপন্থা নিৰ্দ্ধাৰিন হব বুলিয়া আশা কৰা যায়। যিয়ে নাহউক অনেক কম সময় আৰ ব্যস্ততাৰ মাজেদিয়া এই "স্মৃতি গ্রন্থ" খান বাইৰ কৰা হইল যুদি কুনো ভূল ভ্রান্তি থাকে সুধি ৰাইজক ক্ষমা প্রাৰ্থনাৰে। ইতি -

ভৱদীয়
তপন কুমাৰ ৰায়।





প্রবন্ধ

# ৰাজবংশী জাতিসত্ত্বাৰ সংকটঃ পশ্চিমবঙ্গ আৰো অসম

দীপক কুমাৰ ৰায়।

ৰাজবংশী জাতিটাৰ আগিলা ইতিহাসখান খুউ-এ ভোইভোই। কোচ ৰাজবংশৰ ইতিহাস আসোলোতে ৰাজবংশী জাতিটাৰে চৌদ্দ গুষ্টিৰ বাত্রা। ৰাজা চিকন নাৰায়ণ দেৱ যায় চিকনাঝাড়ৰ আদি পুৰুষ তাৰ পাছোত বিশ্বসিংহ ষোড়শ শতকত যেইঠে ৰাজধানী তৈয়াৰ ক'ৰে, সেই চিকনাঝাড় আজিও অসম আৰো পশ্চিম বঙ্গৰ ইতিহাসোত ভৈ ভৈ কৰি আছে। আৰো কওয়া যায়, চিকনাঝাড় বিশ্বমহাবীৰ চিলাৰয়, ৰাজা নৰনাৰায়ণৰ নাড়ি পোতা গাজা। সেই জাগা থাকি ৰাজধানী অঠে নিগি কোচৰাজালা পহেলাতে আলিপুৰদুয়াৰৰ বগলত হিঙ্গুলাবাস, তাৰ পাছোতে দিনহাটাৰ ভেটাগুৰিত, এ্যখেলে শ্যায়ত কোচবিহাৰ শহৰত ৰাজধানী তৈয়াৰ কৰে। খালি ইতিহাসেৰ পাতোতে না হয়- অসমীয়া আৰো বাংলা সাহিত্যক খোৰাক জোগাইসিলো কোচৰাজবংশী জাতিটাৰ ফৰিফাট্টাং সাংস্কৃতিক পৰম্পৰা। আৰ এই দশকত্ আমি ইমিৰায় হোলেক এ্যলা হাটঘুৰানী-ফেলানী জাতিসত্ত্বাৰ কথা কোলে ৰাজনীতিৰ শিপাত্ জাপ্টি থাকা মানষিলাৰ গেলানীমাখা বাত্রা খ্যম্‌কায় শুনা যায়। আৰো উগ্র আঞ্চলিকতাৰ সম্প্রদায়িক ঝাপি মাথাত্ দিয়া আইজও ৰাজবংশীগিলাক বুঝিবাৰ চেষ্টা কৰে ভুল ইতিহাস। ছলুয়া শিপা বা শোষনৰ যন্ত্র মাটিৰ তলত সুকুদ্দুম হঞা উঠে, তাৰাবাদে দেখা যায় অসম আৰো পশ্চিমবঙ্গৰ বিয়াপী ক্ষত্রিয় আন্দোলন, উত্তৰখন্ড আন্দোলন, কামতাপুৰ আন্দোলন, কোচৰাজবংশী আন্দোলন ইত্যাদি। অক্ত চুষাৰ দল অক্ত চুষিৰ বাদে ডেৰু, ঝকা, জাল ফেলায় ক্যাৰমে ক্যাৰমে হঞা উঠে জাতিসত্ত্বাৰ সংকট - 'অবুজ মনটা এ্যালাও বুঝে না'।

নৃ-বিজ্ঞান মতে, কোচগিলা 'Indo-Mongoloid'; বিশ্বসিংহৰ দিনৰ 'Sanskritization' প্রক্রিয়াৰ মাজেদি ৰাজবংশী পৰিচয় গ্রহন কৰে। এই থাকি আৰম্ভ হয় হিন্দুকৰণ তথা আৰ্যীকৰনৰ নয়া ঘাটা। ড০ চাৰুচন্দ্র সান্যাল 'The Rajbansis of North Bengal' গ্রন্থখানত্ কইসেন - "The Koches are non-Aryan



OKDISCD

in Origin. Some of Them adopted Hinduism and become Rajbansis. (The Asiatic Society, 1965, Page No 13) ডঃ সুনীতি কুমাৰ চট্টো পাধ্যায় কইসেন -"The Assam-Bengal Bodo Speeches are the Bodo, The Rajbangis, The Koch, the Mech, The Ratobha, The Dimasa, The Kachari, The Chutiya, The Garo, The Haijong and the Tipra (or Tripuri) dialects, These are very Close to each other and are largely mutually intelli gible." (The Cultureal Heritage of India, Vol. V, 2000)

ভৌগোলিক অবস্থান অনুসাৰে ৰাজবংশীলাৰ বসবাস উত্তৰ-পূৰ্বভ াৰত, নেপাল ও বাংলাদেশৰ উতোৰ পাখে। এ্যাকে জাতি হোলেও ইংৰাজেৰ দিনত গাজা বিশ্যেযে ৰাজবংশী জাতিটাক্ কিচিম কাচাম নামোত্ দ্যাখে দেয়া হৈসিলো। সেই ভুল তইথ্যলা আইজও জাতিটাক বিভাজনত ঢেক্কে দেয় - সংকট তৈয়াৰ কৰি দেয়। যেমন বিহাৰোত সূৰ্যপুৰিয়া, উ/দঃ দিনাজপুৰোত (পঃবঃ) দেশিয়া আৰো পোলিয়া, জলপাইগুড়িত্ কাহাৰ, পানি কোচ, দোভাষিয়া, অসমৰ গোয়ালপাৰাত্ ঝাৰুয়া, ঘুলিয়া, মদাহী, গোয়ালপাৰীয়া ইত্যাদি। এই দিশোত পশিমবঙ্গ আৰো অসমৰ ৰাজবংশী জাতিসত্বাৰ সংকটৰ কাৰন খুঁজিবাৰ পাৰি। এইঠে জানেয়া আখা ভাল্- ১৯৯১ সনৰ জনগননাত্ পশ্চিমবঙ্গৰ ৰাজবংশীৰ সইংখ্যা প্ৰায় ৩৫ লক্ষ আৰ অসমত প্ৰায় ৫০ লক্ষ।

## ইংৰেজগিলাৰ ভুল গৱেষণাৰ শিকাৰ ঃ

ইংৰাজ হামাৰ দ্যাশত আইচ্চিলো বানিজ কৰিবাৰ। তাৰপৰ 'যায় আছিলো নাড়াৰ পালা, তায় হৈল এ্যলা আখাঠেলা। কোচ জনগোষ্ঠী মঙ্গোলীয় আৰ ৰাজবংশীলাও এ্যকে ৰেসোত (Race) পড়ে। হয়তো খানেক অষ্ট্ৰিক-দ্ৰাবিড় মিশ্ৰনও বিশ্যেষকৰি ৰংপুৰ অঞ্চলত হবাৰ পায়। কিন্তু আদিত্ কোচ তাৰপৰ ৰাজবংশী এই তইথ্যটা বেশীভাগ পন্ডিতে মানি নেয়। ইংৰেজ গিলায় পথম ৰাজবংশী জাতিটাৰ 'Racial Source' দ্যাখেবাৰ যায় মতান্তৰ যেইটাক কওয়া যায় এ্যকধৰনৰ ষড়যন্ত্ৰ। E.T. Dalton ('Descriptive Ethnology of Bengal 1872, P-89-92) কইসেন ৰাজবংশীলা অনাৰ্য দ্ৰাবিড় অথবা ভুটিয়া নৃ-গোষ্ঠীৰ মান্ষি। H .S . Risley (The Tribes and caste of Bengal, 1891, Vol. III, P-262) ক'ন ৰাজবংশীলা বৃহৎ দ্ৰাবিড় বংশোদ্ভুত, আৰো মনে হয় মঙ্গোলীয়া অক্তৰ মিশ্ৰম হৈসে। G.A. Griarson (LSI, 1904) মতেকোচ আৰ বড়ো এ্যকটায় শিপাৰ মান্ষি আৰ ৰাজবংশীলা হিন্দুকৃত কোচ। O, Melley (Census Report, 1911, Vol. V, Part. I, Page 399) কয়া উঠেন ৰাজবংশী আৰ কোচ দুইটা আলাদা জাতি। ৰাজবংশী সমাজটাৰ ক্ষত্ৰিয় আন্দোলনৰ নৈতা ৰায়সাহেৱ পঞ্চানন বৰ্মাও ১৯১০ খৃঃ ১ লা মে ৰংপুৰোত (বৰ্তমানে বাংলাদেশ) হওয়া অধিবেশনত্ ৰাজবংশী আৰ কোচ দুইটা আলাদা জাতি বুলি নথিভূক্ত কৰাৰ দাবী কৰিসিলেন। সেইবাদে পশ্চিমবঙ্গত



Tribe হিসাবোত চিহ্নিত কৰনৰ দাবী-এ্যলাও শুনা না যায়; আৰ অসমত Tribe কৰণ হএ্যা উঠে পধ্যান বিষয়। ক্ষত্ৰিয় দাবী নস্যাত কৰি ১৯৮০ ত্ কোচ-ৰাজবংশী সন্মীলনী জনজাতি কৰনৰ দাবী জনায়।

## উগ্ৰ ব্ৰাহ্মণ্যবাদৰ শিকাৰ ঃ

ব্ৰাহ্মণ্যবাদ ভাৰতবৰ্ষৰ সমাজ জীৱন আৰো ৰাজনৈতিক জীৱনধাৰাত ভালেখিনি প্ৰভাৱ বিস্তাৰ কৰিসিলো তাৰ ঢেললা উদাহৰন আছে। তামিল নেতা ই.ভি. ৰামস্বামী নাইকাৰ ম্ৰাজ কংগ্ৰেসৰ অন্যতম পধ্যন সেক্ৰেটাৰী আছিলেন; কিন্তুক ব্ৰাহ্মণ্যবাদৰ চাপোত কংগ্ৰেসৰ মঞ্চ তিয়াগ কৰিতে বাইধ্য হন। ৰায়সাহেৱ পঞ্চানন বৰ্মাও ৰাজনীতিৰ মঞ্চ থাকি ৰাজনীতি শুৰু কৰিলেও শ্যাযত মাদ্ৰাজেৰ জাষ্টিৰ পাৰ্টিৰ নাকান ক্ষত্ৰিয় সমিতি গঠন কৰেন। সতীশ চন্দ্ৰ সিংহ কোচ-ৰাজবংশী জাতিটাৰ আৰ এ্যকজন কৰ্মীনিজ সমাজোৰ উন্নতি আৰ ৰাজনীতিৰ ঘাটা ধৰি আগে আসিলেও পাছোত্ চাপোত পড়ি পিছন ফিৰিতে বাইধ্যো হৈসেন। অসমতো কোচ-ৰাজবংশী উগ্ৰ-ব্ৰাহ্মণ্যবাদ বা উগ্ৰ হিন্দুত্বৰ শিকাৰ হৈসে - "১৯৮৪ চন পৰ্যন্ত চাকৰীৰ বিজ্ঞাপনত প্ৰাৰ্থী ভাল বংশৰ ডেকা ল'ৰা হ ব লাগিব বুলি উল্লেখ কৰা হৈছিল। এনে ব্যৱস্থাৰ ফলত আহোম, ৰাজবংশী (কোচ-সমন্বিতে) আদি নৃগোষ্ঠীয় জাতিৰ (racial caste) আৰু হীৰা, কৈৱত আদি বৃত্তিগত জাতিৰ ল'ৰাইঁতে চাকৰি বাকৰিৰ সুযোগ নোপোৱাত পৰিল।" (তথ্য ঃ অসম আন্দোলনঃ প্ৰতিশ্ৰুতি আৰু ফলশ্ৰুতি, পৃ-২৮৯)

## সামন্ততান্ত্ৰিক কাঠাম'ৰ অভিযানঃ

শিপাৰটান সগাৰে থাকে। কাথা কয়- 'জাতে না ছাড়ে জাতেৰ টান্। হলদি না ছাড়ে অঙ' সেইবাদে কোচ-ৰাজবংশীলাও সহজে ভুলিৰ না পায় চৌদ্দ পুৰুষ। গুষ্টিলাৰ কাথা। ৰাজবাঝাৰ গৌৰব মন্ডিত সোনাৰ পাত্গিলা। কিন্তুক সমাজ পৰিবৰ্তনশীল তাৰ নগদ তালে মিলি চলিৰ না পাৰিলে খানেক পিছপৰা হএ্যা যাবাৰ নাগে। উত্তৰপুব ভাৰতত আজিও বত্তি আছে কোচবিহাৰ ৰাজাৰ বংশ, ৰায়কত বংশ, পাঙ্গা ৰাজাৰ বংশ, দৰংৰাজাৰ বংশ আদি সেই ৰাজত্বত্ত নাই ৰাজাও নাই আৰ ৰাজবংশৰ অভিমানোত আমাৰও আজি হীন গৰু ভিন্ দশা। সমান্ততান্ত্ৰিক কাঠামত জমিদাৰ, জোত্দাৰ চুকানীদাৰ জাপ্টে ধৰি শিক্ষা সংস্কৃতিৰ টানোত্ আগে না আইসাতে বাড়ি গেইসে সংকট। অইসা দিনগিলাত্ বিশ্বায়নৰ কবলত আমৰাও পড়িমু সেই বাদে সতক থাকাটা ভাল্।

## ... আৰো অ্যাসিমিলেশনঃ

কোচ-ৰাজবংশী সমাজটাৰ সাংস্কৃতিক পৰম্পৰাগিলাৰ নৃ-গোষ্ঠীয় বৈশিষ্ট আছে যাক Ethnomusicolgy বুলি কওয়া হয়। মাৰৈ পূজা, সোনাৰায়, কাতিকা, কিচ্চাবধি গান ইত্যাদিৰ মাঝোৎ যেনং নাচ আৰো গানৰ বৈশিষ্ট লইক্ষ্য কৰা যায় তাক্ 'Indo-Mongoloid Ethnic Character' বুলি ধৰিবৰ পাই। অথচ সজ্ঞানে অজ্ঞানে ৰাজবংশী বুদ্ধিজীবীলা তাত্ ভেজাল মিশায়; পশ্চিমবঙ্গত অন্যাইন্য বঙ্গীয় সংস্কৃতিৰ নগদ অ্যাসিমিলেশন কৰিৰ যায়া বিকৃত সংস্কৃতি উপস্থাপন কৰে। অসমতো ৰাজবংশী নাচগানত অমসীয়াকৰনৰ চেষ্টা বেশী। মেখালা পড়ি ৰাজবংশী নাচগান আৰু বিহু সংস্কৃতিক ঝাপি দেয়াৰ প্ৰৱনতা বিকৃতি প্ৰৱনতা নহয় কী?

ভাষা এ্যকটা abstract বিষয় গতিশীল সমাজটাৰ পৰিবৰ্তনৰ নগদ ভাষাও কল্পি যায়। নুতুন 'FORM' নেয়। যাক্ ভাষাবিজ্ঞানত 'Synchronic' আৰো 'Diachronic linguistics' বুলি কওয়া হয়। কোচ-ৰাজবংশী ভাষাটা চৰ্চা, সংৰক্ষন গৱেষণাৰ অভাবোত অসমীয়াকৰণ, বাংলাকৰণ, হিন্দীকৰনৰ মাঝোত্ মিশি যাবাৰ ধৰিসে।

আত্মসচেতন হীনতাৰ আৰ এ্যকটা দিশ শিক্ষাৰ প্ৰতি অবহেলা। অসমৰ অবিভক্ত গোয়লপাড়া জেলাৰ চহিতে আপাৰ অসমৰ ৰাজবংশীলা আগে আছে। এ্যকসমাই ৰংপুৰেৰ ৰাজবংশীলা ভালে শিক্ষাদীক্ষা নিসিলো-ৰায় সাহেব পঞ্চানন আছিলেন ৰাজবংশী সমাজটাৰ পথম M.A. পাস। শতকৰা হিসাবটা না পালেও দেখা যায় বিহাৰ আৰ নেপালৰ ৰাজবংশীলা শিক্ষাত্ আৰো পাছোত্ আছে।

ইতিহাস ঘাটি দ্যাখা যাওয়া দুইশত বছৰেৰ ভিতিৰায় ৰাববংশী সমাজটাৰ যৈ পৰিবৰ্তন হেসে বিশ্বিসিংহ ৰাজা হবাৰ ৩/৪ শ বছৰেও সেই পৰিবৰ্তনটা হয়। নাই। বাংলাত বাঙালীকৰন অসমত অসমীয়া কৰণৰ আজিও দপ্‌দপানি আছে। ৰাজবংশী পদবী বৰ্জন কৰি বৰা, ডেকা (উচ্চেজাত পৰিচয় বুলি ভাবা) পদবী গ্ৰহনৰ ভেল্‌লা উদাহৰণ আছে। এই অ্যাসিমিলেশনৰ ৰোগ ৰাজবংশী জাতিটাক সংকটত্ ঠেলি দেয়।

## উগ্ৰ আঞ্চিলিকতাবাদৰ (প্ৰাদেশিকতা) শিকাৰ ঃ

বাংলা এ্যাকটা ভাষা। বঙালী এ্যকটা জাতিসত্ত্বা। ড০ অতলু সুৰ বাঙালীৰ নৃ-তাত্ত্বিক পৰিচয় দিবাৰ যায়া কৈসে বঙালী জাতি সত্ত্বা মিশ্ৰিত আৰ্থ-অনাৰ্থ সংমিশ্ৰনত্ মিশ্ৰিত সত্ত্বা। নীহাৰ ৰঞ্জন ৰায়ও 'বাঙালীৰ ইতিহাস' (১ম খন্ড) গ্ৰন্থত্ এ্যখে কথা কইসেন। ঐন্যপাখে



অসমীয়াও এ্যাকটা মিশ্ৰিত সত্ত্বা-নগেন শইকীয়া প্ৰমুখ্য স্বীকৃতি জনাইসে। কিন্তু এই মিশ্ৰিত সত্ত্বাৰ লগত অ্যাসিমিলেশনৰ সূত্ৰ ধৰি উগ্ৰ প্ৰাদেশিকতাৰ শিকাৰ হয় বৃহত্তৰ ৰাজবংশী সমজা। অসমত বানে দেয় অসমীয়া, পশ্চিমবঙ্গত বানায় বাঙালী আৰ বিহাৰোত্ বিহাৰী। কিন্তক অসমীয়াকৰন বা বাঙালীকৰণৰ ঘাটাখানও সিধা নহয়; তাৰ বাদে "ঠাকুৰ পঞ্চাননেৰ তৎপৰতায় ৰাজবংশীদেৰ একটা বড় অংশ শুদ্ধিকৰনেৰ মাধ্যমে 'ক্ষত্ৰিয়' হওয়াৰ পৰেও তাঁদেৰ বাঙালী সমাজেৰ অন্দৰমহলে ঢোকা সম্ভব হয়নি। (তথ্যঃ আনন্দবাজাৰ পত্ৰিকা, ২১/১২/২০০০) অসমতো অসম আন্দোলনৰ দিনত কোচ-ৰাজবংশীৰ ভূমিকা অসাধাৰণ হএগা উঠিলেও পাছোত্ ৰাজবংশীলায় অসমত হএগা যায় 'বিদেশী'। সেইবাদে অসম আন্দোলনৰ ফল-"কাৰো হৈল পুষ মাস আৰ কাও হৈল সৰ্বনাশ।"

## সাহিত্য চৰ্চাত অবহেলা ঃ

কোচ-ৰাজবংশী সমাজোত্ ভাষাৰ কাথা বাত্ৰা যত শুনা যায়, ভাষাৰ বিজ্ঞান ভিত্তিক আলোচনা ততখান নাই ভাষাৰ চৰ্চাও ক্যাৰমে ক্যাৰমে হাঁটি যায়। ৰাজবংশী ভাষাত এ্যলাও সেইনাখাতি ব্যাকৰণ লেখা হয় নাই। তাৰ মইধ্যোত্ ভাষাসৃষ্টিৰ ইতিহাস না জানি Local Variation ধৰি আমৰা কাঁহ কাঁহ কবাৰ চাই কোকৰাঝাৰ অথবা বঙাইগাঁও অথবা পশ্চিমবঙ্গৰ দাৰ্জিলিং জেলাৰ ভাষাটায় ঠিক। এই নাখাতি অযৌক্তিক তৰ্কতে এ্যলাও আমৰা মও হএগা আছি। সাহিত্য চৰ্চাত্ মন নাই। অকালোত মৰি যাওয়া পত্ৰিকা বিৰ কৰা ছাড়া এ্যলাও একনাগাৰি মূখপত্ৰ নিকিলিবাৰ কুন চিন্ নাই। সাহিত্য চৰ্চাত এই নাখাতি অবহেলা জাতিসত্ত্বাৰ সংকট ডেকে আনে। এই জাগাতে কওয়া ভাল ৭০ এৰ দশকত পশ্চিম বঙ্গৰ জলাপাইগুড়ি (ময়নাগুড়ি) থাকি ৰাজবংশী ভাথাত, পথম সাহিত্য পত্ৰিকা বিৰ হয় নাম 'পোঁহাতী'। সম্পাদক ভুপেন্দ্ৰ নাথ ৰায়, বাচ্চামোহন ৰায়। ৫/৬ বছৰ চলিবাৰ পাছোত্ নানান কাৰনে বন্ধ হয়া যায়।

## ৰাজবংশী বুদ্ধিজীবীলাৰ স্বাৰ্থান্বেষী মনোভাবঃ

পৰাৰ ভাসাত উসুম দেওয়া আমাৰগুলাৰ অভ্যাস। সৌগ মানষি নেখাপড়া শিখি পথমতে নিজ জাতি আৰো জাতিসত্ত্বাৰ কাথা ভাবে। ৰাজবংশী হয়া উঠে পৰভাবিয়া - " কাচকুটা বগৰীৰ নাকান নেলকুচা মানষিৰ মন ঝকেয়াও না যায় পোয়া। এইটায় ৰাজবংশী জাতিটাৰ Tragedy; নিজোৰ স্বাৰ্থসিদ্ধিৰ বাদে সুকৌশলত বিক্ৰি হএগা যায়।

OKDISCD

## সংকটৰ পটভুমি ঃ তুলনামূলক আলোচনা ঃ

১৮ শতকৰ শ্যাযভাগোত্ ৰাজবংশী সমাজোত্ ক্ষত্রিয় আন্দোলনৰ সাজগোছ দেখা দেয়। ৰংপুৰোত্ ৰায়সাহেব পঞ্চানন বর্মাৰ নেতৃত্বত্ যে ক্ষত্রিয় আন্দোলন হয় ঐ সমায় অসম থাকিও প্রতিনিধি যোগদান কৰে। তাৰপৰ প্রায় ৫০ বছৰ ধৰি অ্যাসিমিলেস পক্রিয়া – অসমীয়াকৰণ বঙালীকৰণ, বিহাৰীকৰণ। ড০ চাৰুচন্দ্র সান্যাল (The Rajbansis of North Bengal গ্রন্থ প্রণেতা) ষাইটেৰ দশকত গৱেষণা কৰিব যাঞা এই নাকান পৰিবর্তন লইক্ষ্য কৰিসেন। তাৰ পাছোত্ কোচবিহাৰ ৰাইজ্যোৰ বিলুপ্তি, গোয়ালপাড়াক অসমত যুক্ত কৰন ৰাজবংশী জাতিসত্ত্বাৰ সংকটৰ আৰ এ্যাক Tragedy; ফলত দেখা দেয় কোচবিহাৰোত হিতসাধনী সভা, গোটায় উত্তৰবঙ্গ জুৰিয়া উত্তৰখন্ড আন্দোলন, উত্জাস আন্দোলন, শ্যাযত্ কামতাপুৰ আন্দোলন। কামতাপুৰ আন্দোলন শুৰু হওয়াৰ আগোত সৰকাৰি বেসৰকাৰী তৰফ থাকি নানা ধৰনৰ ঘটনা-অঘটন এইঠে উদাল কৰা ভাল্।

১৯৯১ সনত কলিকাতা বিশ্ববিদ্যালয় থাকি বিৰ হয় 'আঞ্চলিক বাংলা ভাষাৰ অভিধান' (১ম খন্ড)- তাক্ নিয়া নানা ৰাজনীতি। ঐঠে ৰাজবংশী ভাষা বিষয়ত অপমানজনক মইন্তব্য আছে। দেবেশ ৰায় তিস্তাপাৰেৰ বৃত্তান্ত' নামে এ্যকটা উপন্যাস লেখিসে; তাক্ নাইট্যৰূপদেয় কলিকতাৰ সুমন মুখোপাধ্যায়। মূল ঘটনা হৈল ৰাজবংশী জীবনচিত্র। বাঘাৰু নামে এ্যাকটা চৰিত্র আছে-যায় ৰাজবংশীৰ প্রতিনিধি। নাইট্যৰূপত বাঘাৰুক প্রায় নেংটা অবস্থাত্ দ্যখা হয়। এই নিয়া ভেল্লা প্রতিবাদ হৈসিলো। তাৰ পৰে ৰাজবংশীৰ বঞ্চনা, শোযন ইত্যাদিৰ প্রতিবাদোত আৰম্ভ হয় ক্যমতাপুৰ আন্দোলন। ইয়াৰ ভিতিৰা আৰু এ্যকনা ছোট্ট ইতিহাস আছে – ১৯৭১ সন থাকি পশ্চিমবঙ্গত উদ্বাস্তুৰঘৰ গিলগিল্ কৰি আসিৰ ধৰে এবং কৌশলত্ চলি থাকে 'পূনৰ্বাসন'ৰ নামোত আগ্রাসন। ৰাজনীতিৰ দলগিলাৰ মোখা হয়া উঠে এই উদ্বাস্তু; নগদ ৰাজবংশী পেটো বুর্জোয়া মানযিলাও চুপ কৰি নয় নাই। বগা অপাৰেশন থাকি শুৰু কৰি চা-বাগান আগ্রাসনৰ দ্বাৰা ৰাজবংশী সমাজটা হয়া যায় সৰ্বহাৰা শ্ৰেণী।

অসমত দুই দশক ধৰি জনজাতি আন্দোলন আজিও আন্ধাৰোতে আছে। জোৰদাৰা ভাৱনা নাই। খালি "ইয়াৰঠেস্টা উয়াৰ ঠেস্টি তাতে যায় কামকৃষ্যি।" বিহাৰোত বসন্তকুমাৰ দাস, আনন্দমোহন সিন্হা দপদপেয়া আসিলেও আজিও সূর্যপুৰিয়া পৰিচয়টা উমুবালাৰ গ্রহদোষ। ঐন্যদি নেপালোত্ ফুলসিংৰাজবংশীঘৰ জাতিসত্ত্বাৰ সংকট মোচনত থানেক আগ বাড়ালেও 'কোচ' পৰিচয়টা শুনিলে উমাৰ মনলা ক্যামন হয়া যায়।





ৰাজবংশী আন্দোলনৰ আসোল কাথা অস্তিত্ত্বৰ সংকট (Indenity Crisis) পশ্চিমবঙ্গৰ মাটিত তাৰ চেহেৰাটা এ্যাক ধৰণৰ আৰ অসমত চেহাৰাটা ঐন্য ধৰণৰ। পশ্চিমবঙ্গত কলিকাতা ক্ষত্রিয় সমিতি, কেন্দ্রীয় ৰাজবংশী ক্ষত্রিয় সমিতি ক্ষত্রিয়ত্ত্বৰ দাবী থাকি নড়ে নাই। কামতাপুৰ আন্দোলন নুতুন কৰি ৰাজবংশী জাতিপৰিচয় পাসুৰি যায়া কামতা পুৰি পৰিচয় দিবাৰ ক্ষেত্রত কতখান জাতিসত্তা ৰইক্ষা হোবে না জান ! অসমত ৰাজবংশী বুদ্ধিজীবীৰ পেটো বুর্জোয়া চৰিত্র কতখান জাতিসত্তা ৰইক্ষাত্ সচেতন হইবে এ্যলাও সন্দেহ থাকি যায়। তৃতীয় বিশ্বত সৌগ্ মানযি জাতিসত্তা ৰইক্ষাৰ বাদে চেষ্টা কৰিব ধৈচেে বিশ্বায়নৰ আগ্ৰাসন থাকি হামৰাও ৰইক্ষা পামুনা সেইবাদে-

*"চিলাৰায়েৰ নাকান এক্না মানষি চায়*
*এক্না মানষি চায়..."*



OKDISCD

# কোচ-ৰাজবংশীগুলানেৰ ভাষা

প্ৰবন্ধ

ড০ দ্বিজেন্দ্র নাথ ভকত, ধুবুৰী

ভাষাবিদ গ্রিয়াসেনেৰ মতে কোচ-ৰাজবংশী গুলানে নিজেৰ ধৰ্ম্ম আৰ ভাষা ছারিয়া আর্যভাষা নেয়। ড০ সুনীতি কুমাৰ চট্টোপাধ্যায় কয় 'উম্রা নিজেৰ মূল 'তিব্বত বর্মী' ভাষা ছাৰিয়া বাংলাৰ উত্তৰাঞ্চলেৰ উপভাষা নিছে। কোচ-ৰাজবংশী গুলানেৰ নিজেৰ ভাষা বিলুপ্ত হওয়াত গেইট সাইবেও কয়- 'কোচ ভাষা বর্তমান মৃত পৰায়, কিন্তুক কোচ ভাষাৰ যে দুই একটা নমুনা পাওয়া যায় তাৰ থাকি এই ভাষাৰ সাথত গাৰে ভাষাৰ মিল দেখা যায়। পদ্ম পুৰাণত 'পৈশাচীক ভাযা' অর্থাৎ কোচগুলানে অনার্য ভযা কছিল বুলিয়া উল্লেখ আছে। উক্ত মতামতগুলানেৰ থাকি আম্রা নিশ্চিত যে মঙ্গোলীয় জনগোষ্ঠীৰ ভিতিৰা কোচ-গুলানেৰ নিজেৰ ভাযা আছিলেক। যাক 'তিব্বত বর্মী' ভাযা গোষ্ঠীৰ ভিতিৰা ধৰা হৈছিল। পৰে উম্রা আর্য ভাযা গ্রহণ কৰে। গেইটে বর্ণনা দিছে মঙ্গোলীয়গুলানে যতয় অসমেৰ পশ্চিম পাকে আগায় ততোয় উমাৰ বৈশিষ্ট্য হ্রাস পায় আৰ বর্তমানেৰ হিবাৰেৰ সীমানা পৌঞ্চে মানে এটা সম্পূর্ণভাব লোপ পায়, আর্য আক্রমণকাৰী গুলানে আর্য অথবা ইন্দো ইউৰোপীয় ভাযা কৈছিল। উত্তৰ ভাৰতেৰ বেশীভাগ লোকে পৰে এই ভাযা গ্রহণ কৰে ক্রমান্বয় এই আর্য ভাযায় পূর্বেৰ দ্রাবিড় আৰ তাৰপৰে মঙ্গোলীয় আগমণকাৰী গুলানেৰ ভাযাৰ স্থান দখল কৰে। খালি দক্ষিণ ভাৰত ছাৰা অনার্য ভাযা হুৰ সেদিন পর্য্যন্ত অগৈম জঙ্গলে ভৰা কতগুলা দুর্গম জাগাত বাচিয়া থাকে যায়।

আর্যগুলান আইসাৰ পৰে অসমেৰ তিব্বত বর্মী শাখাৰ লোকগুলা আর্যগুলোনেৰ সাথতে বসবাস কৰিয়া আছিলেক আৰু বর্তমানো ইমাৰ বেশীভাগ লোকে সমান জাগাতে বসত কৰিয়া আছে। আর্য গোষ্ঠীৰ লোকগুলানেৰ ঘনিষ্ঠ সংস্পর্শত, আসিছিল জন্যে বড়ো জাতিৰ অনেকে নিজেৰ ধর্ম আৰু ভাষা ছাৰিয়া কালক্রমে অসমীয়া ভাষা নিছিল। মধ্য যুগেৰ বড়োগুলান শক্তিশালী হয়া উঠে আৰু ইমাৰ কোচ মাৰাণ, চুটীয়া আদি বিভিন্ন শাখায় অসমেৰ নানান জাগাত ৰাজ্য স্থাপন কৰে। সেই বাদে ড০ সত্যেন্দ্র নাথ শৰ্ম্মায় কয় ৰাজবংশীগুলানেৰ





উমাৰ নিজেৰ সুৰত অসমীয়া ভাযা কয়। (উত্তৰবংগ আৰ গোয়ালপাৰাৰ ৰাজবংশী গুলানেৰ কথাকে শৰ্মাদেবে কৈছে) মধ্য আৰু পূব পাকেৰ অসমেৰ কোচগুলানে অন্যান্য অসমীয়া মতো উমাৰ জাগাত অসমীয়া ভাযা কয়। চাকচন্দ্র স্যান্যালে কয় দার্জিলিঙেৰ শিলিগুৰি মহকুমা, অবিভক্ত জলপাইগুৰি, কোচবিহাৰ, অসমেৰ গোয়ালপাৰা আৰ পূব পাকিস্থানে (বর্ত্তমান বাংলাদেশ)ৰ ৰাজবংশী গুলানেৰ কথিত ভাযা হৈল বাংলাৰ স্থানীয় উপভাযা (Local dialect of Bengali)। গ্রিয়াৰসেন ইয়াক ৰাজবংশী উপভাযা বুলিয়া কৈছে। ডঃ সুনীতি কুমাৰ চ্যাটার্জী আৰু ডঃ সুকুমাৰ সেনে ইয়াক উত্তৰ পূর্ব বাংলা উপভাযা বুলিয়া অভিহিত কৰা কথা স্যান্যালেও উল্লেখ কৰিছে।

ওপৰোক্ত মতামত গুলানত ৰাজবংশী গুলানেৰ ভাযাক নিয়া বাংলা আৰু অসমীয়া পণ্ডিতেৰ টানাটানি মনে ৰাখাৰ মতো। অসমেৰ অবিভক্ত গোয়ালপাৰা আৰ উত্তৰবঙ্গেৰ কোচ ৰাজবংশীগুলান একে ভাযিক গুষ্টিৰ ভিতিৰা। ইয়াৰ একটা আলাদা ভাযা আছে। এই ভাযাটাক অসমীয়া বাংলা ভাযাৰ উপভাযা বুলিয়া টানাটানি কৰাৰ থাকি গ্রিয়াৰসনেৰ 'ৰাজবংশী' নামটা গ্রহম কৰা ভাল। গ্রিয়াৰসনে অভিমত দেয় যে মূল কোচ গুলান বড়ো গুলানেৰ সাথত যে একে আছিল এই বিযয়ে সন্দেহ নাই। কোচ, মেচ আৰ বৰ (Bara) বা বড়ো (Bodo) গুলান একে জনাজাতি ভিতিৰা বা একে জনজাতিৰ আলাদা শাখা। কোচ নামটায় প্রকৃততে হিন্দুকৃত বড়ো বুজায়, যে গুলানে হিন্দু ধর্ম্মে গ্রহম কৰিয়া পৈতৃক ধর্ম পৰিত্যাগ কৈচ্ছে আৰু বাংলা বা অসমীয়া ভাযা নিয়া পৈতৃক বড়ো ভাযা ছাৰিছে। ৰংপুৰ আৰ গোয়ালপাৰাৰ ৰাজবংশীগুলান হিন্দুকৃত কোচ। যেগুলান কোচ সম্প্রতি হিন্দু ধর্ম নিছে ইমিৰা প্রধানতঃ ৰাজবংশী বুলিয়া জনাজাত। গ্রিয়াৰসনে আৰো কয়, ৰাজবংশী উপভাযা পূর্ববংগেৰ উপভাযাৰ সাথত অনেক ক্ষেত্রত মিল দেখা যায়। উমাৰ মতে কোচ ৰাজবংশী জনজাতিৰ ভাযাৰ নাম ৰাজবংশী ভাযা।

অন্য তথ্য মতে জনা যায় যে ৰাজবংশী গুলানেৰ উৎপত্তি সম্পর্কে ইতিহাস ৰহস্যময়। উমাক বৃহৎ বড়ো গোষ্ঠীৰ লোক বুলিয়া কওয়া হয়, খৃঃ পূর্ব দশম শতিকাত পূবপাক থাকি আসিয়া উম্রা ব্রহ্মপুত্র উপত্যকাত বসত কৰে আৰ আস্তে আস্তে সমগ্র অসম আৰ সমগ্র উত্তৰ আৰু পূববংগত বসতি বিস্তাৰ কৰে। সুনীতি কুমাৰ চ্যাটার্জীৰ মতে 'হিউয়েনচাঙে ভুল বশতঃ কুমাৰ ভাস্কৰ বর্মণৰ ব্রাহ্মণ বুলিয়া বর্ণনা কৰিছে। কিন্তুক উম্রা হৈল নতুন ক্ষত্রিয় অহিন্দু ইন্দোমঙ্গোলীয় পৰিয়ালেৰ হিন্দুকৃত ম্লেচ্ছ সদস্য। কিছু পুৰুষ আগতে উম্রা হিন্দু ধৰ্ম্ম নিছে। চীনেৰ লিখকে উমাৰ ৰাজ্যেৰ প্রজা গুলানেৰ মঙ্গোলীয় চৰিত্রেৰ বিযয়ে স্পষ্ট কৰিয়া লেইখছে- 'মানুযগুলা সাদাসিদা ছোটো খাটো গাৰ ৰং আছিলেক কড়া হলধীয়া। মধ্য-ভাৰতেৰ ভাযাত থাকিয়া ইমাৰ ভাযা খানেক আলাদা আছিল।



OKDISCD

কুমাৰ ভাস্কৰ বৰ্মণেৰ পৰে আৰ একটা সমোসমো মঙ্গোলীয় বংশয় ৰাজ্য শাসন কৰাৰ কথা পাওয়া যায়। উম্রা ৬৫০-ৰ থাকি ৮০০ খৃষ্টব্দ পৰ্যন্ত নিঃসংশ ভাবে অসম শাসন কৰিছিল। এই বংশটা হৈল শালস্তম্ভ বংশ। এই বিষয়ে সম সাময়িক বংশেৰ ৰাজা ৰত্ন পালেৰ তাম্র পত্রত (১১শ শসকেৰ প্রথম ভাগেৰ বৰগাওং তাম্রপত্র) ম্লেচ্ছ বা অহিন্দু বুলিয়া উল্লেখ আছে (ম্লেচ্ছাধিনাথ)।

পৰেৰ প্রলম্ভ বংশেৰ কামৰূপে পাল গুলানো হিন্দুকৃত বড়ো, ইমিৰা হিন্দু ধৰ্ম্ম আৰ সংস্কৃতিক বেশী গুৰুত্ব দিয়া সংস্কৃত ভাযাক নিজেৰ কৰিয়া নিছিল। এই তথাগুলাৰ উপৰা ভিত্তি কৰিয়া আম্রা কবাৰ পাই যে কুমাৰ ভাস্কৰ বৰ্মৰি কয় পুৰুষ আগত আৰ পৰেৰ কয় পুৰুষ মঙ্গেলীয় ৰাজায় ৰাজ্য শাসন কৰিছিল।

কুমাৰ ভাস্কৰ বৰ্ম্মনেৰ ৰাজধানী সম্পৰ্কে গেইটে লেইখছে যে 'ৰাজধানীখন বিশেষ গুৰুত্ব পূৰ্ণ আছিল বুলিয়া কবাৰ নাপাই। ৰাজধানী খানেৰ বিষয়ে উল্লেখ কইৰ্তে জাগাখান যে পৌশ্র বৰ্দ্ধধনেৰ থাকি ১৫০ মাইল পুবে অবস্থিত খালি এই কথায় হিউয়েনচাঙে লেখিছে। কাণিং হামে পৌণ্ড বৰ্দ্ধনক বৰ্ত্তমানেৰ পাবনা বুলিয়া চিনাক্ত কৰিয়া সেই মতে কামতাপুৰক কামৰূপেৰ ৰাজধানী বুলিয়া কৈছে। কিন্তুক কামতাপুৰ আছিলেক পাবনাৰ উত্তৰে পুবে নাহয়। তাৰো উপৰা পৌণ্ড্ৰবৰ্দ্ধন আৰু পাবনা একেখান জাগা বুলিয়া মানি নেওয়াও কঠিন। সম্ভবতঃ এই জাগাখান কৰতোয়াৰ ডাইন পাৰে মহাস্থান বা মালদাৰ নিকটেৰ পাণ্ডোয়াত সে অবস্থিত আছিল। এই দুই ক্ষেত্রতে দেখা যায় গুয়াহাটীৰ দূৰত্ব ১৫০ মাইলেৰ থাকিয়া বেশী আৰ সেই বাদে কামৰুপেৰ ৰাজধানী আৰ পশ্চিমে বুলিয়া অৰ্থাৎ গোয়ালপাৰা জিলা, কোচবিহাৰ বা ৰংপুৰৰ উত্তৰ পূবে আছিল যেনে লাগে। এই ৰাজ্যের মানষিলা ছোটো-খাটো গাৰ বৰণ হালধীয়া, আৰ ইয়াৰ সাথত দক্ষিণ পশ্চিম চীন দেশীয় লোকেৰ সাদৃশ্য আছিল বুলিয়া কওয়া কথা কোনাই ইয়া যে মঙ্গোলীয় থাকি উদ্ভব সেই কতাকে মনে কৰিয়া দেয়। ৰাজ্যেখানেৰ সৰ্ব সাধাৰণ লোকেৰ উপৰা হিন্দু ধৰ্ম্মেৰ প্ৰভাব কত দূৰ আছিল তাক সঠিক কৰিয়া জানা নাগেইলেও এটা ৰাজ পৰিয়ালেৰ ধৰ্ম্ম আছিলেক এই বিষয়ে সন্দেহ নাই। ৰাজাক ব্রাহ্মণ বুলিয়া হিউয়েনচাঙে কৈছে। সম্ভবত: ব্রাহ্মণ শব্দটায় ৰাজা যে হিন্দু (বৌদ্ধ নাহয়) এই কথাটায় বুজাইছে।

সেইটেৰ কথাৰ ওৰ ধৰিয়া আম্রা কৰাৰ পাই যে প্রাচীন কামৰূপেৰ ৰাজধানী বৰ্ত্তমান অসমেৰ পুৰাণা গোয়ালপাৰা আৰ উত্তৰ বঙ্গেৰ কোচবিহাৰ জিলাৰ ভিতিৰাতে আছিলেক। ৰংপুৰেৰ উত্তৰ বুলিয়া কইলেও এই অঞ্চলটাকে বুজায়।এটে মঙ্গোলীয় জনগোষ্ঠীৰ মানষিলা বসত কৰছিল। কুমাৰ ভাস্কৰ বৰ্মনেৰ ৰাজত্বেৰ সমায় হিউয়েনচাঙ ইমাৰ ৰাজ্যত আসিয়া





্য কৰিল -ইমাৰ ভাষা মধ্যভাৰতেৰ ভাষত থাকিয়া আলদা। হিয়েনচাঙেৰ এই উক্তিটায় াৰক্ত অঞ্চেলেৰ ভাষা সম্বন্ধে প্রথম উক্তি। এটা নিশ্চয় প্রাচীন কামৰূপেৰ পশ্চিম লেৰ ভাযাকে বুজায়। প্রাচীন কামৰূপেৰ পশ্চিম অঞ্চলত বসত কৰা জনগোষ্ঠী আৰ ৰ ভাষাৰ বিষয়ে আমৰা সহজে-অনুমান কৰিবাৰ পাই যে প্রাচীন কামৰূপেৰ পশ্চিম লত মঙ্গোলীয় জনগোষ্ঠীয়ে হিন্দু ধৰ্ম্ম নিয়া আৰ্য ভাষা গ্রহন কৰে। ইম্রা নিজেৰ ভাষা য়া আৰ্য ভাষা গ্ৰহণ কৰাৰ প্ৰমান স্বৰূপ আম্রা সেই সময়কাৰ লেখা তাম্রলিপি গুলানেৰ উল্লেখ কৰিব পাই। তাম্রলিপিগুলাত সংস্কৃত ভাষাৰ সাথত কতগুলা ভাষাৰ কথিত ঢুকি গেইছে। এই কথিত ভাষাৰ নাম অসমীয়া পণ্ডিতেৰ মতে এটা অসমীয়া ভাষাৰ নতম ৰূপ আৰ বাঙালী পণ্ডিতেৰ মতে প্ৰাচীন বাংলা বা কামৰূপী বাংলা।

প্রীচীন অসমীয়া বা বাংলা বুলিয়া অসমীয়া, বাংলী পণ্ডিতে দাবী কইল্লেও উক্ত ঞ্চলেৰ ভাষাৰ একটা আলাদা নামকৰন কৰা হৈছে। ভাষা বিধ গ্রিয়াৰসেন গোয়ালপাৰা উত্তৰ বঙ্গেৰ ভাষাতাকে 'ৰাজবংশী' ভাষা বুলিয়া নাম কৰন কৰিছে। তিব্বত আৰ আৰ্য াৰ মিলনত যেটা ভাষাৰ সৃষ্টি হছিল সেই ভাষাটাৰ সংস্কৃত নাম 'ৰাজবংসী ভাষা' অৰ্থাৎ ণ তন্ত্রাদিত উল্লেখ কৰা কুবাচ, বা পৈশাসিক বা ম্লেচ্ছ ভাষাৰ সাথত পৰবৰ্তী আৰ্য াৰ নানান উপাদানেৰ সংমিশ্রনত আলাদাভাবে গড় নেওয়া একটা ভাষা। প্রাচীন কামৰূপ জ্যৰ পশ্চিম অঞ্চলত এই ভাষায় পৃথক ভাবে গড় নেয়। হিউয়েনচাঙেৰ উক্তিয়ে ইয়াৰ ন। অবশ্যে আস্তে আস্তে তিব্বত ধৰ্মীয় খেও আৰ্য ভাষাৰ প্রভাবত হাৰেয়া যাবাৰ ধৰে।

প্রাচীন কামৰূপ ৰাজ্যেৰ পশ্চিম অঞ্চল মঙ্গোলীয় জনগোষ্ঠীৰ গৃহ ভূমি। খৃ: পূৰ্ব ম শতব্দী থাকি এই গোষ্ঠীৰ গোকগুলান প্রাচীন কামৰূপেৰ পশ্চিম অঞ্চলত বসত কৰিয়া ছিল। অৰ্থাৎ ব্রহ্মপুত্র উপত্যকাত বসতি স্থাপন কৰিয়া আস্তে আস্তে সাৰা অসম, উত্তৰ ত বসত কৰাৰ কথা উপৰা কওয়া হৈছে। মঙ্গোলীয় জনগোষ্ঠীৰ লোকগুলানেৰ একটা া অংশ বৰ্তমান কোচ ৰাজবংশী ক্ষত্রিয় নামে খ্যাত। ইমাৰ ভাষাৰ নাম হৈল ৰাজবংশী লেৰ ভাষা। গ্রিয়াৰসেন কোচ ৰাজবংশী সকলেৰ ভাষাকে ৰাজবংশী বুলি কওয়া কথাটা স্যান্যালেও সমৰ্থন জানায়। এই ভাষাক আম্রা অসমীয়া আৰ বাংলা ভাষাৰ জাননী য়া কবাৰ পাই অথবা এই দুইটা ভাষাৰ প্রাচীন ৰূপ হিসাপে ৰাজবংশী ভাষাৰ গুৰুত্ব নক। প্রাচীন কাল থাকিয়া কোচ ৰাজত্বেৰ শেষ পৰ্যন্ত অসমখান কামৰূপ নামে খ্যাত ছিলেক। প্রাচীন কামৰূপ ৰাজ্যয় কোচবিহাৰক ধৰিয়া সাৰা উত্তৰবঙ্গ আৰ বঙ্গদেশেৰ পুৰ আৰ জলপাইগুৰি জিলাকো সাংৰে নিছিলেক। কালিকা পুৰাণ আৰ যোগিণী তন্ত্র মতে তোয়া নদী ইয়াৰ পশ্চিমেৰ স্থায়ী সীমানা আছিল। সুনীতি কুমাৰ চটোপাধ্যায়ে পূৰ্ব মাগধী কৃতক চাইট্রা উপভাষাত ভাগেয়া অসমীয়া ভাষা আৰ উত্তৰবঙ্গেৰ উপভাষাগুলাক সাংৰে মৰূপী উপভাষা নাম দিছে। বাণীকান্ত কাকতিয়ে উত্তৰ বঙ্গ আৰ পশ্চিম অসমেৰ কথিত

ভাষাটাকে মূলত: একে আৰ ইয়াক একটা উপ ভাষাৰ সমষ্টি যেনে নাগে বুলিয়া কয়। দেবানন্দ ভৰালীৰ ভাষাত -'গোয়ালপাৰা ৰংপুৰ আৰ কোচবিহাৰ বঙ্গদেশেৰ নবাবেৰ অধীনত যাওয়াত বঙ্গদেশেৰ ভাষা ষ্টাণ্ডাৰ্ড ভাষা ৰূপে প্ৰচাৰ হবাৰ সুবিধা পাইল। তথাপি সৰ্ব সাধাৰণেৰ ভিতিৰা অসমীয়া ভাষা ঘৰোয়া ভাষা হিসাবে থাকিল। সম্প্ৰতি সেই ঘৰোয়া ভাষ্যতাকে ত্ৰমে বাংলা শব্দাদী প্ৰবেশ কৰাৰ বাদে দুই ভাষা মিশাল হয়, এলা সেই মিশ্ৰিত ভাষাটাকে 'ৰাজবংশী' বুলিয়া কয়।

অসমীয়া আৰ বাংলা ভাষাৰ বৈশিষ্ট্য থাকা ৰাজবংশী একটা স্বতন্ত্ৰ ভাষা। কিছু পণ্ডিতেৰ মুখত বৰ্ত্তমান বাংলা আৰ অসমীয়া ভাষাৰ উপভাষা বুলিয়া পৰিচিত। উত্তৰবঙ্গ আৰ গোয়ালপাৰাৰ উপৰন্ত বাংলা দেশেৰ ৰংপুৰ, উৰিষ্যাৰ সম্বলপুৰ, অসমেৰ দৰং জিলাতো এই ভাষাৰ বৈশিষ্ট্য থাকা কথা কওয়া মানসি আছে। সম্প্ৰতি ৰাজবংশী ভাষা খালি কোচ ৰাজবংশী ক্ষত্ৰিয় মানসিগুলাৰ ভাষা হয়ায় থাকে নাই। গোয়ালপাৰা আৰ উত্তৰবঙ্গেৰ সৌগ সম্প্ৰদায়েৰ এটা কথিত ভাষা। উক্ত অঞ্চলত বসত কৰা স্থানীয় সৌগ লোকে ৰাজবংশী ভাষাত কথা কয়। ৰাজবংশী ভাষাক ধ্বনিগত, ৰূপগত, শব্দগত আদি বৈশিষ্ট্যয় আধুনিক বাংলা আৰ অসমীয়া ভাষাৰ থাকি সম্পূৰ্ণ আলদা কৰিছে। সেই জন্যে এই ভাষা নিজস্ব বৈশিষ্ট্য দিয়া মাহিমামণ্ডিত বুলিয়া কবাৰ পাই।

প্ৰাচীন কামৰূপ ৰাজ্যেৰ হিন্দু ধৰ্ম্ম মেওয়া মঙ্গোলীয় ৰাজাগুলানেৰ তাম্ৰ পত্ৰত ব্যবহাৰ হওয়া কতগুলে ৰূপে এই ভাষাৰ আলদা গড় নেওয়াৰ কথাটা স্পষ্ট কৰিয়া তোলে। তাম্ৰপত্ৰত ব্যবহাৰ হওয়া কতগুলা শব্দ আজিও গোয়ালপাৰা আৰ উত্তৰবঙ্গত ব্যবহাৰ হয়া আছে। যেমন – কালিয়া, কুয়া, জোল, ভাতাৰ, ঝৰি, পাকটি, পাকৰি। হিঞ্চল, হাথী, হস্তি ইত্যাদি।

তাম্ৰলিপিৰ সাথতে চৰ্যাপদ আৰ পৰে কামতাপুৰত ৰচিত হওয়া সাহিত্য গুলানত ৰাজবংশী ভাষাৰ অনেক নিদৰ্শন আছে। গ্ৰিয়াৰসনে ৰাজবংশী ভাষা কওয়া লোক সংখ্যা জলপাইগুৰি ৰংপুৰ, কোচবিহাৰ, দাৰ্জিলিং, গোয়ালপাৰা মিলিয়া সৰ্বমুঠ – ৩,৫০৯,১৭১ জন বুলিয়া কৈছে। এই সংখ্যা দেওয়া গ্ৰিয়াৰসনেৰ Linguistic survey of India, vol-V এই খান প্ৰকাশ হৈছিল ১৯০৩ খৃ:ত। ১৯০১ খৃ:ৰ লোকপিয়ল মতে অবিভক্ত ভাৰতেৰ জনসংখ্যা আছিলেক ২৩.৮৩ কোটা অৰ্থাৎ ২৩৮,৩ বিলিয়ন। পৰায় ২৪ কোটি জনসংখ্যাৰ ভিতিৰা ৩৫ লক্ষেৰ উপৰালোক ৰাজবংশী ভাষাত কথা কৈছিলেক। বৰ্ত্তমান ৰাজবংশী ভাষাৰ জৰীপ কৰিলে হয়তো এই সংখ্যা গোয়ালপাৰা আৰ উত্তৰবঙ্গ অঞ্চত কম হেবে। আধুনীক অসমীয়া আৰ বাংলা ভাষাৰ ঠেলাত এই ভাষাৰ কমোৰ ভাইংছে যদিও প্ৰাচীনতম নিদৰ্শন হিচাবে এটা বাংলাত থাকি অসমীয়াৰ বেশী নিকটবৰ্তী।





প্ৰবন্ধ

# "কোচ-ৰাজবংশী জন-জাতিৰ ক্ৰমবিবৰ্ত্তন"

শ্ৰী অনিল কুমাৰ বৰ্মন

নাওঁ এখান কুঁৰাত পাৰলে যেমুন একবাৰ ভাসে, একবাৰ ডুৱে সেই মতে কোচৰাজবংশী জাতিটাও ডুবা ভাসাৰ মাজদিয়া টুলুং-টুপুং কৰিয়া কনো কুল কিনাৰা নাপায় অথাও জলেৰ মাজত ভাসিয়া আছে। বুঢ়া লোকেৰ কথা "গাং মোল্যেও ৰেখ থাকে।" কোচ-ৰাজবংশী জাতিটাও এককাল পৰাক্ৰমী থাকিলেও কালেৰ কুটিলা গতিত পৰি একটা সুঁতি মৰিয়া আৰ একটা সুঁতিৰ সাথত মিলিয়া নাম পৰিৱৰ্ত্তন হইলেও আপোন সুঁতিৰ ৰেখ একেবাৰে নিচ্ছিন্ন হয়া যায় নাই। এলাও গেৰামে গঞ্জে দ্যাখা যায় সেই আগেকাৰ আদিম শৈব আৰ জঙলা সংস্কৃতি। যাক আজিৰ নব্য আৰ্য্য সমাজে ঘিন্না কৰে।

ভাৰত বৰ্ষত বহু শতাব্দি ধৰিয়া চলা হিন্দুকৰন প্ৰক্ৰিয়াৰ ফলে অনেক গোষ্ঠীৰ লোকে জনজাতীয় আচাৰ-বিচাৰ ত্যাগ কৰিয়া হিন্দু সমাজত সোমেয়া পইৰছিল। এই গোষ্ঠীয় লোক গিলান তখন কাৰ তান্ত্ৰিকতা পূৰ্ণ বৌদ্ধ ধৰ্ম্ম আৰ শাস্ত্ৰৰ ম্লেচ ভাবাপন্ন ধৰ্ম্ম ত্যাগ কৰিয়া ৰাজহুৱা ভাবে বিশ্ব সিংহৰ দিনতে হিন্দু ধৰ্ম্ম গ্ৰহণ কৰা কথা বৰঞ্জীয়ে কয়। পাছেৰ কালেৰ বৈদিক হিন্দুধৰ্ম্মেৰ প্ৰবল হেচাত পৰিয়াও কোচ ৰাজবংশী গোষ্ঠীৰ মাজত আদিম সংস্কৃতিৰ একেবাৰে বিলুপ্তি ঘটে নাই। প্ৰাচীন স্মৃতি লীলা পৰিবৰ্ত্তনেৰ মাজদিয়া আদিও প্ৰচলন আছে।

## মদনকাম

কোচৰাজবংশী জানগোষ্ঠীৰ শিৱেই আছিল মূল দেবতা। বৰ্ত্তমানো এই গোষ্ঠীৰ মানসি গিলানে শিৱক প্ৰাচীন ৰীতিত মদন কামেৰ পূজা, বাঁশ পূজা বুঢ়া ঠাকুৰেৰ পূজা আৰ মদন মোহনেৰ পূজা গিলান বৰ্ত্তমানেৰ বৈদিক মন্ত্ৰ নাহোৰা কৰিয়া লোকচাৰ দেশাকাৰ মতে পাতা দেখা যায়। মদন কাম পূজাৰ গান, বাঁশ পূজাৰ গান, মাৰৈ পূজাৰ গান স্থানীয় ভাষাত আনুষ্ঠানিক ভাবে গীদাল গিলানে গাওৱা দেখা যায়। পূজাৰ জেন্য বাঁশ কাটাৰ পাছত বাঁশ ডালেৰ গঢ়াৰ দুই হাত খানেক একটা শিবলিংগ বানেয়া থয়। বাকী থাকা অংশ খিনিক আগালি সহ বেদীত



OKDISCD

থাপনা কৰা হ ... লিঙ্গটা পূজাৰ ... সিন্দুৰ লাগেয়া আগালিত লটকেয়া ৰাখা হয়। অবিভক্ত গোৱালপাৰা জিলাত অনেক গাওঁত এলাও এই মদন কাযেৰ পূজা প্ৰচনল আছে। আৰ বাঁশ ডালত পুৰানা জাকা, খৈলে. নাঙল চাঙালি লটকেয়া পূজা কৰা দেখা যায়।

## বিযোহৰি ঠাকুৰ মাৰৈ

কোচ ৰাজবংশী গিলানে শিৱ কন্যা মনসা অবৈদিক দেৱীক নানা ধৰনে পূজা কৰে। মাৰৈ, গোটা মাৰৈ, বিযোহৰি কাল বিষোহৰি, পদ্মা মনসা, আৰ আজঙ্গৰ ইত্যাদি নানা ৰূপে পূজা অৰ্চনা কৰা দেখা যায়। বঙ্গ, ৰংপুৰ আৰ আসামত মনসা নাগমাতা বুলিয়া স্তুতি কৰা হয়। মহাভাৰতত নাগমাতা হৈল কাশ্যপ ঋষিৰ অন্যতমা পত্মী কদ্রূ। ব্ৰহ্মবৈবৰ্ত্তপূৰাণ আৰ দেৱী ভাগবত পূৰান মতে- মনসা দেৱীৰ জন্ম হৈছিল মহৰ্ষি কাশ্যপেৰ মনেৰ থাকিয়া। সেই জৈন্য দেবী জনাৰ নাম মনসা।

বৈদিক দেবতা ইন্দ্ৰয় মনসাক শ্ৰদ্ধা কৰিয়া উষা-অনিৰুদ্ধক অ'ৰ হাতত গতেয়া দেওআ আৰ চন্দ্ৰ ধৰেৰ (চান্দ সদাগৰ) ৰ ডিঙা ডুবাৰ বেলা দেবেন্দ্ৰয় মনসাক সহায় কৰা আৰু উষা অনিৰুদ্ধক জলন্ত চিতাত ভস্ম কৰি বৈদিক দেবতা যমক পৰায়জ কৰি উষা-অনিৰুদ্ধৰ জীউ দুইটা নিজেৰ হাতত আনিয়া বৈদিক দেবতাৰ উৰ্দ্ধত নিজকে প্ৰতিষ্ঠা কৰাৰ জৈন্য বৈদিক দেবতাৰ শাৰীত স্থান লাভ কৰা সক্ষম হৈল। যাক ৰাজবংশী গিলানে আইজকাও প্ৰাচীন প্ৰথাৰে পূজা অৰ্চনা কৰে।

## সোনাৰায়

ব্ৰহ্মপুত্ৰ উপত্যকাত বিশেষ কৰিয়া কোকৰাঝাৰ, ধুবুৰী, গোৱালপাৰাৰ দক্ষিণপাৰ আৰ উত্তৰ বঙ্গৰো আদেক অঞ্চত গোটায় পুষ মাসটা সোনাৰায় ঠাকুৰেৰ গান গায়া কোচ-ৰাজবংশী চেংৰা গিলানে বাৰী- বাৰী সোনাৰায় মাগন কৰি বেৰায়। সোনাৰায় দল বান্ধিয়া যাৱাৰ সময় একজনেৰ ঘাৰত 'মদুৱা বা বাঁশেৰ চিকনাৰ তৈয়াৰ কৰা চিকন দীঘলে ৫/৬ হাত মতন সাও খান ডোৰ লাগা ছিপত বান্দি নেওৱা হয়। তাতে কষ্টাৰ ফুলসাজেয়া ঘাৰৰ ফাথালি খৰি নেওৱা হয়। মুল গীদালেৰ সাথত চোঁৰৰ ব্যাৱহাৰ কৰা হয়। চেংৰাক চেংৰী সাজেয়াএই গান গাওআ হয়। খোল, জুৰী, আৰ মূখা বাশী সোনাৰয় গানত মূখ্য বাদ্য যন্ত্ৰ। ঘৰে ঘৰে মাগয়িা আনা ধান, চাউল, টাকা-কাঢ়ি পুযনাৰ আগেৰ দিনকা বাখৰাত ঝাৰবাৰীত কিংবা নদীৰ পাৰত সোনাৰায় পূজা কৰা হয়। ঘাৰত নেওআ ফুল লাগা শ'ৰ কয়ডাল একলগ কৰিয়া গঢ়াটা মাটিত পোতেয়া সেনাৰয় ঠুকুৰেৰ থান দেওৱা হয়। পুজাৰ শেষত এই বুলিয়া কোৱা হয় - "সোনাৰায় সোনাৰয় জঙলে মঙলে কুশল কুশল।" গৰু চৰা ৰাখল গিলানে ব্যাঘ্ৰ দেবতা হিচাবে গৰু-বাছুৰ,ভৈছ ৰক্ষা কৰা আৰ গো-বৃদ্ধি শষ্য বৃদ্ধি ইত্যাদিৰ কামনা কৰিয়া সোনাৰায় ঠাকুৰ প্ৰাচীন ৰীতি নিতি মতে পূজা কৰে আৰ পুযনাত ৰাখাল ভাত খায়।





আজিৰ নব্য সমাজত সংমিশ্ৰিত সংস্কৃতিৰ ৰূপ ঘিৰিয়া ধৰিলেও ৰাজবংশী গিলানে পশ্চিম আসামত অনেক পৰম্পৰা আছে যিগিলান এ্যলাও ধৰিয়া আছে। যেমুন নদীৰ পাৰত ভেলা বান্ধিয়া কেচাইখাতী বা শিতলা পূজা, বাৰীৰ আগিলাত বিন্নাৰ থোপাত জোকা-জুকুনী পূজা বা বুঢ়াবুঢ়ী পূজা অনেক গাওঁত বৰ্ত্তি আছে। গাওঁ গিলানত দশৰুনী থানত শৈব, শাক্ত আৰ বৈষওকেৰ খেৰেৰ ঘৰ বান্ধিয়া একত্ৰিত ভাবে কালী ঠাকুৰেৰ থানো আছে। এৰ উপুৰাও নানা প্ৰকাৰেৰ দেও মাশানেৰ পূজা এখনো উঠিয়া যায় নাই।

১৯৭৭ সনেৰ "অসম সাহিত্য সভাৰ" স্মৃতিগ্ৰন্থ খানত প্ৰকাশিত চিফুং বাহীৰ সুৰত" নামেৰ প্ৰবন্ধত শ্ৰীইষ্ট প্ৰসাদ ব্ৰহ্ম শ্ৰীঅম্বিকা চৰণ চৌধৰীৰ উক্তিক সমৰ্থন জানেয়া এই বুলিয়া কৈছে - "উত্তৰ বিহাৰেৰ এক কালেৰ ক্ষমতা শালী জাতি লিচ্ছৱি গিলানো আদিতে চীন, তিবৃত ভায্য গোষ্ঠীৰ আদিম অধিবাসী আছিল বুলি পণ্ডিত গিলানে অনুমান কৰে আৰ উমিৰা পাছত ৰাজবংশ বুলি পৰিচয় দেয়।" ঠিক তেমুন কোচ ৰাজবংশী গিলানো ক্ৰম বিৱৰ্তন হয়া ৰাজবংশী জাতিত পৰিণত হয়। বুকানন আৰ গেইট চাহাবে কোচ ৰাজবংশী গিলানেৰ গাৰ ৰং আৰ মঙ্গোলীয় গোষ্ঠীৰ গাৰ ৰং আলাদা দেখা পাইলেও পাৰ্ব্বত্য আৰ ভৈয়ামেৰ জীবন ধাৰনেৰ ঢং দেখিয়া মঙ্গোলীয় গোষ্ঠীৰ মানসি বুলিয়া মতামত দিয়া থুয়া গেইছে। যায় কুনো হউক না কেনে কোচ ৰাজবংশী গিলান এক কালত পৰাক্ৰম থাকা জনজাতি আছিলেক। পাছেৰ কালত এই জনগোষ্ঠীটা শঙ্কৰাচাৰ্য্য, চৌতন্য আৰ শঙ্কৰদেবেৰ যুগত আৰ ভাৰতেৰ হিন্দুকৰণ প্ৰক্ৰিয়াৰ ফলে সংস্কৃতিৰ ৰূপ পৰিৱৰ্ত্তন হয়। পাছেৰ কালত এই জনগোষ্ঠীটাৰ সম্বন্ধে নেতৃত্ব বিজ্ঞানী গিলানে এই বুলিয়া মত ব্যক্ত কৰি থুয়া গেইছে The Rajhbonshi of North Bangal have became a caste and adopted Hindu Gotro's" (An Introduction to Social Anthropolozy. 1952) ডঃ ডি, এন, মজুমদাৰ আৰ টি. এন. মদন (পৃঃ-২২৭)। এৰ পৰায় অনুমান হয় দেশোদ্ভৱ কোচ ৰাজবংশী গিলান বৰ্ত্তমানেৰ হিন্দু নাছিল। হিন্দুকৰণ প্ৰক্ৰিয়াৰ ফলে হিন্দুগোত্ৰত যোগদান কইৰাছিল।

প্ৰাচীন কোচ ৰাজ্যত আদেক সম্ভ্ৰান্ত জমিদাৰ শ্ৰেনীৰ ক্ষত্ৰিয়ত্ব লাভ কৰা ব্যাক্তি আৰ উমাৰ গুলাৰ পৰিয়ালেৰ লোক বৈদিক ধৰ্ম্ম চৰ্চা কৰি থাকাত এই বৈষ্ণৱ ধৰ্ম্মেৰ প্ৰতি আকৃষ্ট হয়। উমৰা গুলান শাস্ত্ৰ বেদ বেদান্ত অধ্যায়ন। কৰি বৈষ্ণৱ নাম ধৰ্ময় মূল মন্ত্ৰ বুলিয়া চৈতন্য প্ৰভুৰ ওচৰত শৰনা পন্ন হয়। উমৰা প্ৰভুৰ পাৰ্ষদ গিলানেৰ সহযোগত আধ্যাত্মিক তত্ব জ্ঞান সম্পন্ন বৈষ্ণৱ হয়া দীক্ষা শিক্ষা দেওৱা দৰ্ম্মপ্ৰচাৰ কৰিবাৰ বৈষ্ণৱ সমাজত অধিকাৰ প্ৰাপ্ত হয়। ব্ৰাত্য হিচাবে গন্য লোক গিলান উমা গিলানক স্বজাতীয় শাস্ত্ৰজ্ঞ পণ্ডিত হিচাবে গন্য কইৰছিল। ব্ৰাহ্মন গুৰুৰ মতো উমৰা সামাজিক বিধান মতে কেবল দীক্ষা শিক্ষা আৰ বৈষ্ণৱ (ৰাধা কৃষ্ণ) পূজা অৰ্চনা কৰায় এক মাত্ৰ কৰ্ম আছিল।

“ব্রা    ভাবে হয় পুৰে    ন্য।
অ কাৰী স্থিৰ কৰি কৰে নানা পুন্য।।
শাস্ত্রৰ স্বাজাতি দেখি অধিকাৰী কাছে।
ধৰ্মা কৰ্ম শিক্ষা দীক্ষা নেয় তাৰ কাছে।।
ব্রাহ্মানেৰ ক্রিয়া কাণ্ড নেয় অধিকাৰী।
তুলসী মণ্ডপে পূজা দেয় বাৰী বাৰী।।
বেদাচাৰে আছে মতো দশোবিধ কৰ্ম্ম।
অধিকাৰী দ্বাৰা পালে সাধ্যমত ধৰ্ম।।”

(কুচবিহাৰ ৰাজ বংশধৰ চন্দ্ৰধৰ কাৰ্জ্জীয়ে ভূটান ৰাজ দৰবাৰেৰ থাকিয়া সংগ্রহিত মহাৰাজ শিবেন্দ্র নাৰায়নেৰ দিনত হাতে লেখা পুথিৰ থাকিয়া সংগহিত। সংগ্রাহক উপেন্দ্র সৰকাৰ- “নয়াজ্যোতি”)

কোচ ৰাজবংশী গিলান হিন্দুধৰ্মত যোগদান কৰাৰ পাছত উমাৰ গোত্র পৰিবৰ্ত্তন হোৱাটা খাটাং। সেই জৈন্যে এই গোষ্ঠীৰ লোকগিলানেৰ গোত্র শব্দয় আদি গুৰু বুলিমানি নেয়। ফলে নিজেৰ বংশ গোত্র হাৰেয়া যায়। বৰ্ত্তমান কোচ ৰাজবংশী গিলানেৰ বংশ গোত্র এই ধৰনেৰ -

“চন্দ্র সুৰ্য্য দুই বংশ ভেদ কৰিবাৰে।
প্ৰমান হৈবে তাহা তুলসী গোচৰে।।
অঙ্গনেৰ ডান ভাগে তুলসী দেখিকে।
সুৰ্য্য বংশী বুলিয়া তাহাকে চিনিবে।।
বাম দিকে অঙ্গনেৰ তুলসী ৰোপন।
চন্দ্র বংশ বুলিয়া জানিবে সৰ্ব্বজন।।
ভৰদ্বাজ, গৌতম ও বাৎস্য আলাস্যান।
কাশ্যপ গোত্র এদেৰ বিদিত ভূবন।।
(কামতা ৰাইজ্য পৌণ্ড্ৰ ক্ষত্ৰিয় উপেন সৰকাৰেৰ “নয়া জ্যোতি আলোচনীত প্রকাশিত)

বৰ্ত্তমান কোচ ৰাজবংশী গিলানেৰ গোটায় খানে ‘কাশ্যপ’ গোত্র বুলিয়া মানিয়া আছে। শাস্ত্র পুৰাণ গিলানত পাওআ যায় কাশ্যপ হৈল মৰিচি আৰ ব্ৰহ্মাৰ বেটা আৰ বিৰস্ততৰ পিতৃ। মতেপত ব্রাহ্মানেৰ মতে - কাশ্যপ শব্দৰ অৰ্থ ‘কাছ’। সউগ জীৱে অ'ৰ ছাওঁআ ছটো। কাশ্যপেৰ দশ পৰিবাৰেৰ থাকিয়া হতো প্ৰানীৰ উৎপত্তি হৈছে। সেই জৈন্যে অ'ক সমস্ত সৃষ্ঠিৰ পিতৃ বুলিয়া মান্য কৰে।





ধৰ্মান্তৰ হয়া আৰো নানান কাৰন বশত: আদিম পৰিচয় হাৰেয়া ক্রমাগত ভাবে এই গোষ্ঠীৰ লোক গিলানো নিজেৰ পৰিচয় দেওআত বাধাৰ সন্মুখিন হয়া ঘাটে ঘাটে ব্যাৰ্থ হৈছে। সেই গিলানেৰ কাৰন কিছু দাঙিয়া ধৰা হৈল।

(১) একটা সময় ভাৰত বৰ্ষত হিন্দু গিলানেৰ বৰ্ণ বৈষম্যত উচ্চ বৰ্ণৰ বাইৰে নিম্নবৰ্ণ বা জন জাতিৰ লোক গিলানেৰ জীবন যাত্ৰাত একটা সংকটময় অৱস্থাত পইৰছিল। উমৰা বাচি থাকিয়াও মৃত্যুৰ সমতুলা হয়া পইৰছিল। সেই সময় এমুন একটা পৰিস্তিতিৰ সৃষ্টি হৈছিল যেঠাই কেবল উচ্চ বৰ্ণয় সেন্ত শিক্ষা দীক্ষা আৰ সামাজিক জীবন যাত্ৰাত জাতি ভেদেৰ থাকিয়া ৰেহাই পাইছিল। সেইজৈন্যে জনজাতীয় লোক গিলান হিন্দু ধৰ্ম্মত অন্তৰ্ভূক্ত হয়া নিজেৰ বাপ কালানি জন জাতীয় নাম বাদ দিয়া নিজকে হিন্দু ধৰ্ম্মৰ যোগদান কৰি উচ্চ বৰ্ণৰ সাথত মিলি যাবাৰ চেষ্ঠা কইৰাছি।

(২) আদিম অধিবাসী জনজাতী নেতৃত্ব প্ৰধান কোচ ৰাজবংশী আদেক স্বতন্ত্ৰ শাসন ক্ষমতা থাকাৰ জৈন্যে বামুন পুৰোহিতেৰ সুত্ৰে উচ্চ জাতিত চিহ্নিত হৈছিল।

(৩) তাৰ ফলে আদেক সংখ্যক ৰাজবংশী নিজেৰ প্ৰাচীন জনজাতীয় সংস্কৃতি স্ব-ইচ্ছায় পৰিত্যাগ কৰিয়া হিন্দু শ্ৰেণীত অন্তৰ্ভূক্ত হৈছিল।

(৪) কুনো কুনো ৰাজবংশীয়ে নিজা নিজা ভাবত অন্য নিৰ্দ্দিষ্ট জাতিৰ গোত্র বা কুলত সংলগ্ন হৈছিল। পাছত সৈই কুলতে বিয়া-বাৰ্ু কৰেয়া পিতৃ-কুল হাৰেয়া ফেলাইছে।

উপুৰা উল্লেখ খৰা কাৰন গিলানেৰ বাইৰেও অবৈদিক প্ৰকৃতিৰ পূজা সংস্কৃতি, জীবন ধাৰনেৰ সংস্কৃতি, খাওন দাওন আৰ পিন্ধা উৰাৰ ফালে লক্ষ্য কৰিয়া ডঃ ৰিচ্‌লেৰ বক্তব্যত প্ৰকাশ পাইছে -

"On facial apearence on anthropomotical observation holds that the Rajbongshi are Koches and that they are drayoidianrace with suspician of Mongolian admixure (Chapter-III page-39, Eastern Bangal & Assam District Gazetears Rangpur by. JA. Vas 1911)

ভাৰতেৰ নেতৃত্ব বিজ্ঞানী (Anthropolzer) গুহ'য় ভাৰতেৰ জাতিগত সংমিশ্ৰিত (Racial Compossission) Tribal (জনজাতি) গিলানক ৪ চাইৰটা শ্ৰেণীত ভাগ কইৰছিল। অ'ৰে ৪ চাইৰ নং ভাগটা এই ধৰনেৰ -

(4) A Slightly different Mongoliod Type with midian stature, high head and Midian nose, Living in the Brahmaputra Vally (An Introduction to Social Anthropolozcy 1952)

প্ৰাচীন ভাৰতেৰ শেষ প্ৰধান ভাতৃ ঘাতী কুৰুক্ষেত্ৰ যুদ্ধত প্ৰাচীন ভাৰতেৰ কীৰ্ত্তি চিহ্ন

আৰ পৰম্পৰা হাৰেয়া সগাৰে থান বান নাহোৱা হৈছে। পৰবৰ্ত্তী মাজেৰ কালখিনিৰ কুনো ধাৰাবাহিক বুৰঞ্জী নাথাকাত অনুমানেৰ উপুৰা ভিত্তি কৰিয়া পণ্ডিত আৰ বুৰঞ্জীবিদ গিলানে আদেক নিৰ্নয় নেওআত আসল স্বৰূপটা ধৰাত টান হয়া পৰাটা স্বাভাবিক। প্ৰাচীন ভাৰতত শৈব, শাক্ত বৈষ্ণৱ, জৈন আৰ বৌদ্ধ আদি অনেক ধৰ্ম্মেৰ মিলন ঘটাত অবতাৰ বাদী পণ্ডিত গিলান নিজা ধৰ্ম্ম প্ৰতিষ্ঠা লাভ কৰাৰ জৈন্য চেষ্ঠা চলেয়া আছিলেক। ঐ সময় সফল আৰ পৰাক্ৰমী ৰাজবংশী গিলান হিন্দুধৰ্মত অন্তৰ্ভূক্ত হওআত বাকী গিলানক শাস্ত্ৰত ব্ৰাত্য, কোচ, কুবাচ, অনাৰ্য্য কিৰাত যবন ইত্যাদি নানান নামাকৰন কৰিয়া ব্যাখ্যা কৰাত মৰ্য্যদাও ঠিক অমন ধৰনে ভাগ কৰা হৈছিল। নানান উত্থান পতনেৰ পাছত ব্ৰহ্মপুত্ৰ উপত্যক্যাত কোচ ৰাজবংশী গিলান অতীত আৰ বৰ্ত্তমানো সংমিশ্ৰিত ৰূপ নিয়া বসবাস কৰিয়া আছে।

কুৰি শতিকাৰ শেষ দশকটাৰ কোচ ৰাজবংশী জনগোষ্ঠীটাৰ উত্থানেৰ দশক হিচাবে ইতিহাসত চিহ্নিত হয়া থাকিব। কাৰণ ৪ (চাইৰ) বাৰ কৰিয়া মহান ভাৰতবৰ্ষেৰ ৰাষ্ট্ৰপতিৰ আধ্যাদেশেৰ দ্বাৰা এই পাছপৰা লাঞ্চিত জাতিটাৰ উন্মতিৰ জন্য জনজাতিৰ মৰ্য্যাদা লাভ কৰিয়াও স ংবিধানিক কুঁৰাৰ মেৰ পাকত পৰিয়া আটাকিয়া ৰৈছে। এই টায় জনগোষ্ঠীটাৰ লোক গিলানেৰ চৰম দুৰ্ভাগ্য।

অসম সাহিত্য সভা গঠন হাওআৰ থাকিয়া পশ্চিম অসমেৰ অবিভক্ত গোৱালপাৰা জিলাত নানান যাগাত ৯(নয়)বাৰ কৰিয়া অসম সাহিত্য সভা ধুম ধাম কৰি পালন হৈছে। এই সাহিত্য সভা গিলানত আসামেৰ বিশিষ্ট সাহিতিক গবেষক কবি, বুৰঞ্জীবিদ আৰ অনেক ৰাজনৈতিক গিলাক উপস্থিত হয়া গোৱাল পাৰা সম্বন্ধে উন্নতিৰ অনেক ধৰনেৰ মূলত মিঠা কথা কয়ায় সাৰে। সেইজৈন্য অসম সাহিত্য সভাৰ ৩৯তম ধুবুড়ী অধিবেশনেৰ স্মৃতিগ্ৰন্থ খানত "গোৱালপাৰা জিলাৰ লিখক গোষ্ঠী" নামেৰ প্ৰবন্ধও শ্ৰীশুভানন্দ চক্ৰবৰ্ত্তী মহাশয়ে আক্ষেপ কৰিয়া কৈছিল - "গোৱালপাৰা জিলাক বাদ দি অসমীয়াৰ উন্নতি অসম্পূৰ্ণ, সংকীৰ্ণ আৰু ঠেক। এই বহল দৃষ্টি ভঙ্গিৰ অভাবে অসম ভাঙি টুকৰা টুকুৰ হব ধৰিছে। গোৱালপাৰাত প্ৰতি অবহেলাৰ কাৰনেই জনজাতীয়া অঞ্চলেৰ দাবী কমতাপুৰেৰ দাবী... উদ্ভব হৈছে।" কাৰন গোৱালপাৰা জিলাৰ অন্য সম্প্ৰদায়েৰ সাথত কোচ ৰাজবংশী গোষ্ঠীটাৰ ভাব ভাষা, শিল্পকলা, স্থাপত্য, ভাস্কৰ্য্য গিলানেৰ উদ্ধাৰেৰ চকুত নাপৰে। কোচ ৰাজেৰ শেষ আৰ গৌৰবছল মহাৰাজ নৰনাৰায়নেৰ ৰাজত্ব কালত অ'ৰ একনিষ্ঠ কৰ্মানিষ্ঠ ভাতৃ কমল নাৰায়নে একে বছৰতে নিৰ্ম্মান কৰা "গোহাই কমল আলি" নামেৰ ৰাস্তাটা চিনাক্ত আৰপুৰ্ণ্যদ্বাৰ কৰিয়া সৰকাৰী ভাবে নামাকৰন কৰাইলে প্ৰাচীন ইতিহাসেৰ সাথত অসমেৰো গৌৰব বাড়িব।

***



প্ৰবন্ধ

# কোচ-ৰাজবংশী জীৱন ধাৰাৰ পৰিবৰ্তন

নিৰদেন্দু ৰায



"চক্ৰৱৎ পৰিবৰ্ত্তন্তে দু:খানি চ সুখানি"

সময়েৰ চাকা ঘুৰিয়ায় আছে। ইতিহাসেৰো পাত উলটিয়া আছে। লগে লগে আমাৰ জীৱন ধাৰণেৰ অৱস্থাত বদলিয়া আছে। জাতিৰ বা দেশেৰ গৌৰৱময় ঐ ঐতিহ্য ঐ ইতিহাস কালেৰ বুকুত নহোৱা হৈছে। আমি তাক ৰক্ষা কৰিবা পাৰা নাই। বৰং আগুৱাৰ পৰিবৰ্ত্তে পাউচিয়া যাবা ধৰিছুং। এই ভাবে পাউচিয়া পাউচিয়া আমিৰা এখন কুন ঠাইত অৱস্থান কৰিছুং।

*"নাভুক্তাং ক্ষীয়তে কৰ্ম কল্প কোটিশ তৈৰাপি*
*অৱশ্যেমেব ভোক্তবং কৃতং কৰ্ম শুভাশুভম।"*
*—গীতা*

এখন আমিৰা এৰ্কৈশ শতাব্দৰ মানযি। আমিৰা পাৰ হয়া আসা শতিকাটাত বিজ্ঞানেৰ বহুত উন্নতি হৈছে। পৃথিবী আধুনিকেৰ পাৰা অত্যাধুনিকেৰ ফালে গতি কৰিছে। এৰ পাৰা আমি, আমাৰ সমাজ ৰক্ষা পাওয়া নাই। বিজ্ঞানেৰ আৱিস্কৃত জিনিষ গিলা আমাৰ ঘৰে ঘৰে সামায়া পৰিছে। অৰ্থাৎ জানিত বা অজানিত ভাবে বিজ্ঞানেৰ প্ৰভাব আমাৰ সমাজে গ্ৰহণ কৰিছে। এই টা ঠিক না বেঠিক ঐ কাথা ভাবাৰ আমাৰ সময় নাই- কাহয় নাভাবে-নিচিন্তে। এই কাথাও ঠিক যে আধুনিক যন্ত্ৰপাতি বাদ দিয়া আমাৰ সমাজ ব্যৱস্থাও ওচল।

*পশ্চিমে তুই তাকিয়া দেখিশ মেঘে আকাশ ভৰা*
*আনন্দে তুই পুবেৰ দিকে দেখ্না তাৰাৰ শোভা*
*- ৰবীন্দ্ৰ নাথ*

বৃটিছেৰ দিনতে আমাৰ সমাজেৰ পৰিৱৰ্ত্তন আৰাম্ভ হয়। যখনেৰ পাৰাই পাশ্চত্য ধৰনেৰ শিক্ষা আৰাম্ব হয়, তখনেৰ থাকিয়াই আমাৰ গাৱত পাশ্চত্যৰ



OKDISCD

হাওৱা লাগে। যতই শিক্ষা দীক্ষা বাঢ়িবা ধৰে ত'তই আমিৰা পাশ্চাত্য সভ্যতাৰ ফালে আউগীয় যাং। অৱশ্যে এইটা কেৱল আমাৰ সমাজেৰ ক্ষেত্ৰতে নাহয়, সব সমাজেৰ ক্ষেত্ৰতে-সাৰ দুনীয়াতে এইটা হৈছে। সমস্ত পৃথিবীৰ দেশ গিলাই এৰ পাৰা হাত সাৰিবা পায় নাই। এইট কৰা লাগিলে কুৰ শতিকাৰ বিজ্ঞানেৰ অগ্ৰগতিৰ ফল।

*নাসগে বিদ্যতে ভাবো*
*নাভাবো বিদ্যতে সতঃ।।*
*- সাংখ্য দৰ্শন*

আমাৰ দেশ স্বাধীন হবাৰ কত দিন হইল? তিৰপান্ন বছৰ। এৰ আগত আমাৰ অৱস্থা কেমন আছিল? আমাৰ সমজা ব্যৱস্থা কেমন আছিল? ঘৰ-দুৱাৰ বান্ধিতে ইট, চিমেন্ট, টিন, লোহা, আদি ব্যৱস্থাৰ কৰিছিল নাকি? নকৰিছিল। বাশবেত আৰো খেৰেৰে ঘৰ দুৱাৰ তৈয়াৰ কৰিছিল। জংগলেৰ পাৰা খেৰ কাটিয়া আনিছিল। নিজেৰ বাৰীত বাশ আছিল। ঐ বাশ দিয়া ঘৰেৰ ছাল বান্ধিছিল। বাশেৰ খুটিৰ ওপৰত ছাল বান্ধিয়া চল খেৰেৰে ঘৰ চেৱাইছিল। খিৰিকি প্ৰায় নাছিল। বাশেৰে দুৱাৰ তৈয়াৰ কৰিছিল। ইখিবা, মদুৰা বাতা খেৰ নাইবা বাশেৰে বেৰা দিছিল। ঘুমুৱাৰ জন্য চাং পাতিছিল বাশেৰে। চেয়াৰ, টেবিল, খাট, পালং, আলমিৰা আদিৰ ব্যৱস্থা নাছিল। দুই এক ঘৰেৰ খুটাৰ বা বেতেৰ বাস্ক আছিল। ঘৰেৰ সমস্ত দৰকাৰী জিনিস বাশেৰে গৰাইছিল। খাওয়া দাওয়াৰ বেলাও একে। "গাচত'চ তেল পেৰিয়া নিছিল। মাছ মসঙেৰ উপৰিও বতৰেৰ শাক পাত আলু কচু ডাইল কালাই আমাৰ প্ৰধান খাদ্য আছিল। চুৱা পোৰা, পাতৰা, শুটকা, সিদল চেকা-খাৰ, টেঙা, লাবুৰি, বেশৰ বাটা, ভত্তা সিদ্দ আদি খাদ্য মানুষে খাইছিল। হৰেক ৰকমেৰ পিঠা চিৰা, দাখা গুৰা (দাখা চিৰা) ভুত গুৰা, মুৰি, লাৰু, পণ্তা জকোৰা ভাত প্ৰিয় খাদ্য আছিল। এগুৱ তেল দিয়া বাতি জ্বলাইছিল। মাটিৰ বাচন বৰ্ত্তন আছিল প্ৰধান সামগ্ৰী। বসাৰ জন্যে পিৰা, ধাৰা আৰু পাট ব্যৱহাৰ কৰিছিল। জল চকী সন্মানজনক আসন আছিল। দৈ দুধেৰ জন্য বাশেৰ চুঙা, কাঠলীয়া চুঙা ব্যৱহাৰ কৰিছিল। এণ্ডি সুতাৰে পাছৰা তৈয়াৰ কৰিছিল। কাপাসেৰ সুতা কাটিয়া কাপুৰ তৈয়াৰ কৰিছিল। চটোতে আপী গিলানে কমৰত কাপুৰ পিন্ধিছিল। ঠাণ্ডা দিনত কাপুৰ গাৰত কাচিয়া দিছিল। ডাঙৰ হৈলে বুকত কাপুৰ পিন্ধিছিল। আৰো এক খান গাৰত লোৰা কাপুৰ আছিল। বুকত পিন্ধা কাপুৰ খানেৰ নাম আছিল পাটানি। টোপৰ মাৰা কাপুৰ এখানও আছিল। কাপুৰেৰ ৰঙেৰ ভিতৰত কাঠলীয়া আৰো বেশৰ ফুলীয়া ৰঙে প্ৰাধান্য লাভ কৰিছিল। আপা মানুসেৰ পিন্ধা কাপুৰেৰ নাম আছিল আওচা। ছটো গিলানে গামছাও পিন্ধিছিল। মানুসেৰ জীৱন যাত্ৰা সহজ সৰল আৰো স্বাভাবিক আছিল। প্ৰকৃতিৰ লগত সহ অৱস্থান কৰিছিল। হাল চাস কৰা, চিকাৰ কৰা, মাছ মাৰা, বাৰী-বাগান কৰাই প্ৰধান কাম আছিল। সাধাৰণ মানুসেৰ আকালো নাছিল-ভাণ্ডাৰো নাছিল। মানুসে পদ ব্ৰজে চলিছিল। অৱশ্যে জল পথেৰে চলাচলেৰ জন্য নাও





আছিল। মানসি গিলা পৰিশ্ৰমী আৰো ধৰ্ম ভিৰু আছিল। পৰ মুখা পেক্ষী নাছিল। পৰস্পৰে পৰস্পৰক সহায় সহ-যোগ কৰিছিল। মৰা-জিয়া বিয়া বাধাত সমাজ দায়বদ্ধ আছিল। দায়-দোষ, যাই পেচাল, সমাজে বিচাৰ কৰিয়া দুষী জনক শাস্তি দিছিল। সমাজচ্যুত কৰা, জুই পানীৰ আলগ কৰা সবাতকৈ ডাঙৰ শাস্তি আছিল।

*"তেহিনো দিবস গতাঃ।"*

বৃটিছে আমাৰ দেশ অধিকাৰ কৰাৰ পাছতে বেচা কিনা আৰাম্ভ হইল। প্ৰথমে আসিল নুন, তাৰ পাছত আসিল কেৰাচিন তেল। আস্তে আস্তে অন্যান্য জিনিস্ গিলাও বাজাৰত আসিবা ধৰিল। কিনা বেচাৰ অভ্যাস কৰিবাৰ জন্যে প্ৰথমেত কাৰখানাত তৈয়াৰ হোৱা জিনিস গিলা, যেমন সুতা, কাপুৰ, কাচেৰ বস্তু, লোহাৰ বস্তু গিলা খুব কম দামত বাজাৰত চাৰিল। বাজাৰ বসিল, হাট বসিল, দোকনত কিনা বেচা আৰাম্ভ হইল। মনি হাৰিৰ জিনিস্ বেচা বিশেষ শ্ৰেণীৰ মানুসেৰ আগমণ হইল। সস্তাত পায়া আস্তে আস্তে মানুষে ঘৰুৱা শিল্পক হেলা কৰিবা ধৰিলে। ঝাপি তৈয়াৰ কৰা, ব্যৱহাৰ কৰা বাদ পৰিল। ঝাপি আমাৰ সংস্কৃতিৰ প্ৰতীক হয়া যাদু ঘৰত সামাইল।

*"গতস্য শোচনাং নাস্তি মৃতস্য মৰণং যথা।"*

বৃটিশ আসিল, ৰাজত্ব কৰিল আৰ চলিয়া গেইল। চাৰিয়া গেইল উমাৰ ভাষা সংস্কৃতি। আস্তে আস্তে আমি আমাৰ কৃষ্টি চাৰিয়া ইংৰাজেৰ সংস্কৃতি গ্ৰহণ কৰিবা ধৰিলুং। আমাৰ দেশাচাৰ, আমাৰ লোকাচাৰ ফেলেয়া দিবা লাগিছুং। আমাৰ আচাৰ ব্যৱহাৰ ৰীতি নীতি থাকা খাওয়া, পিন্ধা উৰা কাপুৰ চুপুৰ শিক্ষা দীক্ষা সব ইংৰাজীৰ ফলে আগুৱাবা ধৰিছে। আপী গিলানে প্ৰথমে পাটানি চাৰিয়া মেখেলা পিন্ধিল। তাৰ পাছত মেখেলা চাৰিয়া শাৰী ধৰিল। এখন ফ্ৰোক টু- পাৰ্ট ছেলোৱাৰ পাঞ্জাবী। আপাৰ ক্ষেত্ৰতো আওচা চাৰিয়া ধুতি-পাঞ্জাবী-পাছত লং পেন্ট চাৰ্ট। ঐ দৰে শূনা ঘৰেৰ ঠাইত ড্ৰইং ৰুম, বৰো ঘৰেৰ ঠাইত বেট ৰুম পাক ঘৰেৰ ঠাইত কিচেন ডাইনিং ৰুমে দখল কৰিলে। চকী, মেজ, চোফা, কাৰ্পেট পৰ্দ্দা আদি আসিয়া আমাৰ সংস্কৃতি বদলেয়া দিল। খাওৱা খাদ্যৰো পৰিবৰ্ত্তন হইল। লুচি-পুৰি ৰুটি বিস্কুট কেক মিঠাই আদি আমাৰ খাদ্যৰ ভিতৰত আসিয়া পৰিল। আমাৰ চকুৰ আগতে ৰাস্তা ঘাটেৰ পৰিবৰ্ত্তন হইল। ৰেল চলিল, উৰা জাহাজ চলিল মাটৰ গাড়ী চলিল, চাইকেল ৰিক্সা আটো, মটৰ চাইকেল, আৰো যে কতো কিছু আসিয়া সামাইল আমাৰ মাজত। বিজুলী বাতি আসিল, টেলিগ্ৰাম টেলিফোন আসিল, ৰন্ধন গেচ আসিল, ৰেডিঅ' টিভি, ভি,ডি,অ' ভি,ডি,অ' গেম, টেপ, চি,ডি, চিনেমা আদিয়ে আমাৰ সমাজেৰ ৰূপেই বদলেয়া দিল। এই গিলা জিনিস্ আমাৰ সামাজিক জীৱনেৰ অপৰিহাৰ্য্য হয়া পৰিল। অথচ এই গিলা জিনিস্

লয়া চলিবা লাগিলে আমাৰ আয় বা আয়েৰ পথ থাকিবা লাগিব। আয় বাড়িবা লাগবি। কিন্তু আমাৰ কৰ্ম পদ্ধতি আগেৰ মতন ৰইল। ফলত আমাৰ আয় বাড়া নাই। প্ৰয়োজন অনুপাতে আয় নাবাড়িল। বাচিয়া থাকাৰ জন্য নুন্যতম আয় আমি কামাবা নাপাৰা হইলং। ফলত আমাৰ হাঃ হুতাশ কৰিব লাগা হইল। এৰ পাৰা উদ্ধাৰ পাবাৰ জন্যে উপায় কি, উপায় কি কৰিয়া হাবু ডুবু খাবা লাগা হইল। দেশেৰ ভিতৰত আমাৰ অবস্থা একেবাৰে পাছু পৰা পানীত হাস নচলা অৱস্থাত পৰিণত হইল। শাস্ত্ৰত কৈছে -

*"আত্মকৃতে পৰিণামাৎ"*

*- বেদান্ত দৰ্শন।*

এইটা আমাৰে কৰ্ম ফল। এখন অত্যাধুনিক যুগ। এই যুগেৰ লগত খাব খুৱাই চলিবা লাগিব। তাৰ জন্যে আমাৰ যোগ্যতা অৰ্জন কৰিবা লাগিব। সংস্কৃতত এয়াৰ কথা আছে

*"গোয্য ভোগ্য বসুন্ধৰা"*

যোগ্য জনেৰ ভোগেৰ স্থান এই পৃথিবী। গতিকে পৃথিবীত সুখ ভোগ কৰিবা খুজিলে যুগোপযোগী হয়া উঠিবা লাগিব- যোগ্যতা অৰ্জন কৰিবা লাগিব। ইংৰাজীতো এক আযাৰ কাথা আছে "Fittest are the Survival" অৰ্থাৎ যোগ্য জনে বাচিয়া থাকিব এই সংসাৰত বাকী সবে কালেৰ বুকত ভাসিয়া উঠিয়া যাব। গতিকে আমি এখন এই পৃথিবীত বাচিয়া বৰ্ত্তিয়া থাকিবাৰ জন্য কাম কাজ কৰিবাৰ জন্য নিজকে যোগ্য কৰিয়া তুলিবা লাগিব। এই বিষয়ে গীতাত কৈছে, -

*"স্বে স্বে কৰ্মণ্যভিৰত: সংসিদ্ধি লভতে নৰ:"*

যায় নিজেৰ নিজেৰ কাম কাজ ঠিক ভাবে কৰে অ'য়ে সংসাৰত সিদ্ধি লাভ কৰে। সিদ্ধি লাভেৰ জন্য কামেৰ দক্ষতাৰ প্ৰয়োজন। সেই জন্যে জীৱিকা নিৰ্বাচন কৰা আৰ নিৰ্বাচিত কাম সঠিক হোৱা দৰকাৰ।

*নজাতি পুজ্যতে ৰাজন গুনা কল্যান কাৰকা:*
*স্বধৰ্মে নিধনং শ্ৰেয় পৰ ধৰ্মো ভয়াবহ:*

*- গৌতম সংহিতা।*

কালেৰ গতিত, অৱস্থাৰ পৰিবৰ্ত্তন, ব্যক্তিগত আৰ জাতিগত স্বাভৱেৰ জন্য তথা আমাৰ কৰ্ম ফলেৰ জন্য নিয়ত পৰিবৰ্ত্তন হৈছে। এই জন্য আমাৰ স্বধৰ্ম বা স্ব-কৰ্মৰ পৰিবৰ্ত্তন অবসম্ভাবি। মুঠৰ ওপৰত সময়ৰ লগত খাপ খাৱা কৈ যোগ্যতা ভিত্বিত স্বধৰ্ম অৰ্থাৎ স্ব কৰ্ম গ্ৰহণ কৰাটাই হইল যুগ-ধৰ্ম। সময়েৰ পৰিপেক্ষিতত সেই সাধাৰণ স্বভাব গঠিত হয়, ঐ স্বভাব নিয়ত যুগ ধৰ্ম। জাতিৰ কৰ্মানুসাৰে জাতীয় স্বভাব গঠিত হয়; ঐ স্বভাবে জাতীয় চৰিত্ৰ- জাতীয় ধৰ্ম। এয়ে সনাতন হিন্দু ধৰ্ম। ❖❖❖



প্ৰবন্ধ

# কোচ ৰাজবংশী ভাষা আৰো লোক সাহিত্যেৰ প্ৰতিছবি

শ্ৰীৰঘুনাথ চৌধুৰী।

ভাৰতেৰ প্ৰাচীন গ্ৰন্থ আদিত কোচ ৰাজবংশী গুলাৰ কথা পাওৱা যায়। বৰ্ত্তমান উমিৰা অসমেৰ শদিয়াৰ থাকিয়া বিহাৰেৰ পুৰ্ণি জিলা পৰ্য্যন্ত আৰো নেপালেৰ ঝাপা মৌৰাঙেৰ থাকিয়া বাংলাদেশেৰ চিটাগাং অঞ্চল বৰ্য্যন্ত বসবাস কৰে। প্ৰাচীন কামৰূপ কামতা ৰাজ্যত আদিম জনগোষ্ঠী গুলানেৰ ভিতৰত কোচ ৰাজবংশী ভাষাটা প্ৰথম লেখিত ৰূপত প্ৰকাশ পাইছিল। এই কাথাটা পণ্ডিত গুলানও স্বীকাৰ কৰিছে। কোচ ৰাজবংশী ভাষাৰ ৰূপটা দেখিয়া গবেষক ড০ দ্বিজেন্দ্ৰ নাথ ভকতে মন্তব্য কৰিছে যে "ৰাজবংশী ভাষাৰ প্ ৰথম নিদৰ্শন পোৱা যায় সপ্তম শতাব্দীৰ পৰা দ্বাদশ শতাব্দীত লিখা হিন্দু ৰজা সকলৰ তামৰ ফলিত .."। কোচ ৰাজবংশী জন গোষ্ঠীৰ কৃষ্টি-সংস্কৃতি আজিও জীৱন্ত ৰূপ আছে এই বিষয়ে পদ্মশ্ৰী প্ৰতিমা পাণ্ডে বৰুৱায় (ইং ৩/৪/১৯৯৩: আজিৰ অসম) মন্তব্য কৰে যে "গোৱালপাৰীয়া যি সংস্কৃতি সেয়া আমাৰ পৰিয়ালৰ সংস্কৃতি নহয়; সেই সংস্কৃতি হ'ল কোঁচ ৰাজবংশী সকলৰ সংস্কৃতি"।

কোচ ৰাজবংশী ভাষাটা বিভিন্ন আঞ্চলিকৰ ৰূপ থাকাৰ জৈন্যে সাহিত্যিক শ্ৰীসত্যেন্দ্ৰ নাৰায়ন গোস্বামীয়ে মন্তন্য (ইং ১৯/২/১৯৮৮: অসম বানী) কৰিছে যে " এওঁলোকৰ নিজাস্ব মাত কথা সুখৰ ভাষাটোৱেই কালক্ৰমে ধেয়ান ভাষা ৰূপে জনাজাত হৈ পৰে। দৰা চলতেই কোচ ভাষাৰেই ৰূপান্তৰ। এই কোচ ভাষা ৰাজবংশী ভাষা ৰূপেও জনাজাত...."। বৰ্তমান কোচ ৰাজবংশী ভাষাটা বিভিন্ন নাম কৰনেৰ পৰিচিত হইছে সেই কাথাটায় খুৱ আপসোসেৰ অসম সাহিত্য সভাৰ সভাপতি ড০ নগেন শইকীয়া মন্তব্য (ইং ২০/৪/১৯৯৮: আমাৰ অসম) কৰিছে যে- "সম্প্ৰতি উত্তৰ বঙ্গ, বাংলাদেশৰ ৰংপুৰৰ পৰা নামনি অসমৰ মানাহলৈকে এক জীৱন্ত লোক ভাষা হিচাপে প্ৰসাৰ লাভ কৰা ৰাজবংশী ভাষাই আধুনিক কালত এক মাত্ৰ ৰাজনৈতিক সীমা ৰেখাৰ বাবে অসমত গোৱালপৰীয়া ভাষা হিচাপে আখ্যা লোৱা কাৰ্য্য ভাষা তাত্ত্বিক দৃষ্টি কোণৰ পৰা অত্তদ্ধ; গ্ৰীয়াছিন,



OKDISCD

ড০ বানী কান্ত কাকতি প্রমুখ্য বিশিষ্ট ভাষাবিদে ৰাজবংশী ভাষা হিচাপে নাম কৰণ কৰা সত্বেও প্রশসনীয় তথা বৌদ্ধিক জগতত গোৱালপৰীয়া নাম কৰম নিতান্তই অসমর্থ যেন বোধ হয়"। মুঠতে কোচ ৰাজবংশী ভাষাটা সপ্তম শতিকাৰেৰ পাৰায় বর্ত্তমান পয্যন্ত মেল্লা কবি সাহিত্যিকে ৰচনা কৰা বিভিন্ন গ্রন্থ আদিৰ ভাষাৰ পর্য্যালোচনায় অসমীয়া ভাষাৰ পিতৃ স্বৰূপ বুলিয়া সাহিত্যিক যামিনী কুমাৰ বৰুৱা দেবেৰে মন্তব্য (চক্রশিলা (স্মৃতি গ্রন্থ) কোচ ৰাজবংশী সাহিত্য সভা) কৰিছে যে- " মহাৰাজ নৰনাৰায়নেৰ ৰাজ সভাত লিখিত গ্রন্থাৱলী ৰাজবংশী ভাষাতে লিখিত হোৱাটায় স্বাভাবিক কথা। কাজে আমৰা গৌৰব কৰিবা পাৰুং যে অসমীয়া ভাষাৰ পিতৃ ভাষা হইল ৰাজবংশী ভাষা"। ড০ শইকীয়া আৰো সাহিত্যিক বৰুৱা দেবেৰ মন্তব্যয় গবেযনাৰ যথেষ্ঠ থল আছে। পূর্ৱাঞ্চলত ভৌগলিক সীমা অদল-বদল হৱাৰ জৈন্যে কোচ ৰাজবংশী ভাষাটাক কায় কি নাম দিয়া প্রচাৰ কৰিব অৰ সীমা সংখ্যা নাই। যেংকা ৰাজ্য, জিলা বা আঞ্চলিক ভিক্তিত নামাকৰণে কোচ ৰাজবংশী ভাষাটাৰ নৌতুন কৰিয়া পৰিচিত হয়। এই কোচ ৰাজবংশী ভাষাটাক বহুত জনে বিভিন্ন নাম দিছে। যেমন কুৱাচ, ৰাজবংশী, কোচ, কামতাপুৰী, কামৰুপীয়া, গোৱালপৰীয়া কোচ বিহাৰীয়া, ৰংপুৰীয়া, দৰঙীয়া, কাছাৰীয়া, ময়মনসিঙীয়া, বাৰো হাজাৰীয়া দেশী, উজানী জেখৰীয়া, ভাটীয়া, চৰুৱা ঝাৰুৱা, ঘুল্লীয়া, বংশী ইত্যাদি আৰো কতো জনে কয় অসমীয়া বা বাংলা ভাষাৰ উপভাষা। এংকা দিক-বিদিক নাহৰা মন্তব্যয় কোচ ৰাজবংশী ভাষা-ভাষী জন সাধাৰণক বিভ্রান্ত কৰিছে। শেষত কোচ ৰাজবংশী ভাষা সাহিত্যক উদ্ধাৰ আৰো বিকাশেৰ জৈন্যে কোকৰাঝাৰ চহৰত ইং২২/৫/১৯৯৩ চনত "কোচৰাজবংশী সাহিত্য সভা" গঠন কৰে। এই কোচ ৰাজবংশী সাহিত্য সভাৰ আহ্বানত বহুত কবিতা গল্প, প্রবন্ধ উপন্যাস আদি প্রকাশ পাইছে। এই প্রবন্ধটোত পাঠক গোষ্ঠীক জ্ঞাতে কোচৰাজবংশী ভাষা আৰো লোক সাহিত্যেৰ প্রতিছবি দাঙিয়া ধৰা হইল।

✦ কোচ ৰাজবংশী ভাষাৰ খণ্ড বাক্য - ঢোকে ঢোকে পানী খাওৱা, পাছিল কাটা, নাটোন হাড়া ৰিংদিয়া, ভিচিংচিয়া, ফান পাসুৰা, আমেয়া গেইল, ধামা ধৰা, ধাপ্পা দেওৱা, মাথা নাই, ইত্যাদি।

✦ কোচ ৰাজবংশী ভাষাৰ ধ্বনি প্রতি ধ্বনি শব্দ- পেল-পেলা, লেৰ-লেৰা, পিল-পিলা, ধপ-ধপা, পুন-পুণা, গল-গলা, ঝক-ঝকা, মোল-মোলা, টক-টকা, ঘিট-ঘিটা, ইত্যাদি।

✦ কোচ ৰাজবংশী ভাষাৰ একটা শব্দ -

(১) যায় কাছুৱা ছাৰা ৰাখে বোকালী

(২) যায় ৰাও কাঢ়িবা নাপায় = বোবা (পুংলিংগ)/বোবি (স্ত্রীলিংগ)

(৩) যায় হাতী চৰায় = মাহুত।





(৪) যায় ধান কাটে = ধানা (পুংলিংগ)/ধানী (স্ত্রীলিংগ)

(৫) ধান ৰোৱা আপী = ৰোৱাতী।

✦ কোচ ৰাজবংশী ভাষাৰ উপমা শ্লোক -

(১) কোমৰেৰ চুৰি পেট কাটে।

(২) হেস কাৰীৰ গু কাসটিত।

(৩) ভুকা কুকুৰ নাকামৰায়।

(৪) গোবৰেৰ মানত পদ্দৈৰ চাকা।

(৫) হাগাত কৰি ঢেৰ-ঢেৰিনী খানে সাৰ।

✦ কোচ ৰাজবংশী ভাষাৰ সাৰ্থৰ -

(১) চিত কৰিয়া ধৰে; উবুত হয়া কৰে। দুই হাত দিয়া ধৰিয়া এমন কৰন কৰে; মাইয়াৰ গহনা সন্দে লৰে।
(শীল পাট্টাত মসলা পিসিয়া থাকা অৱস্থাত আপী মানসি।)

(২) ওকৰ-ওকৰ ওকৰ; পাঁচ ভাইৰ একটা পোকৰ। (শিকিয়া)

(৩) উট ঘুঘুৰ পিঠিটান; কুন ঘুঘুৰ চাৰিখান কান। (মসাৰী)

(৪) একডাল লাঠি বীৰ-বীৰ গাঁঠি (খেৰেৰ ভোতা)

(৫) এলেৰ টাৰী বেলেৰ টাৰী; কুন জীবেৰ জিভাত দাড়ী (শামুক)

কোচৰাজবংশী ভাষা-সাহিত্যেৰ মূল্যাঙ্কন কৰাৰ আগতে, কোচৰাজবংশী সমাজত পৰম্পৰা ভাবে চলায় থাকা লোক সাহিত্যেৰ লোক গান, লোক নৃত্য, লোক খাদ্য, লোক বাদ্য, লোক কলা আৰো ভাষা গুল্প অধ্যয়নেৰ প্রয়োজন আছে। কোচ ৰাজবংশী সমাজত প্রচলিত নিন্দালি গান, এউৰী মাগাগান, ধুৱানীগান, বিয়াগান, হুদুম গান, গাছ কাটা গান, কুশান গান, সোনাৰায় গান, বাঁশী পুৰান গান, কাতিকা গান, হোলী গান, বংশ পূজাৰ গান, লোকগীত গুলানত সুৰ, তাল, মান, লয় আদি এক বিশেষ নিজাস্ব বৈশিষ্য বিদ্যামান। এই নাচ গান গুলানেৰ কয় ফাঁকি মান তলত নমুনা আকাৰে উল্লেখ কাৰিলুং -

(১) কোচৰাজবংশী ভাষাৰ নিন্দালি গান -

আমাৰ মনো ভাল
পিন্ধে-উৰে ফাৰা জাল।
ঘৰে-ঘৰে বিচিৰিয়া বেৰায়
কুন বুঢ়ীটা ভাল।



ORDISCD

(২) কোচৰাজবংশী ভাষার এউৰী মাগা গান -

।। শিব-শিবপে।।

এউৰীৰে হাপাং-পাং
এক চিলিম তাংখু খাং।
তাংখু খাইতে হইল ৰাতি।
ধান দিবতো নয়া আৰী।
ধান-ধুন কড়ি ফুল।
ধান নাদিলে চোতাল খুন।
চোতাল খুন্দা যায়ৰে।
আমাৰ দোষ নাইৰে।
।। শিব-শিবপো।।

(৩) কোচ ৰাজবংশী ভাষার ধুৱানী গান-

যেলা মুই বাসিয়া থাকুং
মাৰ-বাপেৰ লগত।
নাম ধৰিয়া ডাকে বাঁশী
মুই মৰুং লাজত।।

(৪) কোচ ৰাজবংশী ভাষাৰ বিয়াগান -

পুৰানি নদী হোৰা-বেকা
নৌতুন নদী ঠাৰু।
কুন বানিয়া গড়েয়া দিছে
মুঠা-মুঠা খাৰু।।

(৫) কোচৰাজবংশী ভাষাৰ হুদুম গান -

হুদুম দেও, হুদুম দেও
আমাক খানিক পানী দেও।
আমাৰ দেশত নাই পানী।
জীবন ধৰিয়া টানা-টানি।





(৬) কোচ ৰাজবংশী ভাষাৰ গাছ কাটাগান -

বাৰ' কামলা ভৰে, তেৰ' যুৱানেৰ বল।
-হেইয় মাৰো ৰে।
বিশ্বৰ্কমা নাম ধৰিয়া, গাছ টানুং আমি।
- হেই মাৰো ৰে।
ছাউৰী দিয়া গাছ ধৰিলুং, মাটিত ফেলাইম আমি
- হেইয় মাৰো ৰে।
সোনাৰ হেনা দেখে, ৰূপা হেনা জ্বলে
- হেইয় মাৰো ৰে।
আমাৰ গাছখিনি আপোন হইতে আসে।
- হেইয় মাৰো ৰে।

ইত্যাদি

(৭) কোচ ৰাজবংশী ভাষাৰ কুশান গান -

ঐ, আ - হা — ঐ, আ - হা — ঐ, আ - হা
অৰে আইসেক মা মোৰ সৰস্বতী
ৰথে কৰিয়া ভোৰ - অ - অ
ঐযে জয় যোগাৰে আসেক মা একবাৰ
মোৰ সভাৰ ভিতৰত (আৰ্)
মোৰ সভা চাড়িয়া যদি মা তুই
অইন্যেৰ সভায় যাইছ -
আৰ কিছু নাদুং কিৰা মা একবাৰ
ধৰ্মেৰ মাথা খাইছ।
.......... ইত্যাদি

(৮) কোচ ৰাজবংশী ভাষাৰ সোনাৰায় গান -

সত্য ঠাকুৰ সোনাৰায়, গৃহস্থক দেয় তুই বৰ।
ধনে ধানে বাৰুক গিৰি চন্দ্ৰ দিবাকৰ।।
গোলিতে বাৰুক গৰু গাই, ভাণ্ডাৰতে বাৰুক ধান।
সমাজে দৰবাৰে বাৰুক বাট্টা ভৰা পান।।
গোলিতে বাৰুক গৰু-গাই, জংগলতে বাৰুক লাউ।
গিৰি ঘৰেৰ শত্ৰু-দুশমন বাঘে ধৰিয়া খাও।।



OKDISCD

(৯) কোচ ৰাজবংশী ভাষাৰ কাতিকা গান -
কাতিক কান্দে, কাতিক কান্দে
হাতে ধনু লয়া।
অ, কাতিক এই বাৰো নাহইল তোৰ বিয়া।
এই বাৰ উঠিব ডেংৰা অমুৰুক দিয়া।
কাতিক কান্দে, কাতিক কান্দে
হাতে ধনু লয়া।
আৰ এক বাৰ তোৰ বিয়া হব
ছোট' বইনক দিয়া
অ, কাতিক, এই বাৰো নাহইল তোৰ বিয়া।

(১০) কোচ ৰাজবংশী ভাষাৰ হোলী গান -
পদ-ৰংসেৰে ৰঙেৰ খেলা
ৰং দিম মুই কাৰে।
যদি ৰঙেৰ সংগ পাই
তবে ৰং খেলিতে চাই।
সমান শৰীক নাহইলে।
ৰং দিম মুই কাৰে।
ঝুনা- হায়, ৰংসেৰে ঙৰেৰে খেলা
ৰং দিম মুই কাৰে।

(১১) কোচ ৰাজবংশী ভাষাৰ খেলাৰ গান -
অমল-ডিমল কড়ি মল
বাউচি কাটা মহাজন।
কুকুৰ কাটা ডিম।

(১২) কোচ ৰাজবংশী ভাষাৰ কাতি গাছাৰ গান -
সগাৰে ধান আউল-ঝাউল।
আমাৰ ধান মৰখা চাউল।
অইন্যেৰ গুৱা টুনায়া-মুনীয়া।
আমাৰ গুৱা বেলেৰে হেনা।।

(১৩) কোচ ৰাজবংশী ভাষাৰ মাছ মাৰা গান -





চেংঠি মাছেৰে বেটিৰ বিয়া
টেংনা মাছ দিয়া।
পুঠি মাছে উঠিয়া কয়-মুই তেল ধৰী।
বৰ দিব মোক লাল পাৰী শাৰী।
টাকী মাছে উঠিয়া কয়-মুই বৰেৰ মিতৰ।
বৰেৰ লগত আসা-যাওৱা গাৰত লাগাইম আতৰ।
চিতল মাছে আনিছে কাকোৰা বাঁশেৰ পাটী।
শাল মাছে বাজায় ঢোলুৰাৰ বেন্ট পার্টি।
ঘাগসি মাছে লয়া আসে মিঠা তেলেৰ টাৰী।
বিয়াৰ বোমা ফুটীয়া যায় টেপা মাছ ৰয় পৰি।।

(১৪) কোচ ৰাজবংশী ভাষাৰ বাশ পূজাৰ গান -
অ, সখী ৰে - - - -
হস্তিনী নাৰী হস্তিনী কাথা
পতিৰ আগে ৰান্ধে বাঢ়ে খায়,
পদ্মিনী নাৰী পতি সেৱা কৰে
ৰান্ধিয়া বাঢ়িয়া বাট চায়।

(১৫) কোচ ৰাজবংশী ভাষাৰ লোক গীত -
অ, মোৰ পখীৰে -
ছোট'ৰ পাৰায় পুষিলুং পখী
কতো আদৰ যতন কৰিয়া
অজান দেশত চলিয়া গেলি
বৰয় দুখ দিয়া
অ, মোৰ পখীৰে -
তোক দিয়া কতো আশা কতো ভৰসা
সব কৰিলি চুৰমাৰ
হে পখী ৰে -
মনেৰ দুখত বসিয়া কান্দুং
নিজকে দেয় ধিক্কাৰ।
অ, মোৰ পখী ৰে -

ভাষা-সাহিত্য হইছে জাতিৰ আয়নাৰ স্বৰূপ। যেই আয়নাত দেখিলে নিজেৰ শাৰীলটা সম্পূর্ণ দেখা পাওৱা যায়। ঠিক সেংকোয় ভাষা-সাহিত্য হইল কুনো একটা জনগোষ্ঠীৰ অতীতেৰ

OKDISCO

ইতিহাস চক্ষুৰ আগত ভাসিয়া উঠে আৰো বৰ্ত্তমান অৱস্থাটাও প্ৰতিফলিত হয়। কোচ ৰাজবংশী ভাষাটা যতো খিনি গবেষণা অধ্যয়ন কৰাৰ প্ৰয়োজন আছে, অতোখিনি চিন্তাৰ বিষয়-বস্তু পণ্ডিত গুলানেৰ মনত ভাব নাই।

এই ক্ষেত্ৰত ভাৰত সৰকাৰ বা অসম সৰকাৰে কুনো একটা জনগোষ্ঠীৰ ভাষা-সাহিত্য সংৰক্ষণ ব্যৱস্থা সদিচ্ছা ভাব উজ্জল না হয়। যদি কোচ কামতাৰ ৰাজা মহাৰাজা গুলানেৰ দিনত লেখা গ্ৰন্থ আদিৰ ভাষা সাহিত্যক অধ্যয়ণ কৰিবা লাগা হয়, তাহইলে কোচ ৰাজবংশী ভাষাটাক বৈজ্ঞানিক দৃষ্টি ভংগিৰে অধ্যয়ন কৰাৰ প্ৰয়োজন আছে।

✌ ✌ ✌





প্ৰবন্ধ

# ৰাজবংশী সমাজেৰ লোকবিশ্বাস

লাবণ্য ভকত

পৃথিবীৰ নানান দেশেৰ নানা সমাজত আদিম কালেৰ থাকিয়া লোকবিশ্বাস এক গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰিয়া আছে। এই লোকবিশ্বাস গুলান সময়েৰ সোতত সমাজিক ক্ৰিয়া কলাপেৰ আমূল পৰিবৰ্ত্তলেৰ ফলত কিছু পৰিমানেৰ হইলেও, সময়য়োপযোগী কলা-সংস্কৃতি দিয়া পৰিপূৰ্ণ সমাজ আৰ সভ্যতাৰ মাপকাঠি নিৰ্ধাৰণ হইলেও, সমগ্ৰ বিশ্বেৰ নানা দেশ, সমাজ আৰ সম্প্ৰদায়েৰ প্ৰাচীন কালেৰে থাকিয়া লোক-বিশ্বসেৰ দ্বাৰা সুস্থ সমাজ এখান গঠন কৰাত সহায়ক হয়া আসিছে। বৰ্ত্তমানে আমাৰ দেশ শিক্ষা, বিজ্ঞান আৰ প্ৰযুক্তি বিদ্যাৰ দ্বাৰা অনেক উন্নত হইলেও এই লোকবিশ্বাস গুলানক একেবাৰে বাদ দিবাৰ নাপাই। কু-সংস্কৰ গুলাক বাদদিয়া প্ৰতিটা লোকবিশ্বাসত কিছু হইলেও বৈজ্ঞানকি তাৎপৰ্য্য পৰিলক্ষিত হওয়া দেখা যায়।

লেকাবিশ্বস গুলান পৰম্পৰাগত। পৰম্পৰা স্বৰূপে এই গুলা সমাজত প্ৰভাব বিস্তাৰ কৰিয়ায় থাকে। আধুনিক শিক্ষা আৰ সভ্যতাৰ দ্বাৰা প্ৰভাৱান্বিত মানুষ নিজেৰ ব্যক্তিগত জীবনত লোকবিশ্বাস গুলানক মানি নিবাৰ নাপাইলেও অনেক ক্ষেত্ৰত ইয়াক বাদ দিয়া চলিৰ নাপায়। কাৰণ বৈজ্ঞানিক ভিত্তিত বিচাৰ কৰিলে লোকবিশ্বাস গুলা মানি চলাত অনেক যুক্তি খুজিয়া পওয়া যায়। জন্মেৰ থাকি মৃত্যু মানুষেৰ জীবনেৰ পতিটা স্তৰতেই এইলোকবিশ্বাস গুলা প্ৰভাব বিস্তৰ কৰা দেখা যায়। অন্য অন্য জনগোষ্ঠীগুলানেৰ মতন আমাৰ ৰাজবংশী সমাজতো কতগুলা লোকবিশ্বাস দেখা যায়।

ৰাজবংশী সমাজেৰ লোকবিশ্বাস মতে গৰ্ভবতী নাৰীৰ স্বমী সাপ,বেং আদি মাৰিৰ নাপায়, এই গুলান মাৰিলে সৰ্ভস্থসন্তান জিভা বাইৰ কৰি থাকে বুলি বিশ্বাস কৰে। প্ৰসুতিৰ ঘৰথ তুযেৰ আগুন জ্বলা খায় আৰ পোয়াতীৰ সাথত লোহাৰ জিনিষ ৰাখা লাগে তাহইলে দেওভূত নাআইসে বুলি কওয়া হয়। সাধাৰনতে ১০ মাস থাকিয়া ১½ বছৰেৰ ভিতিৰা কাচুয়াৰ কথা ফোটে। যদি এই



OKDISCD

স্মৃতি গ্রন্থ

সময় পাৰ হয়া যাওয়াৰ পাছতো কাচুয়াৰ কথা নাফুটে তাহইলে মানুষে বিস্বাস কৰে যে কাচুয়াৰ গাত অশুভ দৃষ্টি পৰিছে। এই অশুভ দৃষ্টি থকিয়া বাচিৰ জন্যে এক বিস্বাসে বৰণীধানেৰ খৈ ভাজিয়া কাচুয়াক খওয়ায় আৰ তুষগুলান এক বিশ্বাসে তিপোতী ঘাটাত ফেলেয়া দিয়া আইসে। ব্যঞ্জন ৰান্ধিবাৰ সময় মাওয়ে কাচুয়াক কোলাত নিয়া তেলত মশলা ফোড়ন দেয়। জনবিস্বাস মতে ফোড়নেৰ শব্দেৰ মতন কৰি কাচুয়ারো কথা ফুটিবে।

কথা ফুটাৰ মতন কৰি কাচুয়ায় হাটাৰো সময় থাকে। সময় মতে যদি কাচুয়ায় নাহাটে তাহইলে সন্দেহ কৰে যে কাচুটাৰ কিবা হৈছে নাকি? এই সন্দেহেৰ থাকি বাচিৰ বাদে অল্প ধান একে নিশ্বাশত ভুকিয়া তুষ বাইৰ কৰি আৰো একে নিশ্বাশতে তুষগুলা কাচুয়াৰ দুই ঠেঙেৰ তালুয়াত মালিস কৰি দেয়। পাচত এই তুষ একে নিশ্বাসত তিন আলি মাজত ফেলয়া দেয়।

চন্দ্ৰ বা সূৰ্য্য গ্ৰহনেৰ সময়ত সৰ্ভবতী মহিলাক সোজা হয় শুতি থাকিৰ দেয়। খাওয়া-দাওয়া, প্ৰশ্ৰাব,পায়খানা বা অন্য কাজকাম কৰিৰ না দেয়। জন বিশ্বাস মতে সেই সময় কোনো কাম কৰিলে গৰ্ভস্থ সন্তানেৰ অংগক্ষত হয় বুলিয়া বিশ্বাস কৰে। পায়খানা গেইলেও সন্তানেৰ পেটেৰ বেমাৰ হয় বুলি বিশ্বাস কৰে।

ৰাজবংশী সমাজত কাচুয়া ছওয়াক বেয়া বাতাস লাগে বুলি খুব বিস্বাস কৰে। ঘৰ থাকি বাইৰ কৰা লাগিলে কাচুয়াৰ কপালত আৰ কপালেৰ বাওঁ পাক কাজলেৰ ফোটা দেওয়া লাগে। দূৰত নিলে ঘৰেৰ মাজিয়াত কাচুয়াক প্ৰেস্বাব কৰেয়া সেই জল আৰ মাটি দিয়া ফোটা দেওয়া নিয়াম।

ৰাজবংশী সমাজত থাকা কতগুলান লোকবিস্বাস আমৰা অন্য অন্য লোক সমাজতো দেখিৰ পাই। কোনো কাচুয়া বা অন্য জিনিস ভাল দেখিলে অন্য মুখলাগা বা কুদৃষ্টি পৰাটা সগায় বিস্বাস কৰা দেখা যায়। বাহ এত সুন্দৰ ছওয়া বা মানষি। ইস্ এত বড় ফল বা আঞ্জা বুলি কয়া কোনো মানুষ দৃষ্টি কৰিলে তাক মুখলাগা বা কু দৃষ্টি বুলি কওয়া হয়। এই কুদৃষ্টি পৰিলে সেই মানষি বা যিকোনো জিনিষ আদি শুকিয়াযায় বুলি অন্য সমাজেৰ মতন ৰাজবংশী সমাজতো বিস্বাস কৰে। এমন বিষ থাকা মুখেক অমঙ্গলীয়া বুলি কওয়া হয়। কতগুলা মানুষেৰ দৃষ্টি পৰিলে তাত ছিৰিয়া যায়, কাপোৰত তোলা ফুল বেয়া হয়, কোমলা লাউ-কুমড়া পচিয়া যায়। এই অমঙ্গলায়া দৃষ্টি থাকি ৰক্ষাপাবাৰ বাদে কাচুয়া ছওয়াৰ গালাত বা কমোৰত পাঁচ চৌকা নামে এক প্ৰকাৰ পুথি বান্ধিয়া দেওয়া হয়। মুখেৰ অল্পথু মাটিত ফেলেয়া ঠেঙেৰ বুঢ়া আঙুল দিয়া মচি একটা ফোটা কাচুয়াৰ কপালত দিয়া যে বাইৰ কৰা হয়। অনেকে কাচুয়া ছওয়াৰ হাত ঠেঙেৰ ঠাৰিত ছিৰা চুল কালা সূতাদিয়া মেৰেয়া বান্ধি দেয়।





ৰাজবংশী সমাজত অশুভ দৃষ্টিত থাকি ৰক্ষা পাবাৰ বাদে আগুনত মন্ত্ৰ দিয়া সৰিষা, জলঝড়া, তাবিজ আদিৰ বহুল প্ৰচলন আছে।

কাৰোবাড়ী কাচুয়া ছওয়াক প্ৰথমে বেৰেবাৰ নিয়া গেইলে গৃহস্থয় কাচুয়াৰ মাথাত তেল দেওয়া নিয়ম, মুখত অল্প মিষ্টি জিনিষ খাবাৰ দেওয়া লাগে নাহইলে গৃহস্থৰ বাড়ীত এন্দুৰেৰ উপদ্ৰব হয় বুলি বিশ্বাস কৰা হয়।

ৰাজবংশী সমাজত যাত্ৰাৰ শুভাশুভ বহুলভাবে বিশ্বাস কৰা হয়। মঙ্গল আৰ বুধবাৰে যাত্ৰা শুভ বুলি কওয়া হয়-

“মঙ্গলেৰ উষা বুধেপা, যথা ইচ্ছা তথাযা” বুলি খনাৰ বচন শাৰী ৰাজবংশী সমজাতো বিশ্বাস কৰা হয়। কোনো শুভাকাৰ্য্য বুলি যাত্ৰা কৰিতে ভড়া জলেৰ কলসীত হাত দিয়া গেইলে, জল আনিবাৰ যওয়া মানুষ দেখিলে, বাচুৰে ওলানেৰ দুধ খায়া থাকিলে, হাতী দেখিলে যাত্ৰা শুভ বুলি জনবিশ্বাস। অন্যপাকে যাত্ৰা কৰি বাইৰ হয়া যাইতে কাও “কুত্তিযাইস” বুলি বা ঐ সময় যদি খালি পাত্ৰ, চূণেৰ টিন, মিঠতেলেৰ ভাৰ, মুচি, নাপিত, ধোবা খাৰেৰ পাত্ৰ, বিধবা বা বাঁজী বেটীছওয়া, দাড়ি নাহওয়া বা আটকুৰা মানুষ আদি দৌখিলে সেই যাত্ৰা নিষ্ফল হওয়াৰ সম্ভবনা থাকে। যাত্ৰা কৰাজনক পাচ পাক থাকি ডাকাও নিষেধ। অৰশ্যে মাও ডাকাইলে মঙ্গল হয় বুলি বিশ্বাস কৰা হয়।

“আগে হৰে পিচে ভালো, যদি ডাকে মায়,

ভৰা হতে খালি ভালো, যদি ভৰতে যায়।” খনাৰ বচনটা এই সময়তো মানি চলা হয়। যাত্ৰা কালত খাড়া হইতে ভিক্কা খাইলে আগেয়া যওয়া নিষেধ। কিছুসময় থামা লাগে। বিপদ হবাৰ পায় বুলি বিশ্বাস। বিয়াৰ বাদে কইনা দেখিৰ যাইতে বাশ কাটা বা বাশ নিয়া যাওয়া কোদাল, খৰিৰ বোজা আদি দেখাটা বেয়া লক্ষণ। কিন্তুক কইনাৰ বাড়ীত যায়া আঙ্গিনা ঝাড়ু দেওয়া দেখিলে মঙ্গল বুলি জনবিশ্বাস আছে।

বেটী ছওয়া মানুষেৰ ক্ষেত্ৰত অনেক লোক বিশ্বাস মানি চলা হয়। উমৰা বাসিয়া গাওতজল বা অন্য খাওয়া জিনিষ স্বামী বা বয়োজৈষ্ঠ্যক দিবাৰ নয়। কাৰণ এই জল বা খাদ্য খাইলে জৈষ্ঠজনেৰ আয়ুষ কমেবুলি বিশ্বাস কৰে। খেত বাড়ী, পানবাড়ী, ধানেৰ গোলামৰ আদিত বাশীয়া গাও নিয়া যাওয়া নিষেধ। এইগুলা যাগাত লক্ষী বাস কৰে। বেটীছওয়া মান্ষি ব্যবহাৰ কৰা কাপোৰ আইসা যাওয়া ঘাটাত বা মান্যজনেৰ বইসা যাগাৰ গোৰত মেলেবাৰ দেওয়া নাযায়। জৈষ্ঠ্য জনে ছায়া পাৰা বা পাৰ হয়া যাওয়া বড় অপৰাধ। দুইজন



OKDISCD

মান্‌ষি বসি থাকিলে মাজদিয়া যাওয়া লাগিলে এখান হাত দিয়া হাস্থিয়া যাওয়া নিয়মে ভাইবৌ আৰ ভাই মত্তৰ, মামাশত্ত শত্ত আৰ ভাগিনাবৌ পৰস্পৰে পৰস্পৰেৰ মুখ দেখা ব স্পর্শ কৰা নিষেধ। মহিলায় চুল মেলিয়া ৰাতি বাইৰ হওয়া নিষেধ দেওভূতে দৃষ্টি কৰে মহিলায় উচ্চস্বৰে কথা কাইলে বা হাঁসিলে শুক্রবাঢ়ে বুলি লোক বিশ্বাস। স্বামী বা পুত্রৰ জন্মবাৰে মহিলাই মাথা ধুবাৰ নাপায় স্বামী  পুত্রেৰ আয়ুৰ কমে। বিধবা মহিলাৰ জন্যে ৰাজবংশী সমাজ অমেক নিয়ম মানি চলা হয়।

অন্য অন্য লোকবিশ্বাসেৰ মতন কৰি পক্ষী পয়াল সাথত জড়িত কত গুলা বিশ্বাস ৰাজবংশী সমাজত মানি চলা দেখা যায়। অন্য মানুষেৰ বাড়ী থাকি আসি বাসা নেওয়া সাদা কইতৰ বা মৌমাছি সৌভাগ্য সূচক। আঙ্গিনাত বা ঘৰেৰ চালত পৰি কাউয়া কল কলাইলে বাড়ীত সাগাই আইসে বুলি বিশ্বাস আৰো কাউয়া ছটফটেয়া কা-কা কৰিলে, ৰাতি বিলাইয়ে ঘৰেৰ ভিতিৰা মেও মেও কৰি চিল্লাইলে কোটইবা বিপদ হৈছে বুলি আশাঙ্কা হয় বা কাৰো অসুখ হৈছে বুলি নিশ্চিত ধাৰনা হয়। ৰাতি ময়ুৰ পক্ষী, ফেচা কান্দিলে বা মিউমিউ কাৰি চিল্লাইলে দেশত অমঙ্গল হয় আৰু গাওঁয়েৰ কাৰো বাড়ীত মৃত্যু আসি খাড়া হৈছে বুলি মনত ভয় লাগে। দিনত শিয়ালে হোয়া দেওয়াটা অমঙ্গলেৰ চিহ্ন। কুকুৰে বিনিয়া কান্দিলে অশুভ লক্ষ্যন বুলি সগায় জানে। হাপায় কান্দিলে বানহওয়া লক্ষণ, বেং টোৰ টোৰাইলে ঝড়ি হওয়াৰ লোক বিশ্বাস আছে। ঘৰেৰ চালত শুকুন পৰাটা অমঙ্গলেৰ চিহ্ন। বাওপাক থাকি সাপ বা বিলাই পাৰ হইলে মঙ্গল আৰ ডাইন পাক থাকিপাৰ হইলে অমঙ্গল বুলি ভাবা হয়।

ৰাজবংশী সমাজত একটা পৰিয়ালত অনেক ছোটবড় বিশ্বাস পালন কৰি চলা দেখা যায়। দিন ৰাতিৰ সন্ধিক্ষনত, খাওয়া, চালেৰ পানী পোতাত বইসা নাযায়। খাৰা হয়া খাইলে কুকুৰেৰ পেটত যায়, হাতে হাতে একজনে আৰ একজনক লবন বা চুন দিলে ঝগড়া লাগে, হাতদিয়া পান ছিড়িলে বিচ্ছেদ হওয়া আৰ খিড়িকি সৰকেয়া জিনিস দিলে লক্ষী যায় বুলি ভাবা হয়। ৰাতি চুনক দৈ, হালধিক ৰং আৰু সাপক দীঘলা পোকা বুলি কওয়া নিয়ম। গৃহিনী জনে ৰাতি বা দুপৰা সাঁজেৰ জন্যে ধুবাৰ নিওয়া চাউলেৰ থাকি একমুঠা চাউল ভিক্ষৰীৰ বাদে থোৱা, ভক্তি কৰি হাড়ীত ৰাখা সুগৃহিনীৰ লক্ষন বুলি জনবিশ্বাস। ৰাতি ঘৰ সামটায়া জাবৰ ফেলাইলে লক্ষী যায় বুলি ভাবা হয়। ৰাতি ভাড়া খোড়া বাজা নাজায় আৰ সেই শব্দ আস্তে আস্তে মিলিয়া যওয়া নাযায়। ধান বা অন্য শষ্য বেচেবাৰ নিলে বা অন্য কাকো দিলে বাউ হাত দিয়া অল্প অল্প কৰি মুৰিয়া নেওয়া খায় নাহইলে ধানেৰ গোলা শূন্য হয় বুলিয়া বিশ্বাস আছে। সোনাৰূপা হাৰাটা বেয়া লক্ষন। বাড়ি দেওয়া ভাত সামান্য হইলেও খওয়া লাগে নাহইলে পাছত খওয়াৰ বাদে কষ্ট হয় বুলিয়া ভাবা হয়। খাওয়া জিনিস খাবাৰ ধৰিলে পৰি হোইলে উঠিয়া নিয়া কিঞ্চিত হইলেও খাওয়া লাগে নাহইলে শত্রু বাঢ়ে বুলি জনবিশ্বাস আছে। পুৰুষেৰ বাওঁ আৰ মহিলাৰ ডাইন অঙ্গ কাপাটা অশুভ বার্তাৰ পূব আভায।





অমাবস্যা তিথিত মাংস খাওয়া বেয়া-শৰীৰ দুর্বল হয় আৰ হজম নাহয় বেমাৰ হবাৰ পায় বুলিয়া ভাবা হয়। ৰাতি দৈ খাওয়া নাযায়। দৈ খায়া পৰিশ্রম নাকৰিলে হজম নাহয়। ৰাতি টেঙা, তিতা, শাক খওয়া বেয়া। ডিম, দুধ, ঘিউ গুৰুপাক খাদ্য। এক সাথে খওয়া নিষেধ। আন্ধাৰত ভাত খাওয়া নিষেধ বেয়া জিনিস থাকিৰ পায়। ফল খায়া জল খাওয়া নাযায় শৰীৰেৰ বাদে ক্ষতি কাৰক। ভাদ্র মাসত তালেৰ পিঠা, মানাৰ ডেৰা আদি খায়। নাখাইলে গৰুৰ পেটত জন্ম নেয়বুলি লোক বিশ্বাস আছে। মাঘ মাসত মূলা, চৈত মাসত ছিমা, জেঠ আৰু ভাদ্র মাসত লাউ আৰ কাতি মাসত বাইগন খওয়া নিষেধ।

ৰাজবংশী মান্‌ষি স্বপ্নেৰ বিষয়ে অনেক কথা বিশ্বাস কৰে। ভোৰবেলাৰ স্বপন  বাস্তবত পৰিনত হয় বুলি ধাৰনা কৰে। বেয়া স্বপ্ন অর্থাৎ মৃত্যু, যুদ্ধ, বেমাৰ আদি অন্য মানুষেৰ দেখিলে নিজৰ মাজত হয়, নিজেৰ ভিত্‌ৰা দেখিলে অন্য মান্‌ষিৰ হয় বুলিয়া বিশ্বাস কৰে। স্বপ্নত খাইলে পেটেৰ বেমাৰ হয়। স্বপ্নত কান্দিলে বাস্তবত আনন্দ পায়, আনন্দেৰ স্বপন দেখিলে বাস্তবত কান্দা লাগে স্বপ্নত হাতী দেখা মঙ্গলজনক। হাতীৰ পিঠিত উঠা অতি শুভ। সাপ দেখিলে বংশবৃদ্ধি হয়। কালা মাছ দেখা বেয়া। সাদা মাছ দেখা  ভাল। জলত সাতৰেয়া নদী পাৰ হওয়া, দেব মন্দিৰত যাওয়া, পাহাৰত উঠা, বাধা নিষেধ পাৰ হয়া যওয়া দেখিলে শুভ বুলিয়া ভাবা হয়।

✪✪



OKDISCD

# এই হিনমন্যতাৰ শেষ কুটাই ?

প্ৰবন্ধ

ভাগিৰথী ৰায়

আমাৰ মাতৃভাষাত অৰ্থাৎ 'ৰাজবংশী ভাষা'ত কিবা একটা যে ছাপা হয়া ওলাৰ এই কল্পনাটা কড়াৰ লগে লগে মনত একটা শিউৰানি অনুভূত হয়। 'গোৱালপৰীয়া' নামটা বাদ দিয়া আমাৰ জাতিৰ মান্‌ষি গুলাঙে এই ভাষাটাক ওৰ্ প্ৰকৃত নাম 'ৰাজবংশী ভাষা' দিয়া লেখিব, পড়িব বা গ্ৰহণ কড়িব, কতোযে আনন্দৰ কথা। কিন্তু সন্দেহ হয় আমাৰ মান্‌ষি গুলা নিজেৰ মাতৃভাষাক যথোচিত গুৰুত্ব দিব নানাই, আদৰ কাড়িব নানাই, প্ৰকৃত নামটা যে 'ৰাজবংশী' হোৱা উচিত মানি নিব না নাই ? হয় আদৰ কড়িব, কড়েবাৰ লাগিব, আত্মপোল দ্বীৰ শক্তি থাকা প্ৰত্যেকজন ব্যক্তিয়ে নিশ্চয় কড়িব। আৰ্ এই আত্মপোলব্দীৰ জৈন্য এক্‌টা আত্মসমালোচনাৰ প্ৰয়োজন। আচ্ছা, তালে আজি আমা এক্‌টা আত্মসমালোচনায় কড়ি। আৰ্ আমাৰ বিষয় হব 'হিমন্যতা', যেইটা আমাৰ দীৰ্ঘদিনেৰ অধঃগতিৰ মূল কাৰণ অৰ্থাৎ উন্নতিৰ অন্তৰায়।

'ৰাজবংশী' এই নামটা ঐ সেইদিনকাৰ্ মাত্ৰ কয়েক্‌শো বছৰ আগেৰ। মানৱ ইতিহাসত এই কয়েক্‌শো বছৰ নগণ্য। তাৰ আগত আছিলেঙ্ আমা 'কোচ'। পুড়াণি কামৰূপ বা প্ৰাগ্‌জ্যোতিষপুৰ আছিল অনাৰ্য বিশেষ কড়ি মঙ্গোলীয় জাতিৰ বাসস্থান। ঐলাঙেৰ্ ভিতিৰাত কতোগুলাঙেৰ প্ৰব্ৰজন খুব পাছত হয়, উদাহৰণস্বৰূপে আহোমগুলা (১২২৮ খৃ:)। প্ৰাক্‌ঐতিহাসিক কুনু এক্‌টা সময়তে আমাৰ কোচ বোলা মঙ্গোলীয় ঠাইল্‌টাৰ্ অষ্ট্ৰিক, দ্ৰাবিড় ইত্যাদি প্ৰব্ৰজনকাড়ীৰ লগত ৰক্তসংমিশ্ৰন হয়। আৰ্ ৰক্তসংমিশ্ৰণ হোৱা মানে সাংস্কৃতিক দিশতো মিশ্ৰণ নিশ্চয় হয়। ভাৱ, বিশ্বাস ইত্যাদিৰ সাদৃশ্যয় দেখা দেয়। কিন্তু এক্‌টা সময় পুড়াণি কামৰূপত আৰ্যগোষ্ঠীৰো প্ৰব্ৰজন হয়। নিজকে উচ্চভাৱাপন্ন আৰ আপেক্ষিকভাৱে শিক্ষিত আৰ বুদ্ধিবান বা কূটনৈতিজ্ঞ আৰ্যগুলাঙেৰ আগত স্থানীয় অনাৰ্যগুলা কম বেশি পৰিমাণে প্ৰভাৱিত আৰ নত হৌল্।





কুনু একটা জাতি প্ৰব্ৰজিত হয়া আশাৰ সময় স্বাভাৱিকতে পুৰুশেৰ থাকি নাৰীৰ সংখ্যা কম থাকে, আৰ ফলত স্থানীয় গোষ্ঠীগুলাঙেৰ লগত বৈবাহিক সমন্দ ইত্যাদিৰ দ্বাৰা ভাষা, ধৰ্ম্মবিশ্বাস, বেশ-ভূষা, ইত্যাদিত প্ৰভাৱ পৰে। অতিড়িক্ত আৰ্যধৰ্ম আৰ ভাষাৰ প্ৰতি আকৃষ্ট হোৱাৰ ভলত আমাৰ জাতিটা একসময় দেউলীয়া হয়, পাছত সাংস্কৃতিক ভাৱে। গতিকে এক সময় আমা পুড়াপুড়ি আৰ্যভাষী হয়া পড়ি, কিন্তু আজিও আমাৰ ধ্বনিগত, শব্দগত, ব্যাকৰনিক ইত্যাদি দিশত পূৰ্বেৰ আনাৰ্য ভাষাটাৰ ধ্বংসাৱশেষ বিদ্যমান। বিশ্বসিংহৰ নেতৃত্বত প্ৰতিষ্ঠা হোৱা ৰাজবংশটা যেলা নৰনাৰয়ন- চিলাৰায়েৰ সময় চড়ম গৌৰৱজ্জোল হয়া উঠিল, তখন এই জাতিটা অন্যেৰ মাজত 'ৰাজা বংশী' বুলি পৰিচিত হৌল্। 'কুবাচ' অৰ্থাৎ কু-ভাষী (অনাৰ্য-ভাষী) বুলিয়ায় হৌক্ বা অন্যকুনু কাৰণতে আমাৰ নাম কোচ হৈছে, যা হউক, হিনমন্যতাত ভুগি নিজকে আৰ্যভাষী বুলি জাহিৰ কড়াৰ জইন্যে হিন্দু ধৰ্ম-কৰ্ম, মন্দিৰ স্থাপন,শাস্ত্ৰানুবাদ ইত্যাদি কড়াৰ প্ৰৱণতাত আমাৰ ৰাজাগুলা নিমজ্জিত হয়।

কিন্তু একোটা জনগোষ্ঠীৰ উপুড়াত একটা প্ৰলেপ পড়া সম্ভৱ যুদিও ওৰ্ স্বকীয় বিশ্বাস, আচাৰ-নীতি সহজে নিঃশেষ হবাৰ নাপায়। উদাহৰণস্বৰূপে উত্তৰ-পূবেৰ অন্যান্য জনজাতীয় গোষ্ঠীৰ মতন কড়ি আমাৰ লৌকিক দেৱতা 'বুড়া-বুড়ি' ঠাকুড়েৰ প্ৰভাব এলাও জাগা বিশেষে আমাৰ সমজত দেখা যায়। পাছত অৱশ্যে হিন্দু শিৱ-পাৰ্বতিৰ লগত একাকাৰ হয়া যায়। সাপ, গাছ, শিল ইত্যাদিক পুজাৰ পৰম্পৰা আজিও আছে যুদিও এইলাঙকপুৰানোক্ত বিভিন্ন দেৱ-দেৱী যেমুন পদ্মাদেৱী ইত্যাদিৰ লগত জড়িত কৰা হয়। বিশ্লেষণ কড়িলে এলাও অনেক অনাৰ্য উপাদান আমাৰ সংস্কৃতিত দেখা যায়। কিন্তু নিজকে হিন বুলি ভাৱাৰ ফলত না আমা পুড়া আৰ্য হবাৰ্ পাইলেঙ্‌না অনাৰ্য হিশাপে নিজেৰ পড়িচয় আৰ্ অধিকাৰ অক্ষুন্ন ৰাখিবাৰ পাইলেঙ্। ফলত আজিকা আমাৰ অৱস্থা দোদুল্যমান।

এলা আশা ঘাউক পাছেৰ যুগত। ঠাকুৰ পঞ্চানন বাৰ্মা আমাৰ জাতিৰ একজন সুঃসন্তান আছিল। তখন শিক্ষিত হয়া উমা সমাজত নিজেৰ জাতিটাৰ স্থান দেখিল, হিন্দু সমাজত কোচ-ৰাজবংশীৰ স্থান নিম্ন। উমাৰ এইটা সহ্য নাহৌল আৰ্ তখনেৰ ৰাজনৈতিক আৰ্ সামাজিক অৱস্থাৰ পড়িপ্ৰেক্ষিতত ৰাজকীয় জাতিটাক আৰ্য যোদ্ধা জাতি অৰ্থাৎ 'ক্ষত্ৰিয়' বুলি পড়িচয় দিয়া ৰাজহুৱাভাৱে পইতা দোৱাইল। তথাকথিত হিন্দু ধৰ্মানুযায়ী চতুবৰ্ণৰ ব্ৰাহ্মণেৰ স্থান সগাৰে উপুড়াত, তাৰ পাছত ক্ৰমে ক্ষত্ৰিয়, বৈশ্য আৰ্ শূদ্ৰ। আৰ্ ম্লেচ্ছৰ স্থান খুবে লজ্জাজনক। তখনতো আজিকাৰ পড়িস্থিতি বা গম্‌মেন্ট খান নাছিল যে এছ্, টি ৰিজাৰ্ভেশ্যন দিব, গতিকে ঐ সময়েৰ সামাজিক অৱস্থা অনুসাড়ে জাতিটাক হিন্যতাৰ পাড়া উধিবাৰ জৈন্যে উমা এই পদক্ষেপটা গ্ৰহণ কৰি্‌ছিল।

কিন্তু আমাৰ এক গড়িষ্ঠসংখ্যক ব্যক্তি শিক্ষিতয় হউক্ বা অশিক্ষিতয় হউক্ নিজকে অনার্য বুলি স্বীকাৰ নাকড়ে আৰ্ সংকোচবোধ কড়ে। একফালে শংকৰদেৱেৰ বৈষ্ণৱ ধর্ম আড়েক ফালে চৈতন্য দেৱেৰ বৈষ্ণৱ ধর্ম, তাৰোপৰি অসমীয়া আৰ্ বাংলা ভাষাৰ সংস্পর্শ, এই বিভিন্ন কাৰণত আমাৰ সমাজখান ধার্মিক ভাষিক ইত্যাদি ক্ষেত্ৰত টুকুড়া-টুকুড়ি হয়া গেইল। ৰাজনৈতিক ভাবে অসম আৰ্ পশ্চিমবংগৰ সীমাৰ ভিতিড়াত সোমাটাও জাতিটাৰ ঐক্যত বিস্তৰ ক্ষতি কড়িল। অসমত থাকা গুলাং ৰাজ্যিক ভাষা অসমীয়াত শিক্ষাগ্ৰহণ কড়াৰ ফলত অসমীয়া ভাষা আৰ্ সংস্কৃতিৰ প্ৰতি আকৃষ্ট হয়া দৈনন্দিন জীৱনত এই লাঙেৰ ব্যৱহাৰ কড়িবাৰ ধড়িল। চিঠি পত্ৰ লেখে তাও অসমীয়াত, পাটানী নাপিন্দে, পিন্দে মেখেলা-চাদ্দৰ, সইযাফুলী আওচা ছাড়িয়া-ধলা ফুলাম গামছা ঘাড়ত লট্কায়, মেলে-মিটিঙে সম্বর্ধনা জানায়। অনুৰূপ বংগৰ অন্তর্ভূক্ত ৰাজবংশী গুলাঙো বাঙালীক অনুকৰণ কড়ে। অর্থাৎ নিজেৰ জাতি আৰ্ ভাষাটক হীন বুলি ভাবিয়া এক্টা জাতিয়ে দুইখান ৰাজ্যত দুই প্ৰকাড়ে নিজকে অসমীয়া আৰ্ বাঙালি হিশাপে প্ৰতিপন্ন কড়াৰ ব্যর্থ প্ৰয়াস কড়ি থাকিল। ফলত আমাৰ ভাষাটাৰ হবাৰ লাগা উন্নতি, বিকাশতো নাহৈলে, উল্টা 'গোৱালপাৰীয়া' বুলি এক সংকীর্ণ গণ্ডীত ভড়েয়া ভাষাটাক বিভিন্ন সময়ত আশা কল্‌তা, যুগি, মুছলীম, বামুণ আদি সম্প্ৰদায়েৰ ভাষা বুলি প্ৰচাৰ কড়া হৌল্। গোৱালপাড়া জিলায় গঠন কড়া হৈছে ১৯ শতাব্দীত, আৰ এই ভাষা তথা সংস্কৃতিটাৰ জন্মতাৰো আগতে আৰ গোৱালপাড়াৰ বাহিৰত বিস্তৃত হয়া থাকা এখান বৃহৎ সমাজত। গতিকে আমাৰ হাবুড়্ কালেৰ এই ভাষা আৰ্ সংস্কৃতিটাক কেনে একটা অর্বচীন নাম দিয়া সংকীর্ণ গণ্ডীত ভড়েয়া থুমু? অসমত ৰেডিঅ ছেন্টাৰ আড়াম্ভ হোৱা সময়ত এই 'গোৱালপাৰীয়া লোকগীত' শব্দটাৰ নামকৰণ কৰা হয়। এতে কাড়ো দোষ নাই, দোষ আমাৰ, নিজকে ৰাজবংশী বুলি পড়িচয় দিবাৰ লাজ পাই, নিজেৰ কৃষ্টি, সংস্কৃতিক ৰক্ষা কড়িবাৰ বা কুনু বিভ্ৰান্ত মতেৰ প্ৰতিবাদ কড়িবাৰ সংকোচবোধ কড়ি।

ধৰ্মীয় ৰক্ষণশীলতাও সময়ে সময়ে আমাৰ ক্ষতি কড়ি আশিছে। ইতিহাসতো এৰ অনেক দৃষ্টান্ত পাৰা যায়। যেমুন মহাপ্ৰতাপী চিলাৰায়েৰ কথায় কবাৰ পাই। যুদ্ধৰ সময়ত আহোম সৈন্য বাহিনীত অসংখ্য গো-ব্ৰাহ্মণ যোদ্ধা দেখিয়া মহাপাতকী হোৱাৰ ভয়ত যুদ্ধ নাকড়ি পাছেয়া গেইল্। অথচ ঐলাঙ্ ভূৱা ব্ৰাহ্মণবেশী আছিল বুলি পড়ে. দাশ্ পাইল্। চিলাৰায়েৰ ধার্মীক দুর্বলতাৰ কথা জানিয়ায় আহোম ৰাজায় এই চাল্‌টা চালিবাৰ পাইছে।

আইশো আমা কাড়ো পদ নাসেবি, নিজকে হিন বুলি নাভাবি, সতিয়া মাৰেৰ মতন অন্যেৰ ভাষাৰ আদৰ ছাড়িয়া আমা নিজেৰ মাতৃভাষাক আদৰ কড়ি, উদ্ধাৰ কড়ি। নিজেৰ আশল পড়িচয় কালেৰ মাটি খুড়িয়া বাইৰ, কড়ি। এইক্ষেত্ৰত সম্মিলনীৰ একজন আজীৱন নিষ্ঠাবান কর্মী আমাৰ বাবা প্ৰয়াত ওস্তাদ ৰমণী কান্ত ৰায়েৰ অবদান নিশ্চয় স্মৰণ যোগ্য। ৰাজবংশী নৃত্য-গীত, পোযাক প্ৰত্যেকটাৰে ৰক্ষণাবেক্ষণেৰ জৈন্যে অনেক কর্ম কড়ি গেইছে,





অসম ৰাজ্যিক সাংস্কৃতিক সঞ্চালয়েৰ পাড়া 'ৰাজবংশী' নৃত্য-গীত প্ৰশিক্ষক বা ওস্তাদ হিশাপেও স্বীকৃতি আদায় কড়ি গেইছে। আইশো, বহাগ বিহুত নাছাৰ আগতে বিযুৱাটাকে ভাল কড়ি পাতি, ভোগালী বিহু নাহয়, 'পুযুনা'ত সোনাৰায় মাগি, এউড়ি মাগি, কুশান গান শুনি। এতোদিনে সউগে হাড়ে ফেলাইছেঙ, যেখিনি অৱশিষ্ট আছে অখনিতো ৰক্ষা কড়ি। আমা প্ৰকৃত যোদ্ধা জাতি, হিনমন্যতা আমাৰ চৰিত্ৰৰ বৈশিষ্ট্য হোৱা অনুচিত। বন্দুক আৰ্ তড়োৱালেৰ দ্বাড়ায় নাহয়, কলম দিয়ায় আগত যুদ্ধ কড়ি **'Crisis of Indentity'** ৰ বিৰুদ্ধে নিজেৰ ভাষা-জননীক ধ্বংসেৰ মুখেৰ পাড়া ৰক্ষা কড়ি।

'জয়তু চিলাৰায়
জয়তু কোচ জাতি ভাই'।

✧✧✧



OLD ISCD

প্ৰবন্ধ

# কোচ ৰাজবংশী ভাষা-সংস্কৃতিয়ে কোচ-ৰাজবংশী জনগোষ্ঠীৰ প্ৰাচীন কালৰ ইতিহাস জীয়াই ৰাখিছে।

বিপিন বৰ্মণ।

সৰল ভাঙা আৰু চম্পা নদীৰ মধ্যস্থলৰ নিৰ্জন অৰণ্যৰ মাজত থকা ঐতিহাসিক চিক্‌না নগৰৰ প্ৰাচীন ধ্বংস স্তুপে কোচ ৰাজবংশী ৰাজত্বৰ উত্থানৰ গৌৰ বোজ্বল ইতিহাসকে আজিও সোঁৱৰাই দি আছে। হল্টুগাওঁ বন সংমণ্ডলৰ ঝাৰবাৰী ৰেঞ্জৰ গভীৰ শালনিবাৰীত অসংৰক্ষিত অৱস্থাত আছে - চিক্‌না নগৰ। চিক্‌না নগৰৰ চাৰিও ফালে সোনাবাড়ী, মহাদেব, বামনকিল্লা, বাশবাৰী, শিকাৰপুৰ আৰু নয়াগড় নামৰ স্থানবিলাকত এতিয়াও দুৰ্গৰ চিন দেখিবলৈ পোৱা যায়। সাংবিধানিক সংৰক্ষণৰ অভাৱত যেনেকৈ কোচ-ৰাজবংশী জনগোষ্ঠীৰ অস্তিত্ব বিপন্ন, ঠিক তেনেকৈ চৰকাৰী বা বেচৰকাৰী সংৰক্ষণৰ অভাৱত চিক্‌না নগৰৰ অস্তিত্বও সংকটৰ সন্মুখীন। বহু ঐতিহাসিক সমল চিক্‌না নগৰৰ পৰা পৰিকল্পিত ভাবে আঁতৰোৱা হৈছে নতুবা নষ্ট কৰা হৈছে। কোকৰাঝাৰ চহৰৰ পৰা প্ৰাচীন চিক্‌না নগৰৰ দূৰত্ব ৩২ কি:মি: উত্তৰে।

বিশ্ব সিংহৰ পিতৃ হাউৰিয়া বা হৰিদাস মণ্ডলেই এইখন ঐতিহাসিক চিক্‌না নগৰৰ স্থাপন কৰোতা বুলি ইতিহাসত লিপিবদ্ধ হৈ আছে। ইতিহাসবিদ সকলৰ মতে পৰশুৰামৰ ভয়ত আনুমানিক খৃষ্টীয় একাদশ শতাব্দীত হাউৰিয়া বা হৰিদাস মণ্ডলৰ পূৰ্ব পুৰুষ সকল চিক্‌নাঝাৰ অঞ্চলত আত্মগোপন কৰি আছিল। নিজৰ বিচক্ষনতাৰ বলত পুণৰ হাউৰিয়া বা হৰিদাস মণ্ডলৰ নেতৃত্বত চিক্‌না নগৰক কেন্দ্ৰ কৰি কোচ ৰাজ্য প্ৰতিষ্ঠা হোৱাৰ পাছত মহাৰাজ নৰনাৰায়ন আৰু বিশ্ব মহাবীৰ চিলাৰায়ে বিশাল সাম্ৰাজ্য বিস্তাৰ কৰি লবলৈ সক্ষম হয়। পৰবৰ্তী কালত বিশ্ব সিংহৰ মাতৃৰ আদেশত ৰাজধানী চিক্‌নাৰ পৰা হিঙ্গুলাবাসলৈ স্থানান্তৰিত কৰিছিল। হিঙ্গুলাবাস বৰ্তমানৰ কোচবিহাৰ নগৰৰ পৰা ২০ মাইল উত্তৰ পূবে অৱস্থিত আলিপুৰ দুৱাৰ মহকুমাৰ মহাকালগুৰিত। মহাকালগুৰিৰ হিঙ্গুলাবাস বা 'হিঙ্গুলা কোট'ৰ ধ্বংসাৱশেষে কোচ ৰাজ্যৰ ৰজা মহাৰজা সকলৰ





শাসন কালৰ সাক্ষ্য বহন কৰি আছে। পাচলৈ শাসনৰ সুচল হোৱাকৈ ৰাজধানী কোচবিহাৰলৈ স্থানান্তৰ কৰে।

কথিত আছে মৃগয়া কালত এডাল বাঁহৰ ঝেকুনি বা চিক্‌নি মাটিত প্ৰোথিত (৬ ইঞ্চি মান পুতিলৈ) কৰি তাকে ভগৱতী কল্পনা কৰি বিশু পূঁজা কৰিছিল। ফলত সেই স্থান 'চিক্‌না' নামে বিখ্যাত হৈ পৰে। এন পৰম্পৰা আজিও চিক্‌নাঝাৰ বেল্টৰ কোচ ৰাজবংশী জনগোষ্ঠীৰ সমাজত প্ৰচলিত। নষ্ট হৈ যাব নোৱাৰা শাল গছৰ খুটাৰ ৪/৫ ফুট দৈৰ্ঘৰ টুকুৰা মাটিত এফালে ৬ ইঞ্চিমান পুতিলৈ তাকে পদ্মা বা মনসা দেৱীৰ প্ৰতীক হিচাবে পূঁজা-পাতল দিয়াটো কোচ ৰাজবংশী জনগোষ্ঠীৰ সমাজত প্ৰচলিত সামাজিক পৰম্পৰা।

"ঝাৰ" কোচ ৰাজবংশী জনগোষ্ঠীয়ে ব্যৱহাৰ কৰা শব্দ। 'ঝাৰ' ৰ অৰ্থ জঙ্গল, অৰণ্য হাবি-বননি আদি। 'ঝাৰ'ৰ ইংৰাজী Forest। ৰাজপৰিয়াল পৰিত্যক্ত চিক্‌না নগৰক পাছলৈ গভীৰ অৰণ্যই আগুৰি ধৰাত ঠাই ডোখৰ পৰিচিত হৈ পৰে চিক্‌নাঝাৰ হিচাবে।

মহাৰাজ বিশ্ব সিংহই মাতৃৰ আদেশত চিক্‌নাঝাৰৰ পৰা ৰাজধানী স্থানান্তৰ কৰাৰ পাছৰ সময়ছোৱাত চিক্‌নাঝাৰত প্ৰতিপত্তি বিস্তাৰ কৰে ভূটানৰ শাসন কৰ্ত্তা অত্যাচাৰী দেৱৰাজৰ সাশনে। প্ৰবাদ মতে জাইগিৰদাৰ চিকনক এক আজব পদ্ধতিৰে ৰজা হোৱাৰ যোগ্যতা প্ৰমাণ কৰি চিক্‌নাঝাৰ অঞ্চলৰ ৰজা পাতি লয়। ভূটান ৰজাৰ আদেশত চিকন নাৰায়নে ৰাজপাট লাভ কৰাৰ সময়, বিশ্ব সিংহৰ চিক্‌নাঝাৰৰ পৰা ৰাজধানী স্থানান্তৰ কৰাৰ প্ৰায় ১০৮ বছৰ অৰ্থাৎ আজিৰ পৰা ৩৯৭ বছৰ আগৰ ঘটনা। চিকন নাৰায়ন চিদলী কোচ ৰাজবংশৰ আজি ৰজা। একাংশ ইতিদাসবিদৰ মতে মহাৰাজ চিকনৰ পৰাই চিক্‌না নামৰ উৎপত্তি। সেই সময়ৰ চিক্‌নাঝাৰ অঞ্চল আছিল গভীৰ অৰণ্য বা ঝাৰৰ মালিক বা সাসনকৰ্ত্তা আছিল মহাৰাজ চিকন। সেয়ে চিক্‌নাৰ অৰণ্য, জঙ্গল বা ঝাৰ - চিক্‌নাঝাৰ। হাউৰিয়া বা হাৰিয়া মণ্ডল আৰু মহাৰাজ চিকন নাৰায়নদেৱৰ ৰাজপাট লাভৰ ঐতিহাসিক আদি বাসস্থান - চিক্‌নাঝাৰ। অসম-বঙ্গ-বিহাৰত ৰাজনৈতিক আধিপত্য বিস্তাৰৰ হাজাৰ হাজাৰ বছৰীয়া ইতিহাসৰ স্বাক্ষৰ বহন কৰা স্মৃতি চিহ্ন সমূহৰ ভিতৰত চিক্‌নাঝাৰ এক জীৱন্ত সাক্ষী। সাম্প্ৰতিক কালৰ কোচ-ৰাজবংশী জনগোষ্ঠীৰ পুণ: জাগৰণৰ প্ৰৰণাৰ স্থল আৰু প্ৰতীক।

কোচ-ৰাজবংশী জনগোষ্ঠী অনাৰ্য্য মূলীয়। বিভিন্ন সময়ত নানানটা ৰাজশক্তিৰ উত্থানৰ জৰিয়তে ই এক হাজাৰ হাজাৰ বছৰ ধৰি উত্তৰ পুৰ ভাৰতত শাসন কাৰ্য্য চলাই অহা জনগোষ্ঠী। মহাভাৰত খ্যাত ভগদত্তৰ পৰা আৰম্ভ কৰি ৫ম শতিকাৰ সঙ্কলাদীপ, নৰকাসুৰ, ভাস্কৰ বৰ্মণ, ১৫১৭ৰ পৰা ১৫৩২ খৃষ্টাব্দ পৰ্য্যন্ত সাসন কাৰ্য্য চলোৱা মহাৰাজ বিশ্ব সিংহ, মহাৰাজ নৰনাৰায়ন, বিশ্ব মহাবীৰ চিলাৰায়, ১৯৪৮ চনৰ স্বাধীন কোচবিহাৰৰ মহাৰাজ জগদীপেন্দ্ৰ

নাৰায়ন ভূপবাহাদুৰ, কোকৰাঝাৰ জিলাৰ চিদলী ৰাজ্যৰ ৰজা আজিও নাৰায়ণ দেৱ, ৰাণী মঞ্জুলা দেৱী, বিজনী ৰাজ্যৰ ৰাজ পৰিয়াল, গুৱাহাটীৰ বেলতলাৰ ৰাজপৰিয়াল কোচ-ৰাজবংশী জনগোষ্ঠীৰ। প্ৰাগজ্যোতিষপুৰ, গৌড়নগৰ, কামৰূপ, কমতাপুৰ, কোচ ৰাজ্য কোচ-ৰাজবংশী নৃপতি সকলৰ সৃষ্টি।

হাজাৰ হাজাৰ বছৰ জুৰি যুদ্ধ বিগ্ৰহত জড়িত হৈ অহা কোচ ৰাজবংশী জনগোষ্ঠী আজিৰ একবিংশ শতিকাত বিশুদ্ধ হৈ থকা নাই। নানা জাতি উপজাতিৰ লগত সংমিশ্ৰিত হৈ বৰ্ত্তমানৰ পৰ্য্যায় পাইছে। পাশ্চাত্যৰ জাতিতত্ববিদ সকলে কোচ ৰাজবংশী জনগোষ্ঠীক কোনোৱে মঙ্গোলীয়, কোনোৱে দ্ৰাবিড় আৰু কোনোৱে নিগ্ৰো বংশোদ্ভৱ বুলি কৈ গৈছে।

কোচ ৰাজবংশী জনগোষ্ঠী ব্ৰহ্মপুত্ৰ উপত্যকাৰ প্ৰাচীনতম জনগোষ্ঠী। আজিৰ কোচ নামটো অতীতৰ প্ৰব্ৰজনকাৰী আৰ্য্য কসলে দিয়া কবচ বা কুবাচ নামৰ ৰূপান্তৰ। কবচ বা কুবাচ সকলৰ উল্লেখ ঋগবেদত পোৱা যায়। বেদৰ প্ৰধান অনুষ্ঠান যজ্ঞ বৈদিক আৰ্য্য সকলে ইহকাল পৰাকালৰ মঙ্গল কামনা কৰি আয়োজন কৰিছিল। কিন্তু ভাৰতৰ অবৈদিক তথা অনাৰ্য্য সকলৰ মাজত যাজ্ঞিক অনুস্থানৰ প্ৰচলন নাছিল। পণি আৰু কবচবিলাকে বেদৰ পুৰোহিতক অমান্য কৰাৰ কথাও বেদত লিবিবদ্ধ হৈ আছে। নানান কাৰণত আদিম কালতে জাতিগত সংমিশ্ৰণ আৰম্ভ হৈছিল। ফলত পণি আৰু কবচৰ সুকীয়া সুকীয়া পৰিচিতিৰ পৰিবৰ্তে সৃষ্টি হল - পানি কোচৰ।

আৰ্য্য-অনাৰ্য্যৰ সংঘাত প্ৰাগবৈদিক যুগৰ সৃষ্টি। সেয়ে অনাৰ্য্য কবচ বা কুবাচ বিলাকক আৰ্য্যবিলাকে মৃদ্ধবাচ বা কুৎসিত ভাষাভাষী বুলি নিন্দ কৰিছিল। প্ৰাচীন কালৰ বেদ, উপনিষদ, ৰামায়ন, মহাভাৰত সমূহ আৰ্য্য লেখক সকলৰ দ্বাৰ ৰচিত। আৰ্য্য লেখক সকলে অনাৰ্য্য মূলীয়া জনগোষ্ঠীবিলাকক তেওঁলোকৰ লিখনিত উল্লেখ কৰি গৈছে - ম্লেচ্ছ, অসুৰ, ৰাক্ষস, দৈত্য-দানৱ আদি আখ্যাদি। অনাৰ্য্য কোচ সকলেও এনে ধৰণৰ বিযেণৰ দ্বাৰা বিভূষিত।

"প্ৰাগজ্যোতিষ" শব্দটো আৰ্যী কৰণ কৰা হৈছে বুলি গবেষক সকলে স্বীকাৰ ক ৰি গৈছে। গবেষক সকলৰ মতে প্ৰাগজ্যোতিষ শব্দটো কেতবোৰ অনাৰ্য্য শব্দৰ সমষ্টি। তেওঁলোকৰ মতে প্ৰাগজ্যোতিষ শব্দৰ অৰ্থ-দীঘল আৰু ওখ পৰ্বতমালা। পাগাৰ অৰ্থ পৰ্বত, জ্যো, জুহ অৰ্থ ওখ, তিক্‌তিছ্ অৰ্থ দীঘল। কিন্তু গবেষক সকলৰ কোনো এজনেও চেষ্টা নচলালে এই অনাৰ্য্য শব্দটো কোন অনাৰ্য্য জনগোষ্ঠীৰ। এই সত্যটোৰ অন্তৰালও ৰহস্য ঘনীভুত হৈ আছে। কাৰণ অসমৰ ইতিহাসবিদ বা গবেষক সকল পক্ষপাতিত্বৰ পৰা মুক্ত নহয়।



"প্ৰাগজ্যোতিষ" শব্দটো মূলত: কোচ ৰাজবংশী শব্দ। পাগাৰ গুদিৰ পৰা সৃষ্টি। পাগাৰ অৰ্থ পাহাৰ আৰু গুদি অৰ্থ বিলাক বা বোৰ (বহু বচনত ব্যৱহাৰ কৰে) অৰ্থাৎ পাহাৰবিলাক। গুৱাহাটী মহানগৰীৰ চৌপাশে সৰু বৰ বহু পাহাৰ। এই পাহাৰ বিলাকৰ মাজতে প্ৰাগজ্যোতিষপুৰ নগৰ আছিল। ইয়াৰ আদিম বাসিন্দা কোচ ৰাজবংশী জনগোষ্ঠী। আদিম বাসিন্দাৰ ভাষা-সংস্কৃতিৰ প্ৰভাৱ স্বাৰাজ্য পৰিলক্ষিত হয়। দৃষ্টান্ত-গুৱাহাটী। গুৱাহাটী শব্দটোত কোচ ৰাজবংশী শব্দ। কোচ ৰাজবংশী সমাজত তামোল "গুৱা" বুলিহে পৰিচিত। প্ৰাচীন কালত তাত গুৱাৰ (তামোলৰ) হাট (বজাৰ) বহিছিল। যৰ পৰা খাচিয়া সকলে পাহাৰৰ পৰা ভৈয়ামলৈ নামি আহি গুৱা (তামোল) সংগ্ৰ কৰি লৈ গৈছিল। গুৱা-পাণ কোচ ৰাজবংশী সমাজৰ অতি প্ৰয়োজনীয় সামগ্ৰী। বিয়া-সবাহ, পূঁজা পাৰ্বন, অতিথি আপ্যায়ন আদিত গুৱা-পাণৰ গুৰুত্ব অসীম।

আৰ্য্য সকলৰ আগমনৰ আগতে উৰিষ্যাৰ ফালেদি কোচ ৰাজবংশী জনগোষ্ঠীৰ দ্ৰাবিড় সকলৰ সংস্পৰ্শলৈ আহে। সাম্প্ৰতিক কালৰ কোচ ৰাজবংশী জনগোষ্ঠীৰ প্ৰতিবেশী হ'ল পশ্চিম বঙ্গৰ বাংলাভাষী ৰাইজ। প্ৰাচীন কালত কোচ ৰাজবংশী জনগোষ্ঠীৰ ওচৰ চুবুৰীয়া আছিল মিথিলাৰ হিন্দীভাষী ৰাইজ। তেতিয়া কোচ ৰাজ্যৰ সীমা আছিল মিথিলা। ফলত কোচ ৰাজবংশী জনগোষ্ঠীৰ সমাজ ব্যৱস্থাত কোনৌঞ্জী ব্ৰাহ্মণৰ প্ৰাধান্য বিস্তাৰ লাভ কৰাৰ লগে লগে কোচ ৰাজবংশী সমাজ ব্যৱস্থাত সোমাই পৰে মৈথেলী আৰু ভোজপুৰী ভাষা সংস্কৃতি। সেয়ে ৭ম শতিকাত কামৰূপ ভ্ৰমণলৈ অহা চীনা পৰিব্ৰাজক হিউয়েন্‌চাঙে তেওঁৰ ভ্ৰমণ বৃত্তান্তত লিপিবদ্ধ কৰি থৈ গৈছে কামৰূপৰ ভাষাৰ লগত মধ্য ভাৰতৰ ভাষাৰ বহু সাদৃশ্য আছে বুলি। পূঁজা-পাৰ্বন মহাৰজা সকলে কোচ ৰাজ্যলৈ কাশী, কনৌজ আদিৰ পৰা ব্ৰাহ্মণ আৰু কায়স্থ আনি নিজ ৰাজ্যত মাটি-বাৰী দি সংস্থাপিত কৰিছিল।

"চিদলী" কোচ ৰাজবংশী শব্দ। এখন ক্ষুদ্ৰ কোচ ৰাজ্যৰ নাম। বৰ্তমানৰ কোকৰাঝাৰ আৰু বঙ্গাইগাওঁ জিলাৰ কিছু অংশকলৈ চিদলী ৰাজ্য আছিল। ৰাজপৰিয়ালৰ বংশধৰ সকল আজিও বিদ্যাপুৰৰ ৰাজবাৰীতে বসবাস কৰি আছে। বিদ্যাপুৰৰ ৰাজবাৰী বাসুগাওঁ চহৰৰ পৰা ৮/৯ কি:মি: মান দক্ষিণে। "চিদলী" ৰাজ্যখন ভূটানৰ পাদদেশত অৱস্থিত হোৱা বাবে চিদলী ৰাজ্যৰ ৰজা আৰু ভূটানৰ ৰজাৰ মাজত প্ৰায়ে যুদ্ধ-বিগ্ৰহ হৈছিল। কেতিয়াবা কোচ ৰজাই ভূটানৰ ৰজাক যুদ্ধত পৰাস্ত কৰে আৰু কেতিয়াবা কোচ ৰজাই ভূটানৰ লগত যুদ্ধত পৰাযজ বৰণ কৰি ভূটিয়া ৰজাৰ কৰতলীয়া হব লগাত পৰে। এটা সময়ত কোচ ৰাজ্যৰ কোনোবা এজন ৰজাই টকাৰ পৰিবৰ্তে চিদ্‌ল মাছকে কৰ হিচাবে ভূটানৰ ৰাজকৰ্মচাৰীৰ জৰিয়তে ভূটিয়া ৰজাক আদায় দিছিল। চিদ্‌ল মাজৰ জুতি পাই ভূটানৰ ৰজাই প্ৰায়ে সেইজন প্ৰজাৰ পৰা চিদ্‌ল মাছ সংগ্ৰহ কৰি লৈ গৈছিল। তেতিয়াৰ পৰাই সেইজন প্ৰজা থকা স্থানৰ নাম চিদ্‌লী হিচাবে বিখ্যাত হৈ পৰে আৰু পাছলৈ ভূটিয়া ৰজাই ৰাজ্যখনৰো "চিদ্‌লী"



OKDISCD

নামেৰে নামকৰণ কৰে। শুকান মাছৰ গুৰিৰে বনোৱা সুস্বাদু "চিদল" ভূটিয়া ৰজাৰ প্ৰিয় খাদ্য হৈ পৰিছিল। বড়ো ভাষাত "চিদ্‌ল" মাছক না ফাম বুলি কয়।

বৰ্তমানৰ কোকৰাঝাৰ এসময়ত "ককৰাঝাৰ" আছিল। ৫০ বছৰ মান আগৰ কোকৰাঝাৰ আশে পাশে গভীৰ শালনিবাৰী আছিল। শালনিবাৰী ইমানে ঘন আছিল যে হাতী-ঘোঁৰা প্ৰবেশ কৰাটো শম্ভৱপৰ নাছিল। অৰ্থাৎ ঝাৰখন (ইংৰাজী-Forest) কৰকৰ (ঘন) শাল গছেৰে পৰিপূৰ্ণ আছিল। "কোকৰাঝাৰ" কৰকৰাঝাৰৰ পৰিবৰ্তিত ৰূপ। কৰকৰ আৰু ঝাৰ শব্দ দুটা কোচ ৰাজবংশী শব্দ। কোকৰাঝাৰ জিলাৰ নামৰ উপৰিও সদৰ চহৰ খনৰ নামো কোকৰাঝাৰ। ই পূৰ্বৰ বিজনী কোচ ৰাজ্যৰ অৰ্ন্তভূক্ত। বিজনীৰ কোচ ৰজাই ৰাজস্ব সংগ্ৰহৰ বাবে স্থাপন কৰা তহচিল অফিচ কোকৰাঝাৰ চহৰত অসম সাহিত্য সভা ভৱন আৰু কংগ্ৰেছ ভৱনৰ সোমাজত আজিও অৱস্থিত।

পূবৰ অবিভক্ত গোৱালপাৰা জিলাখন ১৬টা পৰগনাত বিভক্ত আছিল। তাৰে এটাৰ নাম খুটা ঘাট পৰগনা। কোচ-ৰাজবংশী ভাষাত কাঠক খুটা বুলি কয়। কোকৰাঝাৰ জিলা খুটা ঘাট পৰগনাৰ অন্তৰ্গত।

উজনি অসমৰ নদ-নদীৰ নামৰ লগত বড়ো শব্দ জৰিত হৈ আছে। যেনে দিখৌ, দিচাং, ভোগদৈ আদি। কিন্তু প্ৰাচীন প্ৰাগজ্যোতিষপুৰ, কামৰূপ, কমতাপুৰ আৰু অন্তিমকালৰ (১৯৫৬ চনলৈ) কোচ ৰাজ্যৰ নদ-নদীৰ নামৰ লগত কোচ ৰাজবংশী জনগোষ্ঠীয়ে ব্যৱহাৰ কৰা শব্দ যুক্ত হৈ আছে। যেনে - শামুকা নদী। কোচ ৰাজবংশী ভাষাত "শামুক"ক শামুকা বুলি কয়। শামুকা নদীৰ পানী ইমান চেচা আৰু নিৰ্মল যে জীৱন্ত শামুকৰ খোলাৰ ইভতৰৰ পৰা ওলাই এহা পানীৰ দৰে চেচা আৰু ফটফটীয়া। সেয়ে এই অঞ্চলৰ আদিম অধিবাসী কোচ ৰাজবংশী জনগোষ্ঠীয়ে নদী খনৰ নাম ৰাখে শামুকা। তাৰং নদী। তাৰং তৰা শব্দৰ পৰা ৰূপান্তৰহৈ তাৰং হৈছে। তৰাথ অৰ্থ অগভৰ। অগভীৰক কোচ ৰাজবংশী ভাষাত তৰা বুলি কয়। বহু বছৰ আগতে তাৰং নদীখন গভীৰো নাছিল বহলো নাছিল।

ধুবুৰীয়ে নিতাই ধুবুনীৰ নামকে জীয়াই ৰাখিছে। নিতাই ধুবুনীয়ে ব্ৰহ্মপুত্ৰৰ পাৰত কাপোৰ ধুই থকা সময়ত লগত নিয়া সৰু লৰাটোৰে ধোৱা কাপোৰত ধুলি বালি দি পুণৰ লেতেৰা কৰি থকাত একে কামকে বাৰে বাৰে কৰিব লগাত অতীষ্ঠ হৈ নিতাই ধুবুনীয়ে মুখেৰে মন্ত্ৰ মাতি নিজ লৰাক অচেতন কৰি ৰাখে। কাপোৰ ধোৱা কাম শেষ হোৱাত পুণৰ মুখেৰে সন্ত্ৰ মাতি লৰাজনক জীয়াই তুলি নিয়া কাৰ্য্যটো দূৰৰ পৰা বেউলাই নিৰিক্ষণ কৰি আছিল। অৱশেষত বেউলাৰ কাতৰ অনুৰোধত নিতাই ধুবুনীৰ সহায় সহযোগত লখিন্দৰে পুণৰ জীৱন লাভ কৰাত সমৰ্থ হয়।





বেউলা লখিন্দৰৰ কৰুণ কাহিনীৰ প্ৰভাৱ কোচ ৰাজবংশী জনগোষ্ঠীৰ সমাজত আজিও সজীৱ হৈ আছে। প্ৰতি ঘৰ গৃহস্থই লৰা বা ছোৱালী বিয়া দিয়াৰ আগদিনাখনৰ পৰা পদ্মা বা বিষহাৰক সন্তুষ্ট কৰাৰ মানসেৰে ছাগলী বলিৰে সৈতে পদ্মা পূঁজা কৰে। চহকী গৃহস্থই পদ্মাস্থানত "মধুচ" স্থাপিত কৰি তিনি দিনীয়াকৈ আৰু সৰ্বসাধাৰণ গৃহস্থই এদিনীয়াকৈ পদ্মাস্থানত "টেপাৰী" স্থাপন কৰি পূঁজা দিয়াটো নিয়ম। উদ্দেশ্য যাতে সৰ্প দংশনৰ পৰা হাত সাৰি থাকিব পাৰে। কাৰণ আগৰ দিনত অসমত সাপৰ সকলো ঠাইতে মুক্ত বিচৰণ আছিল। পদ্মা পূঁজা সমাপ্তিৰ শেষত ব্ৰাহ্মণে বিবাহ কাৰ্য্য বেদৰ বিধি মতে সম্পন্ন কৰে।

প্ৰাগজ্যোতিষপুৰ কামৰূপ - কমতাপুৰ কোচ ৰাজ্যৰ নদ-নদীয়ে, পাহাৰ-পৰ্বতে, মঠ-মন্দিৰে, ঐতিহাসিক স্থানে, ঠাইৰ নামে, উৎসৱ-পাৰ্বনে, নৃত্য-গানে, কলা-কৃষ্টিয়ে, খাৱন-লোৱানে, পিন্ধান-উৰনে আৰু ভাষা-সংস্কৃতিয়েকোচ-ৰাজবংশী জনগোষ্ঠীৰ প্ৰাচীন কালৰ ইতিহাস জীয়াই ৰাখিছে।

✤ ✤ ✤

OKDISCD

# জনজাতিৰ তালিকাভুক্তিৰ পম খেদি

প্ৰবন্ধ

ডাঃ দুৰ্ল্লভ চমুৱা

বড়ো, বড়োকছাৰী, ৰাভা তিৱা, মিচিং আদিকৰি অসমৰ ভূমিপুত্ৰ সকলৰ একাংশক ভাৰতৰ সংবিধানৰ অধীনত তালিকাভুক্ত (Scheduled) কৰি তেখেতসকলৰ অধিকাৰ সমূহ স াংবিধানীক ভাবে-ৰক্ষণাবেক্ষনৰ ব্যৱস্থা কৰিলে যদিও কোচ ৰাজবংশী, চুতীয়া, মৰান মটক, শৰনীয়া আদি কৰি আন একাংশ ভুমিপুত্ৰক সংবিধানৰ অধীনত তালিকা ভুক্ত নকৰি তালিকাবৰ্হিভূক্ত কৰি ৰক্ষাৰ ফলত একেলগে যুগ যুগ ধৰি বাস কৰি থকা ভুমিপুত্ৰ সকলৰ সমবিকাশ আৰু সমঅধিকাৰত সাংবিধানিক ভাবেই বাধা আহি পৰা পৰিলক্ষিত হৈছে। ইফালে দেশী বিদেশী প্ৰব্ৰজনৰ পৰা সুৰক্ষিত হবলৈ কোবাল সোঁত নিজ নিজ জনগোষ্ঠীৰ অস্তিত্ব সংকট পূৰ্ণ হোৱাৰ আশংকাত সাংভিধানিক ভাবেই এক ৰক্ষা কবচ বিচাৰি বিভিন্ন জনগোষ্ঠীয়ে তালিকা ভুক্ত হব বিছাৰিছে। জনজাতিৰ তালিকাভুক্ত হলে মদ, গাহাৰী খাবলাগিবনেকি জনাজাতিৰ তালিকাভুক্ত হলে তললৈ যাব নেকি?

তললৈ মানে তলৰজাতলৈ যাবনেকি? জনজাতিৰ তালিকাভুক্ত হলে কোনো এটা জনগোষ্ঠী তললৈ নাযায়। তালিকাভুক্ত হোৱাৰ পাছত Medical College ত বা Engineering কলেজত তালিকা ভুক্ত জনজাতিৰ বাবে সংৰক্ষিত আসনত ভৰ্ত্তি হৈ কোনো এজন লোক ডাক্তৰ হলে বা ইঞ্জিনিয়াৰ হলে তেওঁ তললৈ যাবনৈ ওপৰলৈ যাব। বা তালিকাভুক্ত জনজাতিৰ বাবেসংৰক্ষিত আসনত A.C.S. Officer বা I.A.S. অফিচাৰ হলে সেই লোক জন তললৈ যাবনে ওপৰলৈ যাব। জাতত একে থাকিলেও সামাজিক আৰু অৰ্থনৈতিক ভাবে আগবাঢ়ি যাব। ইফালে গাহৰী আৰু মদ খালেহে জনজাতিৰ তালিকা ভুক্ত হব পাৰিব বুলি কোনো কথা নাই। মহাৰাষ্ট্ৰ, ৰাজস্থান আদি ৰাজ্যত বহু হিন্দু ধৰ্মৰ লোকে মদ বা গাহৰী নোখোৱাকৈয়ে জনজাতিৰ তালিকাভুক্ত হৈ আছে। সেই দৰে





অসমৰ তিৱা, বড়ো, মিচিং আদি তালিকা ভুক্ত জনজাতি সকলৰ একাংশই নামঘৰ সাজি হিন্দু ধৰ্ম গ্ৰহন কৰি মদ, গাহৰী নোখোৱাকৈয়ে জনজাতিৰ তালিকাভুক্ত হৈ আছে। আৰু একাংশই খৃষ্টান ধৰ্ম গ্ৰহণ কৰিও তালিকাভুক্ত হৈ আছে। এনেবোৰ ভুল ধাৰণা এতিয়া আতৰ হোৱা দেখা গৈছে আৰু সেয়ে অসমৰ প্ৰায় সকলো তালিকা বৰ্হিভুক্ত জনজাতিয়ে জনজাতিৰ তালিকাভুক্ত হবলৈ দাবী উত্থাপন কৰি সংগ্ৰামত ব্ৰতি হৈছে।

## *কোনো এটা জনগোষ্ঠী জনজাতিৰ তালিকাভুক্ত কৰিবলৈ কি কি অৰ্হতাৰ প্ৰয়োজন ঃ*

কোনো এটা জনগোষ্ঠীক জনজাতিৰ তালিকা ভুক্ত কৰাৰ ক্ষমতা কেন্দ্ৰীয় চৰকাৰৰ। কেন্দ্ৰীয় চৰকাৰে সংসদত আইন প্ৰনয়নৰ যোগেদি সংবিধানৰ সংশোধন ঘটাই কোনো এটা জনগোষ্ঠীক জনজাতিৰ তালিকাভুক্ত কৰিব পাৰে।

সেয়ে এটা জনগোষ্ঠীক জনজাতিৰ তালিকাভুক্ত কৰিবলৈ হলে তলত উল্লেখ কৰা অৰ্হতা সমূহ সেই সেই জনগোষ্ঠীয়ে পূৰণ কৰিব লাগিব।

১। নিৰ্দিষ্ট জনগোষ্ঠীটো বসবাস কৰা ৰাজ্যিক চৰকাৰৰ অনুমোদন।

২। সেই ৰাজ্যত থকা T.R.I. (Tribel Reseurch Institue) (জনজাতি গবেষনা কেন্দ্ৰই) সম্পূৰ্ণ প্ৰতিবেদন সহঅনুমোদন জনাব লাগিব। সেই প্ৰতিবেদনত জনগোষ্ঠীটোৰ (i) Primitive Traits- (2) Distinctive culture (3) Geographical Isolation, (4) Backwardness (5) Contact of Shyness এই পাচোঁটা বিষয়ৰ ওপৰত অনুমোদন জনাব লাগিব –

৩। Registar General of India (ভাৰতৰ মহাপঞ্জিয়ক) অনুমোদন জনাব লাগিব

৪। ভাৰত চৰকাৰৰ অধীনস্থ National Commission for ST & S.C. য়ে অনুমোদন জনাব লাগিব।

৫। সংসদীয় স্থায়ী কমি টি অৰ্থাৎ Parliamentary Standing Committee for Labour and Welfare under Tribal Ministry of India ৰ দ্বাৰা অনুমোদিত হব লাগিব।



OKDISCD

ইয়াৰ পাছত ভাৰত চৰকাৰৰ Cabinet ৰ অনুমোদন লৈ সংসদত বিল উত্থাপন কৰি সংসদৰ অনুমোদন ক্ৰমে কোনো এটা জনগোষ্ঠীক জনজাতিৰ তালিকা ভুক্ত কৰিব পাৰে।

আনহাতে ওপৰত উল্লেখ কৰা সংস্থা সমূহৰ অনুমোদন সাপেক্ষে ভাৰতৰ ৰাষ্ট্ৰপতিয়ে অধ্যাদেশ যোগে কোনো এটা জনগোষ্ঠীক ভাৰতৰ সংবিধানৰ ৩৪২ (1) ৰ বিধিৰ অধীনত জনজাতিৰ তালিকাভুক্ত কৰিব পাৰে। এনেদৰে অধ্যাদেশ যোগে জনজাতিৰ তালিকা ভুক্ত কৰাৰ পাছত উক্ত অধ্যাদেশ খন ভাৰতৰ সংবিধানৰ অধীনৰ ৩৪২ (2) বিধীমতে কেবল সংসদেহে চূড়ান্ত অনুমোদন বা সংশোধন বা বাতিল কৰিব পাৰে। অধ্যাদেশৰ ম্যাদ স্বাভাৱিকতে ৬মাহ আৰু এই ছয় মাহৰ ভিতৰত সংশ্লিষ্ট কেন্দ্ৰীয় চৰকাৰে অধ্যাদেশখন সংসদত Bill হিচাপে উত্থাপন কৰাটো নিয়ম।

অসমৰ কোচৰাজবংশী জনগোষ্ঠীৰ জনজাতিৰ তালিকা ভুক্তিৰ পম খেদি দেখা যায় যে ওপৰত উল্লেখ কৰা সকলো সংস্থাই অনুমোদন জনোৱাৰ পাছত ভাৰতৰ ৰাষ্ট্ৰপতিয়ে ১৯৯৬ চনৰ ২৭ জানুৱাৰীত অধ্যাদেশ নং ৯, ১৯৯৬ যোগে পোন প্ৰথম বাৰৰ বাবে জনজাতিৰ তালিকাভুক্ত কৰিছিল আৰু পাছত অধ্যাদেশ নং - ১৯, ১৯৯৬, অধ্যাদেশ নং-৩০, ১৯৯৬, অধ্যাদেশ নং-৩,১৯৯৭ জাৰি কৰি জনজাতিৰ তালিকাভুক্ত কৰিছিল যদিও অধ্যাদেশ নং ৩,১৯৯৭ খন নবীকৰনো নকৰিলে সংসদত প্ৰয়োজনীয় বিল উত্থাপনো নকৰি সেই সময়ৰ প্ৰধান মন্ত্ৰী ইন্দ্ৰকুমাৰ ওজৰাল নেতৃত্বধীন সংযুক্ত মৰ্চা চৰকাৰে সংবিধানৰ ৩৪২ (২) বিধি-অৱমাননা কৰি এই জনগোষ্ঠীক প্ৰতাৰণা কৰিলে। উল্লেখ কৰা ভাল হব যে সেই সময়ৰ সংযুক্ত মৰ্চা চৰকাৰত অগপ দলৰ ফালৰ পৰা কেন্দ্ৰত কেবিনেট পৰ্য্যায়ৰ মন্ত্ৰী হিচাবে শ্ৰীবীৰেন্দ্ৰ প্ৰসাদ বৈশ্য আৰু ৰাজ্যিক পৰ্য্যায়ৰ মন্ত্ৰী হিচাপে প্ৰয়াত মহিৰাম শইকীয়া দেৱে কাৰ্য্যনিৰ্বাহ কৰিছিল। তদুপৰি সেই সময়ৰ সংযুক্ত মৰ্চা চৰকাৰত সৰ্বোচ্চ নীতি নিদ্ধাৰণত কৰ্ণধাৰ সমিতিৰ অন্য তম সদস্য হিচাবে সেই সময়ৰ অসমৰ মুখ্য মন্ত্ৰী শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তই কাৰ্য্যনিৰ্বাহ কৰিছিল। দুজনকৈ কেন্দ্ৰীয় চৰকাৰৰ মন্ত্ৰী থকাৰ উপৰিও অসমৰ মুখ্য মন্ত্ৰীজন সৰ্বোচ্চ নিতি নিদ্ধাৰক কৰ্ণধাৰ সমিতিৰ সদস্য হোৱাৰ পাছতো অধ্যাদেশ খনৰ ম্যাদ উকলি যোৱাটো এটা জনগোষ্ঠীৰ বাবে অতি বেদনাদায়ক আৰু কোচ ৰাজবংশী জনগোষ্ঠীয়ে এই বেদনা নিশ্চয় পাহৰিব নোৱাৰিব। বৰ্তমানো BJP নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে সংবিধানৰ ৩৪২ (২) ধাৰাটো অৱমাননা কৰি অহাটো অতি পৰিতাপৰ বিষয়। ভাৰতবৰ্ষৰ ইতিহাসত এনেধৰনেৰে পৰিকল্পিত ভাৱে কৰা প্ৰতাৰনাৰ উদাহৰন কোচৰাজবংশীৰ বাহিৰে দ্বিতীয়টো বিচাৰি পাবলৈ নাই।





## অসম চৰকাৰৰ অনুমোদন

১৯৬৭ চনৰ পৰা একেৰাহে দাবী জনাই অহাৰ পাছত ১৯৮১ চনত অসমৰ কোচৰাজবংশী সকলৰ সেই সময়ৰ কেন্দ্ৰীয় চৰকাৰে অসম চৰকাৰৰ মতামত বিছাৰি চিঠি প্ৰেৰণ কৰে। সেই চিঠিৰ ওপৰত ১৯৮৬ চনৰ ৩ নভেম্বৰ তাৰিখে সেই সময়ৰ শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত নেতৃত্বাধীন অগপ চৰকাৰে "অসমৰ তালিকাভুক্ত জনজাতিৰ তালিকাখনৰ কোনো সংশোধনী নালাগে" বুলি প্ৰতিবেদন পঠাই কোচ ৰাজবংশী সকলৰ জনজাতি কৰণৰ সপক্ষে অনুমোদন নজনালে। "The State Govt. donot favour any change in the list of seheduled caste and seheduled Tribes of Assam." ইয়াৰ পাছত ১৯৯৩ চনৰ ৩ জুলাই তাৰিখে সেই সময়ৰ প্ৰয়াত হিতেশ্বৰ শইকীয়া নেতৃত্বাধীন কংগ্ৰেছ চৰকাৰে কোচৰাজবংশী, টাই আহোম, মৰানমটক চুতীয়া আৰু চাহ আৰু প্ৰাক্তন চাহ জনগোষ্ঠীক জনজাতিৰ তালিকা ভুক্ত কৰিবলৈ অনুমোদন জনায় যদিও অসম চৰকাৰৰ অধীনস্থ জনজাতি গবেষনা কেন্দ্ৰই (TRI) প্ৰস্তুত কৰা প্ৰতিবেদনত জনজাতিৰ তালিকাভুক্তিৰ বাবে প্ৰয়োজনীয় অৰ্হতা নাই বুলি উল্লেখ কৰি প্ৰতিবেদন প্ৰেৰন কৰে।

এফালে অসম চৰকাৰৰ অনুমোদ আৰু আনফলে TRI অইতা নাই বুলি অনুমোদন জনোৱা প্ৰতিবেদন পোৱাৰ পাছত কেন্দ্ৰীয় চৰকাৰে ১৯৯৩ চনৰ ৫ আগষ্টত চিঠি নং-১২০১৬/১৭/৮১-SCD (R-Cell) যোগে এনে ধৰণৰ বিপৰীত ধৰ্মী প্ৰতিবেদনৰ ওপৰত পুনৰ মতামত বিচাৰে।

ইয়াৰ পিছত অসম চৰকাৰে জনজাতি গবেষনা কেন্দ্ৰ পুনৰ ক্ষেত্ৰভিত্তীক (Field Survey) কৰি প্ৰতিবেদন দিবলৈ কয় আৰু জনজাতি গবেষনা কেন্দ্ৰই কেইবাজনো গবেষনা বিষয়াৰ (Research Officer) দ্বাৰা ক্ষেত্ৰ ভিত্তিক পৰীক্ষা নিৰীক্ষা কৰি প্ৰয়োজনীয় ৫টা অৰ্হতা আছে বুলি প্ৰতিবেদন দাখিল কৰে আৰু সেই প্ৰতিবেদনৰ পাছত অসম চৰকাৰেও ৯-৮-৯৪ তাৰিখে চিঠি নং TAD/ST/98/92/100 যোগে অসমৰ কোচৰাজবংশী সকলোক জনজাতি তালিকাভুক্ত কৰিবলৈ চূড়ান্ত অনুমোদন জনায়। ইয়াৰ পাছত কেন্দ্ৰীয় চৰকাৰে, জনজাতি গৱেষনা কেন্দ্ৰই এবাৰ অৰ্হতা আছে আৰু এবাৰ নাই বুলি প্ৰতিবেদন প্ৰেৰণ কৰাৰ কাৰণ বিছৰাত অসম চৰকাৰে পুনৰ ১৯৯৫ চনৰ ২৭ ফেব্ৰুৱাৰী তাৰিখে জনজাতি গৱেষনা কেন্দ্ৰৰ শেহতীয়া প্ৰতিবেদন খন Field Survey databased, More representative to Project the Actual Ground Situation বুলি মন্তব্য কৰি চিঠি নং TAD/ST/98/92 যোগে অনুমোদন জনাই প্ৰতিবেদন প্ৰেৰণ কৰে। Registar General of India ৰ অনুমোদন ঃ- ১৯৯৫ চনৰ ২৭ ফেব্ৰুৱাৰীৰ

স্মৃতি গ্ৰন্থ

প্ৰতিবেদন ৭৭ পোৱাৰ পাছত কেন্দ্ৰীয় চৰকাৰ Registar General of India (ভাৰতৰ মহাপঞ্জিয়কৰ) মতামত বিচাৰি চিঠি প্ৰেৰন কৰে আৰু ভাৰতৰ মহাপঞ্জিয়কে (R.G.I) ২১.৮.৯৫ তাৰিখে অনুমোদন জনাই কেন্দ্ৰীয় চৰকাৰলৈ প্ৰতিবেদন দাখিল কৰে।

অধ্যাদেশ- ইয়াৰ পাছতে সেই সময়ৰ প্ৰধান মন্ত্ৰী শ্ৰীনৰসিংহ ৰাও নেতৃত্বাধীন কংগ্ৰেছ চৰকাৰে কেবিনেটৰ সিদ্ধান্ত মৰ্মে ভাৰতৰ ৰাষ্ট্ৰপতিলৈ অধ্যাদেশ জাৰি কৰিবৰ বাবে প্ৰেৰণ কৰে আৰু ভাৰতৰ মহামান্য ৰাষ্ট্ৰপতি মহোদয়ে সকলো দিশ চালি জাৰি চাই ১৯৯৬ চনৰ ২৭ জানুৱাৰী তাৰিখে পোনপ্ৰথম বাৰৰ বাবে অধ্যাদেশ নং- ৯,১৯৯৬ খন বলবৎ কৰি অসমৰ কোচ ৰাজবংশী, সকলক জনজাতিৰ তালিকাভুক্ত কৰিছিল আৰু পিছত ৩বাৰ সৰ্বমুঠ ৪ বাৰ নবী কৰণ কৰিছিল।

*কেন্দ্ৰীয়* O.B.C. *তালিকাৰ পৰা নাম কৰ্তন ঃ*

জনজাতিৰ তালিকাভুক্ত হোৱাৰ লগে লগেই কেন্দ্ৰীয় চৰকাৰ কেন্দ্ৰীয় O.B.C. তালিকাৰ পৰা কোচ ৰাজবংশীৰ নাম কৰ্তন কৰে আৰু বৰ্ত্তমানো কেন্দ্ৰীয় O.B.C. তালিকাত কোচ ৰাজবংশীৰ নাম অন্তভুক্ত হোৱা নাই।

*সংসদত চৰকাৰী* BILL *উত্থাপন ঃ*

দশম লোকসভাত অধ্যাধেশ নং - ৯,১৯৯৬ খন সম্পৰ্কত প্ৰথম বিল উত্থাপন কৰিছিল যদিও সংবিধানৰ ১০৭ (৫) বিধিৰ অধীনত সেই সময়ৰ সংসদ ভঙ্গ হোৱাত আলোচনা কৰিব নোৱাৰিলে আৰু সেয়ে ২৭.৩.৯৬ তাৰিখে দ্বিতীয়খন অধ্যাদেশ নং - ১৯,১৯৯৬ জাৰি হয়। সেই একেই কাৰণত তৃতীয় বাৰৰ বাবে অধ্যাদেশ নং ৩০,১৯৯৬ জাৰি কৰা হয় আৰু উক্ত অধ্যাদেশ খন বিল হিচাপে ১২/৭/৯৬ তাৰিখে Bill No-21,1996 যোগে সংসদত উত্থাপন কৰা হয় আৰু উক্ত Bill খন সাংসদ অমৰ ৰায় প্ৰধান দেৱক সভাপতি হিচাপেলৈ গঠিত সংসদীয় বাছনি কমিটিলৈ প্ৰেৰণ কৰা হয়।

*সংসদীয় বাছনি সমিতিৰ প্ৰতিবেদন ঃ*

সৰ্বদলীয় সংসদীয় বাছনি সমিতিয়ে দুবাৰ অসম ভ্ৰমনকৰে । এবাৰ বঙ্গাইগাওঁ আৰু এবাৰ ডিব্ৰুগড়লৈ। ক্ষেত্ৰ ভিত্তীক তদন্তৰ উপৰিও বিভিন্ন নথিপত্ৰ পৰীক্ষা কৰি ১৯৯৭ চনৰ ১৪ আগষ্ট তাৰিখে কোচ ৰাজবংশী সকলক জনজাতিৰ তালিকা ভুক্ত কৰিবলৈ অনুমোদন জনাই প্ৰতিবেদন দাখিল কৰে। অৱশ্যে সংসদীয় বাছনি সমিতিয়ে কোচ ৰাজবংশীৰ উপৰিও, টাই আহোম, মৰানমটক, চুতীয়া, গাৰো আৰু চাওতাল মুন্দা আদিকৰি কেইবাটাও জনগোষ্ঠীক জনজাতি তালিকা ভুক্ত কৰিবলৈ পৰামৰ্শ আগবঢ়ায়।



ভাৰত চৰকাৰৰ National Commission for ST. & SC ৰ অনুমোদন ঃ- ২০০২ চনৰ নভেম্বৰ মাহত National Commission য়ে অনুমোদন জনায়।

*সংসদীয় স্থায়ী সমিতিৰ অনুমোদন ঃ*

ভাৰত চৰকাৰ জনজাতি আৰু কল্যান মন্ত্ৰালয়ৰ সৰ্বদলীয় সংসদীয় স্থায়ী সমিতিয়ে ২০০২চনৰ ডিচেম্বৰ মাহত কোচ ৰাজবংশী সকলক জনজাতিৰ তালিকা ভুক্তকৰিবলৈ অনুমোদন জনায়। Page-28

"The Committee therefore recommend that Urgent Step should be taken to include Koch Rajbongshi in the list of Scheuled Tribes of Assam."

এটা জনগোষ্ঠীৰ বাবে অতি পৰিতাপৰ বিষয় যে সকলো অৰ্হতা সম্পূৰ্ণ কৰাৰ পাছতো অসমৰ কোচ ৰাজবংশী সকলোক বাদদি বৰ্ত্তমান BJP নেতৃত্বাধীন NDA চৰকাৰে ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যৰ ১৪২ জনগোষ্ঠীক তালিকাভুক্ত কৰিবলৈ The Constitution Second Amendment 2002 for SC & ST বিল খন ২০০২ চনৰ ডিচেম্বৰ মাহত লোক সভাত উত্থাপন কৰি অনুমোদন ললে। অৱশ্যে বিলখন আলোচনা কৰা কালত আমি লোক সভাৰ দৰ্শক গেলেৰীত উপস্থিত থাকি অসমৰ দুই সাংসদ ক্ৰমে S.K. Bismutiary আৰু Dr. Jayanta Rongpi ডাঙৰীয়াই কোচ ৰাজবংশী সকলোক জনজাতিৰ তালিকা ভুক্তিৰ বিৰোধিতা কৰি বক্তব্য শুনাৰ বাহিৰে অসমৰ প্ৰায় মাধৱ ৰাজবংশী, পবনসিং ঘাটোৱাৰ প্ৰমুখ্যে সকলো সাংসদ আৰু অন্যান্য ৰাজ্যৰ ডঃ ৰঘুবংস প্ৰসাদ, আদি কৰি বিভিন্ন সাংসদ আৰু ঝাৰখন্দৰ কেইজনমান সাংসদে কোচ ৰাজবংশীৰ নামটো উক্ত বিলখনত নথকাত ঘোৰ প্ৰতিবাদ জনায় আৰু ইয়াৰ এক স্পৰ্তীকৰণ দাবী কৰে। আলোচনাৰ অন্তত জনজাতি দপ্তৰৰ মন্ত্ৰী শ্ৰীজুৱেল ওৰাঙ মহোদয়ে জনায় যে- National Commission for ST & SC আৰু Parliamentary Standing Committee ৰ পৰা কেইদিন মান (৮দিন) আগতে Recomendation ৰ অহাৰ বাবেই সময়ৰ নাটনি হোৱাৰ বাবে কোচ ৰাজবংশী সকলৰ নামটো Cabinet ত আনি সন্নিবিষ্ট কৰিব পৰা নগল বুলি মন্তব্য কৰে। অৱশ্যে তেখেতে স্বীকাৰ কৰে যে ভাৰত চৰকাৰৰ হাতত সেই দিন পৰ্যন্ত সকলো অৰ্হতা সম্পূৰ্ণ কৰা মাত্ৰ এটা জনগোষ্ঠীহে (Pending) থাকি গৈছে আৰু সেইটোৱেই হৈছে অসমৰ কোচ-ৰাজবংশী আৰু সোনকালে তেওঁলোকক তালিকাভুক্ত কৰা



OLDISCD

হব বুলি ভাষণত উল্লেখ কৰে। ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যৰ অন্যান্য জনগোষ্ঠী সমূহ হয় ৰাজ্যিক চৰকাৰ, নহয় RGI নহয় National Commission for ST & SC ৰ বিভাগত Pending আছে চৰকাৰৰ ওচৰত নাই বুলিও উল্লেখ কৰে। বৰ্তমান BJP নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে কোচ ৰাজবংশী সকলক জনজাতিৰ তালিকাভুক্ত কৰেনে নকৰে তাক জানিবলৈ আগন্তুক লোকসভাৰ অধিবেশনলৈ বাট চাব লাগিব।

ৰাজনৈতিক স্বাৰ্থৰ উৰ্দ্ধত থাকি এটা জনগোষ্ঠীক কৰি অহা প্ৰতাৰনা আৰু প্ৰবঞ্চনাৰ পৰা BJP নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে মুক্ত কৰিব বুলিয়েই আমি আশাবাদী। ৰাজ্যিক BJP দলৰ ২০.৯.৯৮ তাৰিখে অনুস্থিত ৫নং প্ৰস্তাৱৰ প্ৰতিশ্ৰুতি প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ী দেবৰ বিৰোধী দলপতি হিচাপে কাৰ্য্যনিৰ্বাহ কৰা সময়ত তালিকাভুক্তিৰ সপক্ষে দিয়া বক্তব্য কৰি বিভিন্ন সময়ত দিয়া প্ৰতিশ্ৰুতি, উপ প্ৰধান মন্ত্ৰীৰ বাৰম্বাৰ প্ৰতিশ্ৰুতি পুৰণত তেখেত সকলৰ সদ ইচ্ছা আছে বুলিয়েই আমি ভাবো আৰু তাকে জানিবলৈ আগন্তুক সংসদীয় অধিবেশনলৈকে বাট চাব লাগিব।

***



# কোকৰাঝাৰ জিলা কোচ-ৰাজবংশী সন্মিলনীৰ বিষয় ববীয়া সকল।

| | | |
|---|---|---|
| ১। সভাপতি | ঃ | শ্ৰীযুত প্ৰভাত চন্দ্ৰ ৰায়। |
| ২। কাৰ্য্যকৰী সভাপতি | ঃ | শ্ৰীযুত মনিৰাম ৰায়। |
| ৩। উপ-সভাপতি | ঃ | ১) শ্ৰীযুত চন্দ্ৰ নাথ ৰায় বৰ্ম্মন অধিকাৰী। |
| | | ২) শ্ৰীযুত সুবোধ ৰায়। |
| ৪। সাধাৰণ সম্পাদক | ঃ | শ্ৰীযুত সুধীন ৰায়। |
| ৫। সহকাৰী সাধাৰন সম্পাদক | ঃ | শ্ৰী খজিন ৰায়। |
| ৬। সাংগঠনিক সম্পাদক | ঃ | ১) শ্ৰী নিৰ্মল ৰায়। |
| | | ২) শ্ৰী শচীন্দ্ৰ ৰায়। |
| ৭। প্ৰচাৰ সম্পাদক | ঃ | শ্ৰী সনাতন ৰায়। |
| ৮। কাৰ্য্যালয় সম্পাদক | ঃ | শ্ৰী দণ্ডী চৰন ৰায়। |
| ৯। বিত্ত সম্পাদক | ঃ | শ্ৰী ধ্ৰুৱজ্যোতি ৰায়। |
| ১০। সদস্য/সদস্যা সকল | ঃ | ১। শ্ৰী কমলা কান্ত ৰায়। |
| | | ২। শ্ৰী লোহিত চন্দ্ৰ ৰায়। |
| | | ৩। শ্ৰী দিলীপ ৰায়। |
| | | ৪। শ্ৰী ৰনজিৎ সিংহ ৰায়। |
| | | ৫। শ্ৰী দ্বীপেন ৰায়। |
| | | ৬। শ্ৰী দত্ত কুমাৰ ৰায়। |
| | | ৭। শ্ৰী বিজয় বৰ্ম্মন। |

OKDISCD

# কোচ-ৰাজবংশী জাতিয় মহাসভা আৰু চিকনাঝাৰ দিৱস উদ্‌যাপনৰ অভ্যৰ্থনা সমিতি আৰু উপ-সমিতি সমূহৰ বিষয় ববীয়া সকল

স্থান ঃ- চৰাইখোলা (কোকৰাঝাৰ)

তাং ঃ- ২৩ আৰু ২৪ ফেব্ৰুৱাৰী, ২০০৩

## অভ্যৰ্থনা কমিতি

সভাপতি ঃ শ্ৰী কাশীৰাম ৰায়।

কাৰ্য্যকৰী সভাপতি ঃ শ্ৰী সুৰেশ ৰায়।

উপ-সভাপতি ঃ শ্ৰী ঘনশ্যাম ৰায়।

সাধাৰণ সম্পাদক ঃ শ্ৰী জীতেন্দ্ৰ নাথ অধিকাৰী

যুটীয়া সম্পাদক ঃ শ্ৰী নগেন ৰায়।

ঃ শ্ৰী দত্ত কুমাৰ ৰায়।

সহঃ সম্পাদক ঃ শ্ৰী পৰেশ চন্দ্ৰ ৰায়।

ধনভঁৰালী ঃ শ্ৰী সতীশ চন্দ্ৰ ৰায়।

প্ৰচাৰ সম্পাদক ঃ শ্ৰী দীপজ্যোতি বৰ্ম্মন।

সাংস্কৃতিক সম্পাদক ঃ জগন্নাথ ৰায়।

ঃ গোবিন্দ বৰ্ম্মন।

কাৰ্য্যলয় সম্পাদক ঃ বীৰেন দাস।

### ○ খাদ্য বিভাগ ঃ

সভাপতি ঃ শ্ৰী গজেন ৰায়।

সদস্য ঃ- ১। সৰেশ ৰায়। ২। জীতেন ৰায়।

৩। বিলাস বৰ্ম্মন। ৪। উমেশ ৰায়।

### ○ বিজুলী যোগান ঃ

সভাপতি ঃ ১। শ্ৰীনগেন ৰায়।

সদস্য ঃ ২। শ্ৰী অমূল্য ৰায়।

৩। শ্ৰী গৌতম বৰ্ম্মন।

৪। শ্ৰী পুন্যেশ্বৰ বৰ্ম্মন।

### ○ স্বেচ্ছাসেৱক বাহিনী ঃ

সভাপতি ঃ ১। শ্ৰী ঘনশ্যাম ৰায়।

সদস্য ঃ ২। শ্ৰী জয়মতী ৰায়। ৩। শ্ৰী ৰাম কৃষ্ণ ৰায়।

৪। শ্ৰী সন্তোৰন ৰায়। ৫। শ্ৰী ললিতা বৰ্ম্মন।

৬। শ্ৰী প্ৰফুল্ল ৰায়। ৭। শ্ৰী প্ৰদীপ বৰ্ম্মন।

### ○ প্ৰচাৰ বিভাগ ঃ

মূল আহ্বায়ক ঃ ১। শ্ৰী হৰিশঙ্কৰ বৰুৱা। ২। শ্ৰী জগদ্বীশ ৰায়।

৩। শ্ৰী দিলীপ বৰ্ম্মন। ৪। শ্ৰী মতিলাল বৰ্ম্মন।

৫। শ্ৰী বলেন ৰাজবংশী। ৬। শ্ৰী কৃষ্ণ ঠাকুৰ।

৭। শ্ৰীসৌৰভ কুমাৰ ৰায়। ৮। শ্ৰী নিৰঞ্জণ বৰ্ম্মন।

৯। শ্ৰী প্ৰাননাথ বৰ্ম্মন। ১০। শ্ৰী নীৰেন বৰ্ম্মন।

১১। শ্ৰী সুভাষ বৰ্ম্মন। ১২। শ্ৰী ফুলেশ্বৰ বৰ্ম্মন।

১৩। শ্ৰী পিজু বৰ্ম্মন।

### ○ তোৰন ঃ

১। শ্ৰী স্বপন ৰায়। ২। শ্ৰী ৰাজভুষন বৰ্ম্মন।

৩। শ্ৰী যুধিষ্ঠিৰ ৰায়। ৪। শ্ৰী সহদেৱ ৰায়।

OKDISCD

○ ৰভা ঃ শ্ৰী জিতেন্দ্ৰ অধিকাৰী।

○ মঞ্চ ঃ

১। শ্ৰী দত্ত কুমাৰ ৰায়। ২। শ্ৰী সৰিকান্ত বৰ্ম্মন।

○ প্ৰতিনিধি আপ্যায়ন তথা শিবিৰ ব্যৱস্থাপক ঃ

১। শ্ৰী ঘনশাম ৰায়। ২। শ্ৰী সুৰেশ ৰায়।
৩। শ্ৰী ববিতা ৰায়। ৪। শ্ৰী শেৱালী বৰ্ম্মন।
৫। শ্ৰী নূপুৰ বৰ্ম্মন। ৬। শ্ৰী সণিকা বৰ্ম্মন।
৭। শ্ৰী ৰীনা ৰায়। ৮। শ্ৰী চিৰাতী ৰায়।

○ পৰিবহন ব্যৱস্থা ঃ ১। শ্ৰী খজিন ৰায়। ২। শ্ৰী দণ্ডী চৰণ ৰায়।
৩। শ্ৰী দ্বীপেন ৰায়।

○ পাৰ্কিং ঃ শ্ৰী দ্বীপজ্যোতি বৰ্ম্মন।

○ পানী যোগান ঃ শ্ৰী দত্ত ৰায়।

○ সাংস্কৃতিক ঃ ১। জগন্নাথ ৰায়। ২। গোবিন্দ ৰায়।
৩। অমল চন্দ্ৰ ৰায়। ৪। মমেন বৰ্ম্মন।
৫। ৰঞ্জিৎ বৰ্ম্মন। ৬। বিনয় বৰ্ম্মন।
৭। সুশান্ত ৰায়।

○ বিত্ত সংগ্ৰহ ঃ ১। শ্ৰী প্ৰভাত ৰায়। ২। শ্ৰী নগেন ৰায়।
৩। শ্ৰী সৰিকান্ত ৰায়। ৪। শ্ৰী দিলীপ ৰায়।
৫। শ্ৰী সুধীন ৰায়। ৬। শ্ৰী সুৰেশ ৰায়।
৭। শ্ৰী গজেন ৰায়। ৮। শ্ৰী সনাতন ৰায়।
৯। শ্ৰী খজিন ৰায়। ১০। শ্ৰী জীতেন্দ্ৰ নাথ অধিকাৰী।
১১। শ্ৰী কাশীৰাম ৰায়।

OKDISCD